REFERENCE

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME II

## No. 30

The 20th May, 1970

1988

PRINTED AT THE PAPLOO PRINTERS

JORHAT

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### BUDGET SESSION

### VOLUME II

### NO. 30

The 20th May 1970

**Proceedings of The Ninth Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong, at 10 a.m on Wednesday the 20th May 1970.

PRESENT

Shri Mohi Kanta Das, M. A., B. L., Speaker, in the Chair, Nine Ministers, Five Ministers of State, Three Deputy Ministers and Thirty five Members.

## FURTHER SUPPLEMENTARIES STARRED QUESTION No. 287 REPLIED ON 19TH MAY 1970

**Re : Number of cases of Adulteration of foodstuff**

Shri Govinda Kalita . অধ্যক্ষ মহোদয়, খাদ্যত ভেজাল দিয়া অপৰাধত জেল জৰিমনা হোৱা কোনো ব্যৱসায়ীক চৰকাৰে ক্ষমাদান কৰিছে নেকি ? যদি কৰিছে, তেওঁলোকৰ নাম আৰু কাৰণ কি ?

Shri Chatrasing Teron : মই জনাত চৰকাৰে কাকো মাফ কৰা নাই।

Shri Maneswar Boro : খাদ্যত ভেজাল দিয়া সকলক মানৱ হত্যাকাৰী বুলি চৰকাৰে বিবেচনা কৰে নে ? যদি কৰে তেওঁলোকক শাস্তি দিয়াৰ কি ব্যৱস্থা চৰকাৰে কৰিছে ?

Shri Chatrasing Teron : চাৰ, Prevention of Food Adulteration Act মতে তেওঁলোকক শাস্তি দিয়াৰ ব্যৱস্থা আছে। যিবিলাক কেচ প্ৰমাণিত হৈছে তেওঁলোকক কৰ্টে শাস্তি দিছে।

Shri Bhadra Kanta Gogoi : চাৰ, টাউন কমিটি, পঞ্চায়তে যিবিলাক ভেজাল কৰে তাক পৰীক্ষা কৰা মানুহ কোন ?

Shri Chatrasing Teron : আমাৰ Public Analyst আছে আৰু শ্বিলঙৰ Laboratory ত পৰীক্ষা কৰে।

Shri Bhadra Kanta Gogoi : নাহৰকটিয়া টাউন কমিটিয়ে ফিটকিৰিকে মিচিৰি বুলি বিক্ৰী কৰা ধৰি পৰীক্ষাৰ কাৰণে পঠাইছিল আৰু ইয়াৰ পৰা সেই ফিট্‌কিৰি মিচিৰি বুলিহে ৰিপোৰ্ট গ'ল। সেইটো মোৰ হাতত আছে। ইয়াৰ কিবা ব্যৱস্থা কৰিব নে ?

Shri Chatrasing Teron : চাৰ, Specific খবৰ দিলে কৰিব পৰা হব।

Shri Durgeswar Saikia : যিবিলাক Adulteration ৰ কেচ সেইবিলাক

সাধাৰণ বেপাৰী নে ডাঙৰ বেপাৰী ? আচলতে ডাঙৰ ডাঙৰ বেপাৰীয়েহে ভেজাল কৰে। তেওঁলোকক চৰকাৰে দায়ী কৰিছে নে ? আৰু যদি কৰিছে, তেন্তে তেওঁলোকৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

Shri Chatrasing Teron : চাৰ, এইটো কথা record ৰ পৰা দেখা যায় যে দুৰ্ভাগ্য বশত: যিবিলাক মানুহ ধৰা পৰিছে আৰু যিবিলাকৰ ওপৰত শাস্তি বিহা হৈছে তেওঁলোকৰ ভালেমান সাধাৰণ বেপাৰী। কিন্তু যিহেতুকে সাধাৰণ বেপাৰী আৰু Manufacturer নহয়, ডাঙৰ বেপাৰীৰ পৰা কিনি আনি তেওঁলোকে বেপাৰ কৰে। গতিকে আইন মতে তেওঁলোকে নিজকে Protect কৰাৰ ব্যৱস্থা আছে।

The Prevention of Food Adulteration Act, 1944 Section 14. No manufacturer, distributor or dealer of any article of food shall sell such article to any vendor unless he also gives a warrantee in writing in the prescribed form about the nature and quality of such article to the vendor. আৰু যদি তেখেতসকলে Warrantee নলয় তেনেহলে এইটো বৰ দুঃজনক কথা। আমাৰ যি সকলে Check কৰিবলৈ যায় আৰু তেওঁলোকে যি Sample লয় সেই Sample open container ৰ পৰাটো লয়েই আৰু তেওঁলোকে Sealed containner ৰ পৰাও লয় যাতে তাব জৰিয়তে manufacturer ৰো সাৰি নাযায়।

Shri Gaurisankar Bhattacharyya : চাৰ, Section 14 ৰ যিটো Provision মন্ত্ৰী মহোদয়ে পঢ়ি দিলে সেই সন্দৰ্ভত মই কব খোজোঁ। আৰু সেইটো তেখেতে যেনে ভাবে বুজিছে আচলতে কথাটো তেনে নহয়। কথাটো হৈছে যদি কোনো Manufacturer এ কোনো বস্তু যি সকল Dealer ৰক বিক্ৰী কৰে তেওঁলোকক Warrantee এখন

দিব লাগে। যদি Warrantee নালাগে বা বিচৰা স্বত্বেও নিদিয়ে অথাৎ Manufacturer এ সৰু সুৰা Dealer ৰক বিক্ৰী কৰে তেনেহলে সৰু Dealer বাছি যোৱা কথা আইনত নাই। ফলত—"খাই কার্শলা ডালত উঠি, কাঠি চেলেকাৰ মৰণ মিলে।" ডাঙৰ ডাঙৰ যিবিলাক Manufacturer এ Warrantee নিদিয়াকৈ বস্তু বিক্ৰী কৰে তেওঁ-লোক সাৰি যায় আৰু যিবিলাক সৰু সৰু বেপাৰীয়ে Warrantee নোহোৱাকৈ খৰিদ কৰে তেওঁলোক দোষত পৰে। প্ৰশ্নকাৰক জনৰ কথা হৈছে যে সৰু সৰু বেপাৰীৰ ওপৰত হেচা নিদি আচল দোষীসকলক শাস্তি দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছে নে?

**Shri Chatrasing Teron :** মাননীয় সদস্যৰ মতৰ লগত মোৰ অমিল নাই। যি Warrantee নাপায় তেওঁলোক liable হব। সৰু Dealer এ যাতে Manufacturer ৰ Warrantee লয় সেইটো চাব লাগে। ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত আমাৰ Organisation টো State Level ত স্বয়ং সম্পূৰ্ণ নহয় যাৰ কাৰণে ভেজাল ধৰা ক্ষেত্ৰত Effective হব পৰা নাই। বৰ্তমানে মিউনিচিপেলিটি টাউন কমিটি আৰু পঞ্চায়তৰ ওপৰত অধিক দায়িত্ব আৰোপ কৰা হৈছে। মই ভাবো লাহে লাহে আমাৰ Organisation টো State Level ত স্বয়ং সম্পূৰ্ণ কৰিব লাগে।

**Shri Gaurisankar Bhattacharyya :** Warrantee ৰ যেতিয়া ব্যৱস্থা আছে তেতিয়া Manufacture এ wholeseller ক বা Dealer অক Warrantee দিয়ে কিন্তু যি সকল importer বা wholeseller তেওঁলোকেও যেন Warrantee দিয়ে তাৰ এটা ব্যৱস্থা কৰিব নোৱাৰিনে? যাৰ ফলত চতুৰ্থ শ্ৰেণীৰ সৰু সুৰা বেপাৰীয়ে Warrantee ৰ সুবিধা পাব পাৰে।

QUESTION NO- 287 REPLIED ON
19TH MAY 1970

Shri Chatrasing Teron : সেইটো কেন্দ্ৰীয় চৰকাৰৰ আইন গতিকে মাননীয় সদস্যৰ পৰামৰ্শটো আমি বিবেচনা কৰি চাম।

Shri Sailen Medhi : মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছিল যে আমাৰ যিসকল ব্যৱসায়ীক ধৰা যায় তেওঁলোকৰ Conviction কমি আহিছে কিন্তু Adulteration বাঢ়ি আহিছে। ইয়াৰ কাৰণ হল Prosecution কৰা কামটো Local Bodies এ কৰে। তাত নানা ধৰণৰ manipulation হোৱাৰ সম্ভৱনা আছে। তাত চৰকাৰে সাক্ষী দিয়াৰ বাহিৰে Prosecution ৰ ক্ষেত্ৰত চৰকাৰৰ হাত নাই। সেই কাৰণে ক্ৰমে Conviction কমি আহিছে। এই ক্ষেত্ৰত মন্ত্ৰীয়ে কৈছে যে এইটো State Level ত Organise কৰিবলৈ বিবেচনা কৰিছে। Excise Department ৰ নিচিনাকৈ চৰকাৰে Food Adulteration ৰ ক্ষেত্ৰতো prosecution সৰ্বস্বত্ব লোৱাৰ কথা চিন্তা কৰিবনে ?

Shri Chatrasing Teron : মই আগেয়ে কৈছো যে সেইটো Machinery strengthen কৰিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা Food officer নিয়োগ কৰাৰ কথা ভবা হৈছে। তাৰ বাবে চাৰিটা Post Sanction হৈ আছে। এতিয়া P.S.C. ৰ যোগেদি সেই Post কেইটা Fill up কৰা হব।

Shri Sailen Medhi : চৰকাৰে কেইটামান Post create কৰিলেই এই সমস্যাটো সমাধান হব বুলি ভাবে নেকি ? Prosecution বোৰ লোকেল Body ৰ ওপৰত নিদিয়াকৈ Prosecution বোৰ নিজৰ হাতত ৰাখি সমস্যাটো সমাধান কৰাৰ কথা ভাবে নেকি ?

Shri Chatrasing Teron : Post create কৰিলেই সমস্যা সমাধান হব বুলি অনুভৱ নকৰো। কিন্তু Local Board, Municipality, Town Committee, পঞ্চায়তৰ সহায় নোলোৱাকৈয়ে হব বুলি অনুভৱ নকৰো।

QUESTION NO. 287 REPLIED ON
19TH MAY 1970

Shri Govinda Kalita : চৰকাৰে ক্ষমাদান দিয়া ব্যৱসায়ীসকলৰ নাম দিবনে ?

Shri Chatrasing Teron : সেইটো খবৰ বৰ্ত্তমান মোৰ নাই।

Shri Govinda Kalita : সেইটো খবৰ কৰি জনাবনে ?

Shri Chatrasing Teron : মাননীয় সদস্যই জনালে খবৰ লম।

Shri Govinda Kalita : গুৱাহাটী "হল চেলাৰক" High Court এ জৰিমনা কৰিছিল, চৰকাৰে ক্ষমা কৰিছে। এইটো কথা অনুসন্ধান কৰি জনাবনে ?

Shri Chatrasing Teron : খবৰ লম।

Shri Phani Bora : মালিকৰ ওপৰত Prosecution হলে গোমস্তাক জেইলত ভৰাই থয়। এইটো জানেনে ?

Shri Chatrasing Teron : মই নাজানো।

Shri Phani Bora : ইয়াৰ কাৰণ হল যে দোকানত খোৱা বস্তু বিক্ৰী কৰাৰ কাৰণে Licence লব লাগে। যি জনে Licence লয় তেওঁ Prosecute হলে তেওঁৰ নামত গোমস্তাক জেইললৈ পঠায়। গোমস্তাৰ লৰা-ছোৱালীক মহাজনে পোহপাল দিয়ে। এই দোকানৰ Licence ললে ৰাজ্যিক ভাণ্ডাৰলৈ বহুত ধন আহিব। এই গোমস্তাৰ পৰিবৰ্তে দোকানৰ মহাজনক জেইললৈ পঠোৱাৰ ব্যৱস্থা কৰিব নেকি ?

Shri Chatrasing Teron : Licence System introduce কৰাৰ Provision আছে।

Sbri Govinda Kalita : মোৰ প্ৰশ্নৰ উত্তৰ পোৱা নাই, চৰকাৰে ক্ষমাদান কৰা লোকসকলৰ অনুসন্ধান কৰি জনাবনে ?

Shri Chatrasing Teron : Particulars দিলে চাম।

Mr. Speaker : We have already taken 15 minutes on this question. Other members are waiting. There is provision for half an hour discussion in our rules I want a clear decision on this. We have a large number of questions and there should be a limited numbers of supplementaries. Many Members have complained to me that their questions remain unrerplied. Therefore, a maximum should be fixed with regard to the number of supplementaries: Of course, Rule 3 says that the Speaker, when he is satisfied that a suffieient number of supplementaries have been asked, can pass over to other questions. Formerly only 6 questions were allowed. What is the view of the House?

( At this stage many Members stood up )

Shri Dulal Chandra Barua : I have put only one question, but you allowed many Members to put many questions. I have asked Government whether they consider it necessary to set up regional units besides the Shillong unit of the Public Analyst, as we do not get prompt attention from the Shillong unit references for such cases made to them sometimes remain unreplied for years together. Do Government also consider it necessary to make rules as per provisions of the

Government of India's Act ? Government have right to make rules to give exemplary punishment to such kind of offenders. I want to know whether Government are thinking in that way.

Shri Chatrasing Teron : So far as the additional laboratory is concerned, we are already proceeding with a proposal to set up a laboratory at Gauhati, for which, I understand land has been arranged in consultation with the Municipal Board there. That land as far as I know, is in Bamunimaidam. During the current year we are proposing to spend about Rs. 40,000 for setting up of the laboratory. So far as the second part of the question is concerned, I think the Rules will have to be in conformity with the provisions of the Act and shall see what can be done in this respect.

Shri Govinda Kalita : এইটো High Court case আৰু মʼনুহজন এজন মিলাৰ। গতিকে এই খবৰটো আজি দিবনে ?

Mr. Speaker : He says if you supply the name he will supply the information. There may be some other person or Persons whose cases have been disposeed of by the Hon'ble High Court. So if you are in a position to give the name of the person or the firm he will give the information.

FURTHER SUPPLEMENTARIES STARRED QUESTION NO. 287 REPLIED ON 19TH MAY 1970

Shri Abdul Matlib Majumdar (Minister, Law): There was one case in which three months imprisonment was awarded, the convicted person prayed to Government or mercy but his petition was rejected by the Government,

Shri Kamini Mohan Sarma : এইটো গুৰুত্বপূৰ্ণ case High Court এ ৰায় দিছে আৰু মানুজনৰ জেল হুকুম হৈছে। এই গুৰুত্বপূৰ্ণ case টোৰ কথা চৰকাৰে কিয় নাজানিব ?

Shri Abdul Matlib Majumdar : If a separate question is put, I shall give the details.

## QUESTIONS AND ANSWERS

### STARRED QUESTIONS

(To which oral answers were given)

### Re : Encroachment by N.E.F.A Authority

শ্ৰীএ, এন আকৰাম হোচেইনে সুধিছে :

*২৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ উত্তৰ লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ খেৰাজঘাট মৌজাৰ বৃহৎ অঞ্চল নেফা-কৰ্তৃপক্ষই বে দখল কৰাৰ বাতৰি চৰকাৰে জানেনে ?

(খ) নেফা-কৰ্তৃপক্ষই উক্ত অঞ্চল বেদখল কৰাৰ ফলত উত্তৰ ট্ৰাঙ্ক ৰোডৰ বহুত অংশ নেফাত অন্তৰ্ভুক্ত হোৱা বাতৰি সচাঁ নে ?

(গ) উক্ত বেদখল–কার্যৰ সময়ত নেফা-কর্তৃপক্ষই দুখীয়া অসমীয়া খেতিয়কক অত্যাচাৰ কৰি উচ্ছেদ কৰাৰ বিষয়ে চৰকাৰে জানে নে ?

মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই উত্তৰ দিছেঃ

২৯২। (ক)—নেফা-কর্তৃপক্ষই লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ খেৰাজঘাট মৌজাৰ বহুত অঞ্চল বেদখল কৰা সত্য নহয়। উক্ত মৌজাৰ নতুনকৈ জৰিপ কৰা বান্দৰদেৱা গাঁৱৰ অন্তর্ভুক্ত এটি টিলাৰ অনুমান 40 বিঘামান মাটিও নেফা সোৱনশিৰি ডিভিজনৰ ডি, এফ, অই গছ-পুলি ৰুবৰ কাৰণে পৰিষ্কাৰ কৰাৰ বাতৰি উক্ত টিলাত দখল কৰি থকা শ্ৰীকৃষ্ণকান্ত গোস্বামীৰ পৰা জনা যায়। কিন্তু উক্ত ডি,এফ, অ, বা অইন কাৰো পৰা কোনো লিখিত দাবি এই সম্পৰ্কত পোৱা নাই। উক্ত মাটি বৰ্তমানো শ্ৰীগোস্বামীৰ দখল-অধিকাৰে আছে।

(খ) উপৰোক্ত প্ৰশ্নৰ উত্তৰত এই প্ৰশ্ন নুঠে।

(গ) এই সম্পৰ্কে কোনো বাতৰি এতিয়াও চৰকাৰে পোৱা নাই।

Shri Premodhor Bora : তাত বাসুদেৱ থান বুলি এখন থান আছে আৰু সেই থানখন নেফা অঞ্চলত পৰিছে বুলি Nefa D.C.য়ে notice দিছে নেকি ?

Shri Bimala Prasad Chaliha : সেই খবৰ মোৰ হাতত নাই।

Shri Dulal Chandra Barua : এই অঞ্চলটোত local মানুহ আৰু Nefa Administration ৰ মাজত clash চলি আছে, এই সম্পৰ্কে আমাৰ C.I.D. হে লিখালিখি কৰিছিল, এই সম্পৰ্কে কিবা খবৰ পাইছেনে আৰু আমাৰ S,D.O ৱেই যি উত্তৰ দিছে সেইটো কথা verifiction ৰ ওপৰত Report দিছেনে এনেয়ে দিছে ?

Shri Bimala Prasad Chaliha : D.C. ৰ পৰা Report অনা হৈছে।

Shri A.N.Akram Hussain : পথালী পাহাৰ অঞ্চলত অসমীয়া ৰাইজে

খেতি বাতি কৰি আছিল আৰু নেফাৰ কর্তৃপক্ষই সেই অঞ্চলৰ মানুহৰ খেতি বাতি কাটি নিছে আৰু সেই অঞ্চলটোক নেফা কর্তৃপক্ষই দাবী কৰিছে সেই কথা মুখ্যমন্ত্ৰীয়ে জানেনে ?

Shri Bimala Prasad Chaliha : সেইটো প্ৰশ্ন সুকীয়াকৈ দিলে মই কব পাৰিম।

Shri A.N. Akram Hussian : ২০ বছৰ মান আগতে নেকা কর্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত সেই অঞ্চলৰ সীমা জৰীপ কৰা হৈছিল, আৰু তাতে যোৱা November মাহৰ আগলৈকে নেফা কর্তৃপক্ষই মানি আছিল, কিন্তু এতিয়া নেফাৰ কর্তৃপক্ষই অসমীয়া ৰাইজৰ মাজত সোমাই অসমীয়া মানুহৰ ওপৰত অত্যাচাৰ জুলুম চলাই আছে আৰু সেইকাৰণেই মই জানিব খোজো যে অসমীয়া ৰাইজৰ জীৱন আৰু খেতি বাতি সম্পতি নেফা কর্তৃপক্ষৰ গ্ৰাসৰ পৰা ৰক্ষা চৰকাৰে কৰিবনে ?

Shri Bimala Prasad Chaliha : নেফা অঞ্চলৰ তেনেকুৱা বেদখলকাৰী সংবাদ আমাৰ হাঁতত নাই আৰু এতিয়া নেফা আৰু অসমীয়া সীমা ধাৰ্য্য কৰিবৰ কাৰণে Survey ৰখা হৈছে। কিছুমান ঠাই Survey কৰা হৈছে আৰু কিছুমান বাকী আছে।

Shri Dulal Chandra Barua : আগতে নেফা আৰু অসম একেটা প্ৰশাসনত আছিল। কিন্তু এতিয়া নেফা কর্তৃপক্ষই সম্পূৰ্ণৰূপে স্বায়ত্ত-শাসিত অঞ্চল বুলি ঘোষণা কৰাত তেওঁলোকে এখন সুকীয়া Map উলিয়াইছে তাত North Lakhimpur ৰ Railway line লৈকে তেওঁলোকৰ সীমা দেখুৱাইছে এই কথা চৰকাৰে জানেনে ?

Shri Bimala Prasad Chaliha : তেনেকুৱা খবৰ মোৰ হাঁতত নাই।

**Re : Procurement of Paddy**

M. Shamsul Huda asked :

*293. Will the Minister, SuPply be pleased to state—

(a) The total target of procurement of paddy by the Assam Co-operative Apex Marketing Society during the current year ?

(b) The total quantity of paddy so far procured ?

(c) Whether the Organisation will be able to fulfil the target aimed at ?

(d) If not, why ?

Shri Ramesh Chandra Barooah (Minister, Supply) replied:

293. (a)—Total target of procurement of paddy by the Apex is 13·60 lakh quintals.

(b)—3·98 lakh quintals so far procured by Apex

(c)—Least chance of fulfilment.

(d)—The Organisation has structural weakness besides financial and administrative difficulties. Besides smaller production in the current year and free movement and sale of paddy and rice upto fifteen quintals at a time are contributory causes. At the commencement of the season moist paddy was not procured as moisture in excess of 19 per cent adversely affect quality of rice.

Mr. Speaker: Questions Nos 293 and 298 both these Questions relate to the same subject-matter. Therefore they may be taken together.

M. Shamsul Huda: মন্ত্ৰী মহোদয়ে কৈছে যে Appex Marketing য়ে টকা পইচা দিব পৰা নাছিল। এই Appex Marketing Reserve Bankৰ পৰা লোৱাৰ ব্যৱস্থা কৰিছিল নেকি ?

Shri Ramesh Chandra Barooah : Appex marketing soecictyৰ internal বিষয়ত আমাৰ যোগাযোগ নাই, সেই কাৰণে এই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিম।

M. Shamsul Huda : Appex marketing য়ে কিয় ধান কিনিব নোৱাৰিছিল সেইটো চৰকাৰে অনুসন্ধান কৰিছিল নে ?

Shri Ramsh Chandra Barooh : Appex marketting ক টকা লবলৈ চৰকাৰে জোৰ দিছিল কিন্তু তেওঁলোকে কিয় টকা লব নোৱাৰিলে সেইটো আমাৰ লগত যোগাযোগ কৰা নাই।

M. Shamsul Huda : এইটো সচাঁনেকি ভিজা ধান সংগ্ৰহ নকৰে বুলি কোৱাৰ পিছতে বাহিৰা ব্যৱসায়ীয়ে ধান বিলাব ললে আৰু এই বিলাক ধান ব্যৱসায়ী বিলাকে খুব সস্তাতে আমাৰ দুখীয়া কৃষকৰ পৰা কিনি থলে ?

Shri Ramesh Chandra Barcoah : যোৱা বছৰ যেতিয়া দেখা গল আমাৰ paddy procurement Agent য়ে কিনা ধান বাহিৰত বিক্ৰী কৰিব নোৱাৰে তেতিয়া ভাৰত চৰকাৰে থিক কৰিলে যে 15 pc ভিজা ধান Reject কৰিব আৰু এই নীতিৰে সুবিধা লৈয়ে বাহিৰা ব্যৱসায়ীয়ে ধান লবলৈ সুযিধা পালে।

M. Shamsul Huda : এই ধান সংগ্ৰহৰ ব্যৰ্থতাৰ পিছত চৰকাৰে কি ভাৱে খাদ্য পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পাৰিম বুলি ভাবিছে ?

Shri Ramesh Chandra Barooah : আমাৰ হাতত যিমান খিনি procured paddy আছে আমি আশা কৰো তাৰে সৈতে ৪/৬ মাহ মান চলাই দিব পাৰিম।

Shri Phoni Bora : আমাৰ যোগান মন্ত্ৰী মহোদয়ে কৈছে যে Appex marketing দেউলীয়া হৈছে বুলি জনাই দিয়া নাই। কিন্তু যোৱা ২

বছৰৰ আভিজ্ঞতাৰ পৰা চৰকাৰে এইটো নেভাবেনে যে চৰকাৰ এই ক্ষেত্ৰত ব্যৰ্থ হৈছে ? যোৱা ১৯ তাৰিখৰ পৰা যিটো গাইপতি সপ্তাহত ৫০০ গ্ৰামকৈ চাউল দিয়াৰ ব্যৱস্থা গুৱাহাটীত কৰিছে সেইদৰে কি চৰকাৰে খাদ্য সমস্যা সমাধান কৰিব পাৰিব ? গতিকে এই কথা মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব খুজিছোঁ যে- Appex marketing society ১৯৬৮-৬৯ আৰু ১৯৬৯-৭০ চনৰ এই দুয়ো ক্ষেত্ৰত টকাৰ অভাৱৰ কাৰণে তেওঁলোকে ধান সংগ্ৰহৰ ব্যৰ্থতা প্ৰকাশ কৰিছে। সেই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা হাতত লব খুজিছে।

Shri Ramesh Chandra Barooah : আমি mid season ত Appexক গুছাই দিয়াৰ কথা ভৱা নাই। Appex marketing ৰ structure তো অলপ দুৰ্ব্বল হোৱাৰ কাৰণে ধান সংগ্ৰহ কৰিব পৰা নাই। আমাৰ সংগ্ৰহ কৰি থোৱা ধান খিনিৰেই আমি আৰু কিছুদিন চলাব পাৰিম। কালি মঙ্গলবাৰৰ পৰা Fair price shop আৰম্ভ কৰা হৈছে।

Shri Durgeswar Saikia : এই বছৰৰ Targetৰ ভিতৰত আছু ধানো ধৰা হব নেকি ?

Shri : Ramesh Chandra Barooah : হয়।

M. Shamsul Huda : মন্ত্ৰী মহোদয়ে কৈছে যে Appex marketingক এতিয়াও জনাই দিয়া হোৱা নাই- ধান সংগ্ৰহ কৰিব নোৱাৰিব বুলি। আমাৰ নগাঁৱৰ কথাকে মই কৈছো যে-ধানৰ দাম এতিয়া ৩৫/৩৮ টকালৈকে উঠিছে তেনে ক্ষেত্ৰত যোগান বিভাগে এতিয়াও আশা কৰিব পাৰেনেকি যে নিৰ্দ্ধাৰিত দৰত Appx marketingএ ধান সংগ্ৰহ কৰিব পাৰিব। সেই ক্ষেত্ৰত যোগান বিভাগে কিবা ব্যৱস্থা কৰিবনে ?

Shri Ramesh Chandra Barooah : ইতিমধ্যে ধানৰ দাম কমাবলৈ চেষ্টা কৰা হৈছে। F.C.I. ও market Price থিক কৰিবৰ কাৰণে থিক কৰিছে।

(Starred question No. 294 was not put and answered as the hon. Questioner was absent.)

## Re : Movement of Rice

M. Shamsul Huda asked :

*295. Will the Minister, Supply be pleased to state—

(a) Whether it is a fact that quality rice have been moved from Assam to the West Bengal under the garb of broken rice ?

(b) If so, the approximate quantity of quality rice moved to the West Bengal so far this year ?

(c) Whether the Government favours export of quality rice to the West Bengal this year ?

(d) If not, why ?

Shri Ramesh Chandra Barooah ( Minister, Supply ) replied :

295. (a)—Government have no information.

(a)—Does not arise.

(c)—No.

(d)—This year's procurement is low.

M. Shamsul Huda : বহুদিনৰ পৰা শুনিবলৈ পাইছো যে Broken চাউলৰ নামত বহুতো Quality-Rice বাহিৰলৈ পঠোৱা হৈছে। ইয়াৰ ফলত ইয়াতে চাউলৰ দাম মোনে ৭৫ আৰু ধানৰ দাম ৪০ টকালৈকে উঠিছে। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে জনাবনেকি যে এই quality-rice West Bengal পাইছেগৈ।

Shri Ramesh Chandra Barooah : মাননীয় সদস্যই Broken-Rice ৰ নামত ভাল চাউল বাহিৰলৈ যাব বুলি যিটো সন্দেহ কৰিছে সেইটো নহয় কাৰণ এই বছৰ আমি Broken rice বাহিৰলৈ পঠোৱা নাই।

Shri Shamsul Huda : বে-আইনিভাৱে কিমান চাউল বাহিৰলৈ যায় জানেনে ?

Shri Ramesh Chandra Barooah : ভঙাচাউল বাহিৰলৈ পঠোৱা নাই যেতিয়া এই কথা কেনেকৈ উঠে।

Shri Phani Bora : West Bengal ৰ বাহিৰে ভাৰতৰ অনান্য ৰাজ্যলৈ পঠোৱাৰ ব্যৱস্থা আছে নেকি ?

Shri Ramesh Chandra Barooah : আমি কৈছো যে Broken-rice পঠোৱা নাই। আৰু এই সম্পৰ্কত এইটো উঠিবই নোৱাৰে।

M. Shamsul Huda : Broken-rice পঠোৱা নাই। কিন্তু তাৰ নামত Quality-rice পঠোৱা হৈছে—এইটো চৰকাৰে মানি লবনে ?

Shri Ramesh Barooah : Broken-rice য়েই পঠোৱাৰ Permit দিয়া নাই আৰু সিটোৰ প্ৰশ্ন ইয়াত নাহে।

Dr. Surendra Nath Das : Broken-rice West Bengal লৈ পঠোৱা বুলি কৈছে। কিন্তু মই জানিব খুজিছো Broken-rice তাৰ মানুহে কেনেকৈ use কৰে ?

Shri Ramesh Chandra Barooah : যি ক্ষেত্ৰত Broken-Rice পশ্চিম বঙ্গলৈ পঠোৱাই নাই গতিকে সেইটো কেনেকৈ use কৰে কেনেকৈ জানিম ?

Shri Giasuddin Ahmed : চৰকাৰে এই কথাটো জানে নেকি যে মঙ্গলদৈৰ পৰা— কিছুমান চাউল ধুবুৰীলৈ পঠাবলৈ চৰকাৰে permit দিছিল কিন্তু ধুবুৰীৰ এই বিভাগৰ কৰ্ম্মচাৰীৰ অজ্ঞাতে এই চাউল বাহিৰলৈ যোৱা কথাটো সচঁানে ?

Shri Ramesh Chandra Barooah : এইবছৰ আমি ৫ মোন ধানৰ ঠাইত ১৫ quintol অৰ্থাৎ ৪০ মোন Move কৰিবলৈ Relax কৰা হৈছিল। যদি এই ক্ষেত্ৰত কোনোবাই এইটো Misuse কৰিছে কব নোৱাৰো।

Shri Giasuddin Ahmed : বৰ্ত্তমান ধানৰ মোনে ৪০ টকা পাইছেগৈ। কাৰণ সেইবিলাক ধান বাহিৰলৈ নিশ্চয় গৈছে। চৰকাৰে এইটো কেনেকৈ বন্ধ কৰিব বুলি ভাৱিছে ?

Shri Ramesh Chandra Barooah : বাহিৰলৈ যাব নোৱাৰাৰ কাৰণে আমাৰ Checkgate আদি আছে ।

M. Shamsul Huda : এই বছৰ অবাধে ৰেলৰ জৰিয়তে চাউল বাহিৰলৈ গৈছে—আৰু এইটো বন্ধ কৰিবৰ কাৰণে D. C. এ Circular দিব লগীয়া হৈছে। এই সম্পৰ্কে নগাঁৱৰ কথা মই উল্লেখ কৰিব খুজিছো যে নগাঁৱৰ D. C. এ এইদৰে বন্ধ কৰিব লগা হৈছে। চৰকাৰে অনুসন্ধান কৰিবনে ?

Shri Ramesh Chandra Barooah : এই সম্পৰ্কত মই আগতেই কৈছো— যে ৫ মোনৰ ঠাইত ১৫ কুইন্টলৈ আমি যিটো Relaxation দিলো সেইটোকে হয়তু কোনোবাই misuse কৰিছে। আৰু এইটো অসমৰ বাহিৰত নহয় অসমৰ ৰাজ্যৰ ভিতৰতে হৈছে—এই বাবে আমি D. C. ক step লবলৈ—নিৰ্দ্দেশ দিছিলো আৰু D. C. এ সেইটো কাৰ্য্যকৰী কৰাত জনসাধাৰণক জনাইছে যে ১৫ কুইন্টল চাউলো বন্ধ কৰিছে।

## Re : Purchase of Paddy by Millers

Shri Phani Bora asked :

*296. Will the Minister, Supply be pleased to state—

(a) The total quantity of paddy purchased by the millers during the period from 1st July 1969 to 15th February 1970 ?

(b) Whether it is a fact that some millers have made purchases exceeding the limit of their licensed capacity ?

(c) If so, whether Government propose to take appropriate action against the millers responsible for violation of the conditions laid down in the licenses ?

Shri Ramesh Chandra Barooah (Minister, Supply) replied :

296. (a)—No. license had been issued to millers for purchasing paddy on their own account, so Government have no information.

(b)—Does not arise in view of reply to (a) above.

(c)- Does not arise in view of reply to (a) above.

Shri Phoni Bora : কিছুমান মিলাৰক মঙ্গলদৈত আহুধান কিনিবলৈ Licence দিয়া নাছিলনে? আৰু সেই আহুধান নাপায় শালিধানকে মিলাৰ বিলাকে কিনা নাছিলনে? আৰু সেইবিলাক ধান কেইটামান গুদামত মজুত কৰি ৰাখিছিল আৰু এই গুদাম কেইটা Enquiry কৰিবৰ কাৰণে আমাৰ ফালৰ পৰা দাবী কৰা হৈছিল—এই বিষয়ে চৰকাৰে পৰিস্কাৰকৈ কিবা এটা ধাৰণা দিব নোৱাৰেনে ?

Shri Ramesh Chandra Barooah : প্রশ্নটো আছিল Miller সকলক ধান কিনিবলৈ দিয়া হৈছেনে নাই—মই উত্তৰত কৈছো এই বিষয়ে Miller ক সন্মতি দিয়া নাই। ইয়াৰ কাৰণে দুটা Agent আছে এটা হৈছে F.C.I, আৰু আনটো হৈছে Apex marketing Society

আৰু সেই F.C.I. এ কিছুমান Selected মিলাৰক Agent হিচাবে নিয়োগ কৰে আৰু মিল বিলাকে F.C.I. ৰ Agent হিচাবেহে ধান কিনিছে।

Shri Sailen Medhi : মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ধান সংগ্ৰহ কৰিবৰ কাৰণে মিল বিলাকক Licence দিয়া হোৱা নাছিল। কিন্তু যোগান বিভাগে বেলেগে ধান বাহিৰলৈ নিবৰ কাৰণে Transit Permit দিছিল, যদি দিছিল কিমান ধান বাহিৰলৈ নিবৰ কাৰণে দিছে ?

Shei Ramesh Chandra Barooah : মিল বিলাকক দিয়া হোৱা নাই। Apex marketing এ সেই বিষয়ে কোনোবাক Select কৰে। তেওঁবিলাক মিলাৰো হব পাৰে।

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয় আমাৰ নীতিগত এটা কথা আছে। চৰকাৰে সদায়েই নীতিৰ কথা কয়। আমাৰ বাহিৰৰ মহাৰাষ্ট্ৰ আদি Co-operative বাদ দি আমাৰ ইয়াৰ Co-operative ক Special Preferance দিব লাগে। চৰকাৰে আৰু চৰকাৰৰ ওপৰ মহলৰ ফালৰ পৰা কিছুমান গাইগোটীয়া মানুহক Licence দিয়া হৈছিল, যদি দিয়া হৈছিল সেই মানুহবিলাক কোন কোন ?

Shri Ramesh Chandra Barooah : সেইটো এটা বেলেগ প্ৰশ্ন। সেইটো প্ৰশ্ন ইয়াত নুঠে।

Shri Dulal Chandra Barua : এই মিল বিলাক ধান দিয়াৰ লগে লগে চাউলো বাহিৰলৈ নিবলৈ Permit দিয়া হৈছিল। এই কথা সত্য হয় নে নহয় ?

Shri Ramesh Chandra Barooah : এই কথা সঁচা বুলি কব নোৱাৰো। কথাটো আছিল—Millers can mill paddy of the two Procureing agencies. They also mill paddy on the permit issued by the District authority.

Shri Phoni Bora : এইটো কথা আমিও জানো। কথাটো হৈছে যে যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছে যে মিল মালিকক Permit দিয়া নাই। এই Permit বিলাক Apex Marketing এ দিছে। এতিয়া মোৰ প্ৰশ্নটো হৈছে Movement permit বিলাক Apex Marketing এ তেওঁলোকৰ Nominee ই হওক বা কাৰোবাৰ Nominee ই হওক কিছুমান ব্যৱসায়িক দিছে। তেখেতে কৈছে যে মিলক দিয়া নাই। Permit বিলাক যোগান বিভাগৰ হৈ Apex Marketing এ দিয়েনে। আৰু যোগান বিভাগে Apex Marketing ক দিছেনেকি ? যাৰেই নামত হওক এই Permit মিলৰ নামত দিয়া হৈছিল। আনকি এই মিল বিলাকে F.C.I. ৰ অঞ্চলৰ আৰু Apex Marketing ৰ অঞ্চলৰ পৰাও ধান সংগ্ৰহ কৰি কিছুমান গুদামত জমা কৰিছিল। এই বিষয়ে এটা Enquiry কৰিবলৈ আমি দাবী কৰিছিলো। সেই ক্ষেত্ৰত যোগান বিভাগে কি ব্যৱস্থা অৱলম্বন কৰিছিল আৰু এতিয়া কি ব্যৱস্থা অৱলম্বন কৰিছে ?

Shri Ramesh Chandra Barooah : এই প্ৰশ্নটো ইয়াত নুঠে প্ৰশ্নটোৰ উত্তৰ দিবলৈ অলপ অসুবিধা হয়।

Shri Phani Bora : এই প্ৰশ্নটোৰ উত্তৰ কিয় দিব নোৱাৰো বুলি কৈছে মই ধৰ পৰা নাই। মই কৈছো Miller বিলাকক Illegal Permit issue কৰিছিল আৰু এই মিলাৰ বিলাকে ধান সংগ্ৰহ কৰাৰ অভিযোগ যি আছিল সেইটো চৰকাৰে বিচাৰ কৰিছিলনে বা ব্যৱস্থা কৰিবনে ?

Mr. Speaker : The question was whether any licence was issued to millers for purchasing paddy and the answer was, no licence had been issued to millers. And, the question that some millers purchased paddy and kept in the godown and later on exported to some other places—it is a different question.

Shri Phani Bora : তেখেঁতে এইটো স্বীকাৰ কৰিছে যে F.C.I. এ permit issue কৰিব পাৰে।

Shri Ramesh Chandra Barooah : F.C.I. য়ে Agent নিয়োগ কৰিব পাৰে। F.C.I. can appoint selected millers also as purchasing agent.

## Re : Prices of Paddy

M. Shamsul Huda asked :

*297. Will the Minister-in charge of Supply be pleased to state—

(a) Whether the Government is aware that paddy has been selling abvoe Rs. 35 per 40 Kg. ?

(b) If so, the reasons for such rise ?

(c) If so, whethere the Government envisages further rise in prices of paddy this year ?

Shri Ramesh Chandra Barooah ( Minister, Supply ) replied :

297. (a)—Yes.

(b)—Main reason is low production this year.

(c)—During the "lean" period the price may go up. Necessary steps are, however being taken to keep the prices as low as possible.

Shri Phani Bora : চাৰ কথাটো হৈছে যে, যেতিয়া ধানৰ দাম বাঢ়ি দিয়া হৈছিল ২৫ টকাত ৪০ kg. মোনত ধান কিনিছিল এই কথাটো চৰকাৰে জানেনে নাজনে ?

Shri Ramesh Chandra Barooah : মই কৈছো Necssary steps are however being taken to keep the price as low as possible মই উত্তৰত কৈছো 'হয়' বুলি। এতিয়া কিমান দাম চলিছে সেইটো খবৰ কব পাৰো।

M. Shamsul Huda : এতিয়া ২৫ টকাৰ ঠাইত ৩৫।৪০ টকাত ধান বিক্ৰী হোৱাৰ কথাটো চৰকাৰে জানেনে ?

Shri Ramesh Chandra Barooah : মই খবৰ পোৱা মতে ধুবুৰীত Above ২৫, গুৱাহাটীত Above ২৫, ডিব্ৰুগড় Above ২৫, নগাৰ Above ২৫, যোৰহাট Above ২৫, বিশ্বনাথ চাৰিআলি Above ২৫,

M. Shamsul Huda : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো ধানৰ দাম দিছে সেইটো বৰ্ত্তমান চলি থকা ধানৰ দামনে ? যদি এই দামত বৰ্ত্তমান ধান বিক্ৰী হৈছে বুলি কয় তাৰ সম্পুৰ্ণ দায়িত্ব মন্ত্ৰীমহোদয়ে লবনে ?

Shri Ramesh Chandra Barooah : এইটো ১৫ দিনৰ আগতে পোৱা দাম এই বিলাক প্ৰশ্নৰ উত্তৰ অনা হৈছে চাপা কৰা হৈছে। এই বিলাকত সময় লাগিছে।

Shri Phani bora : সমগ্ৰ অসমতে ধানৰ দাম মন্ত্ৰীমহোদয়ে above ২৫ টকা বুলি কৈছে। কিন্তু কথা হৈছে যে above ২৫ টকা বুলিলে প্ৰতি মোনে ১০০/ টকাও হব পাৰে। আচলতে ধানৰ দাম ৩৫ টকা ৪৫ টকা হৈছেগৈ এই কথা চৰকাৰে জানেনে ? এই ধানৰ দাম বঢ়াত কেৱল যে দুখীয়া আৰু মজদুৰীয়া তৰফৰ মানুহৰহে সৰ্ব্বনাশ হৈছে এই কথা চৰকাৰে জানেনে ?

Shri Ramsh Chandra Barooh : এইটো চৰকাৰে জানে। এইটো মই উত্তৰত দিছো।

Shri Dulal Chandra Baraooh : মন্ত্ৰীমহোদয়ে যিটো দামৰ কথা উল্লেখ কৰিছে সেইটো আচল দাম নহয় ইয়াত ধান আৰু চাউলৰ দাম বহুত বাঢ়িল। সেইটো লিপিবদ্ধ ভাৱে মানি লবৰ কাৰণে দিছে নেকি ?

Shri Ramesh Chandra Barooah : Open mark t ত এইটো লিপিবদ্ধ হব নোৱাৰে। Demand and Supply ৰ ভিত্তিতহে হয়। আৰু এইটো ১৫/২০ দিনৰ আগৰ দাম।

Shri Kabir Chandra Ray Pradhani : অধ্যক্ষ মহোদয়, যেতিয়া দুখীয়া খেতিয়ক সকলৰ পৰা ধান সংগ্ৰহ কৰা হয় তেতিয়া S.I. ইমান বেছি হয়যে অলপ ধানৰ দাম বেছি হলেও cease কৰে। কিন্তু এতিয়া সেই S.I. বিলাক মৰি গলনে ? Supply Deptt মৰিলনে ? আৰু এতিয়া চৰকাৰ আছেনে নাই ? কিন্তু এইটো চৰকাৰে চাবনে কি যে ধানৰ দাম বৃদ্ধি হোৱাৰ কাৰণে সেই বৃদ্ধিৰ উপকাৰ দুখীয়া খেতিয়কে পোৱা নাই। বৰঞ্চ Hoarder বিলাকেহে লাভ কৰিব পাৰিছে ?

Shri Ramesh Chandra Barooah : অধ্যক্ষ মহোদয়, আমাৰ Supply Deptt এ ধানৰ দাম বেছি ললেও চৰকাৰে Flour price হে Fix কৰি দিয়ে আৰু Cease কৰাৰ কোনো ব্যৱস্থা Supply Deptt ৰ নাই।

Shri Kabir Chandra Ray Pradhani : খেতিয়কৰ ধান cease কৰাৰ Report মই দিব পাৰো। এতিয়া ধানৰ দাম বেছি হৈছে, কিন্তু cease কৰা নাই, কৰিছিল দুখীয়া মানুহৰ ধানহে। গতিকে এতিয়া যিমান cease কৰিছে, তাৰ গোটেই হিচাব আছেনে ?

Shri Rames Chandra Barooah : আগতে অৱশ্যে কিছু cease কৰিছিল; কিন্তু এতিয়া ১৯৬৮-৬৯ চনৰ পৰা কোনো cease কৰা নাই।

## Re : Procurement of Paddy by Apex Marketing

Shri Shamsul Huda asked :

*298. Will the Minister, Supply be pleased to state—

(a) Whether it is a fact that procurement of paddy by the Assam Co-operative Apex Marketing is not satisfactory in this year?

(b) If so, the reasons therefor?

Shri Ramesh Chandra Barooah (Minister, Supply) replied :

298. (a)—Yes.

(b)—The main reasons are structural weakness, financial difficulties and administrative in experience. Low production, excessive moisture in paddy at the commencement of the season and liberalisation of restrictions on internal movement of rice and paddy with a view to help supply to open retail market also contribute to some extent.

### Re : Bus accident near Belsor

Shri Maneswar Boro asked :

*299. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that a private passenger bus coming at a very high speed from Belsor plunged into a deep stagnant pool of water at Choraibari village on the Nalbari-Hajo P. W. D. Road on 16th October 1969?

(b) If so, how many persons were killed in that accident?

(c) Who are responsible for the accident ?

(d) Who will pay compensation to the families or relatives of the victims ?

(e) What action has been taken by the Government in this regard ?

Shri Bimala Prasad Chaliha ( Chief Minister ) replied :

299. (a)—Yes.

(b)—8 ( eight ) persons were killed.

(c)—On investigation the Driver was found responsible for the accident.

(d)—The payment of compensation will depend on the Insurance Company as per terms and conditions of the insurance made under the provisions of the Motor Vehicles Act, on claim by the party.

(e)—Hajo polic station case No. 4 (10) 68, U/S 279/304 (A) I. P. C., was registered againts the accused Driver and the investigation has been proceeding.

Shri Maneswar Boro : অধ্যক্ষ মহোদয়, চৰকাৰে compensation দিয়াৰ কথা কৈছে। কিন্তু কি কি Basis ত এইটো দিয়া হব ?

Shri Bimala Prasad Chaliha : মাননীয় সদস্যই কি কলে মই ধৰিব নোৱাৰিলোঁ।

Shri Maneswar Boro : মানুহ মৰাৰ পাছত কি Basis ত এই compensation টো দিয়া হব ?

Shri Bimala Prasad Chaliha : চাৰ Claims Tribunal এ এইটোৰ নিৰ্ণয় কৰে।

Shri Mohidhar Pegu : এনেকৈ যি বিলাক মানুহ মটৰ দুৰ্ঘটনাত মৃত্যু হয় তেওঁলোকে ক্ষতি পুৰণ পাবলৈ হলে আইনজ্ঞৰ সহায় লব লগা হয় আৰু যদি সেয়ে হয় তেনেহলে দুখীয়া মানুহ বিলাক আইনজ্ঞ মানুহৰ সহায় লোৱা সম্ভৱ নে ?

Shri Bimala Prasad Chaliha : চাৰ, ক্ষতিপূৰণ দাবী কৰা লোকসকলে claims Tribunal ত দাবী জনাব লাগে। District judge সকলেই হৈছে Claim Tribunal তেওঁলোকৰ ওচৰত দাবী জনালেই তেওঁলোকে শুনানী দিয়ে আৰু Award দিয়ে।

## Re : Demarcation of boundary of Meghalaya

Shri Maneswar Boro asked :

*300. Will the Minister, T.A.D. be pleased to state—

(a) Whether the Government is aware of the demarcation of the boundary of the Meghalaya ?

(b) If not, why ?

(c) Whether the Government propose to construct concrete pillars on Assam-Meghalaya boundary for avoiding future border problem ?

(d) What is the total area of the Meghalaya ?

Shri Chatrasing Teron (Minister, T.A. and W.B.C Department) replied :

300. (a)—The boundaries of Autonomous State of Meghalaya comprises the areas of the United Khasi and Jaintia Hills and Garo Hills as defined in Part A of the table appended to para. 20 of the 6th Schedule to the Constitution of India, read with Clause (i) of sub-section (1) of Section 3 of Assam Re-organisation (Meghalaya) Act, 1969

(b)— Does not arise.

(c)—The boundaries of Autonomous State of Meghalaya and the State of Assam run mostly through natural features, like prominent rivers, streams, hills etc., whch need no demarcation of the ground. Where there are no such prominent features, the boundaries have been demarcated on the ground by pillars, except Umkhyrmi area between United Khasi and Jaintia Hills and Mikir Hills Districts for which steps have been taken to demarcate the boundary line on the ground by means of permanent pillars.

(d)—The total area is 8,706 sq. miles, inclusive of the area (1) of Shillong Cantonment and (2) erstwh leBritish area of Shillong Town, which do not form territorially part of the Autonomous state of Me ghalaya.

Shri Maneswar Boro : অধ্যক্ষ মহোদয়, কামৰূপ আৰু খাছীয়াজয়ন্তীয় পাহাৰৰ সীমা কলৈকে আছে আৰু এই সীমা কত নিৰ্দ্ধাৰন কৰা হৈছে ?

Shri Chatrasing Teron : ছাৰ Govt of India ই ১৮৭৬ চনৰ notification মতেই সীমা ঠিক কৰি দিছে আৰু সেইমতেই কামৰূপ আৰু খাছীয়া জয়ন্তীয়া পাহাৰৰ সীমা হৈছে Government of India notilication No. 1430 dated 14.9.1878

Shri Maneswar Boro : ছাৰ আৰু এটা কথা যে ১৯৬৭ চনতে অসম চৰকাৰে এই সীমাটো Enquiry কৰিবৰ কাৰণে এটা ৩ জনীয়া কমিটি গঠন কৰিছিল আৰু তেওঁলোকে এই সীমা নিৰ্দ্ধাৰণ কৰি চৰকাৰক কি Report দিছে ?

( No reply )

Mr Speaker : This question is kept pending.

Re : Superintendent, Vagrant's Home

Shri Giasuddin Ahmed asked

*301. Will the Minister, Social Welfar be pleased to state—

(a) Whether it is a fact that the then Superintendent ( during the period 1959-60 ) of Vagrant's Home, Gauhati has drawn his pay and allowances for the period from October 1959 to July 1960 from Gauhati Terasury under the head grants-in-aid ?

(b) Whether it is a fact that the said Superintendent, Vagarnt's Home, Gauhati has drawn the same amount ( Rs, 2,340·70 paise ) for the same period again under the Normal Budget head from the Gauhati Treasury ?

(c) Whether it is a fact that the said Superintendent after being appointed as Assistant Director of Social Welfare was asked vide P. & D. Department Social Welfare Branch letter No. 420/58/203, dated 17th February 1964/20th February 1964 to refund the said amount of Rs. 2,340·70 which was overdrawn by him (as the then Superintendent)?

(d) Whether it is a fact that the overdrawn mony was refunded to the Chairman, Vagrant's Home Gauhati vide his letter No. DSW (E) 16/61/157, dated 23rd March 1964.

(e) Whether it is a fact that the said Officer being appointed as Assistant Director, Social Welfare made a third drawal of an amount of Rs. 2,340·70 P. from Shillong Treasury on 2nd January 1963 as the arrear pay of Superintendent, Vagrant's Home, Gauhati for the said 10 (ten) months, i. e. from October, 1959 to July, 1960?

(f) If so, whether the Government considers this act of the said Officer as a gross misconduct?

g) If so, what action has been taken against the said Officer?

(h) If so, whether it is a fact that the said Officer was promoted to the next higher rank of Deputy Director?

Shri Abdul Matlib Mazumdar (Minister for Social Welfare) replied :

301. (a)—Superintendent, Vagrant's Home, Gauhati, drew his pay and allowances for the period from 19th October 1959 to 31st July 1960 out of the fund placed at the disposal of the Chairman, Vagrant's Home as grants-in-aid.

(b)—He drew a sum of Rs. 2,335·58 P. for the period 14th October 1959 to 30th June 1960 from the Gauhati Treasury under the regular budget head.

(c)—He was asked to refund Rs. 2,340·70 P. which was paid to him from the Vagrant's Home fund.

(d)—A sum of Rs. 1,800 was refunded to the Chairman, Vagrant's Home, Gauhati, vide his letter No. DSW (E) 16/61/137 dated 23rd March 1964.

(e)—No.

(f)—Does not arise in view of (e) above.

(g)—Does not arise.

(h)—The post of Assistant Director was redesignated as Deputy Director as per recommendation of the Pay Committee, 1964.

**Re : Village Defence Parties under Demow Out-Post**

Shri Durgeswar Saikia asked :

*302. Will the Chief Minister be pleased to state—

(a) The number of Village Defence Parties under Demow Out post ?

(b) Whether all are registered ?

(c) If not, how long it will take to register them.

Shri Bimala Prasad Chaliha (Chief Minister) replied :

302. (a)—There are 46 Village Defence Parties,

(b)—No. 30 Village Defence Parties are registered and 16 unregistered.

(c)—The cases of the unregistered parties within Demow Out-Post will be taken into consideration along with others when sanction is accorded for formation of more Village Defence Parties in the State. No time limit can be prescribed as the question is related to availability of funds.

## Re : Acquisition of land

Shri Benoy Krishan Ghose asked :

*303. Will the Minister, Revenue be pleased to state—

(a) How many bighas of land have been acquired for the proposed port at Jogighopa ?

(b) The amouut of compensations paid for acquiring the said lands ?

Shri Mahendra Mohan Choudhury ( Minister, Revenue ) replied :

303. (a)—224 Bighas 0 Katha 7 Lessas.

(b)–An amount of Rs. 4,52,101 22P. was paid to the interested persons.

## Re : Weaving Training School at Sibsagar

Shri Durgeswar Saikia asked :

*304. Will the Minister-in-charge of Sericulture and Weaving be pleased to state—

(a) Whether it is a fact that there is a Weaving Training School at Sibsagar ?

(b) If so, the number of seats available in the School ?

(c) What is the average total cost per student ?

(d) What arrangement is being made for hostel and other accommodation ?

(e) The amount of stipends awarded to the students ?

Shri Mahendra Mohan Choudhury ( Minister, Sericulture and Weaving ) replied :

304. (a)–Yes.

(b)—15 Nos. for each session.

(c)—Rs. 1,298 average expenditure per student annually:

(d)–The hostel as well as the Training School are in the same compound and are accommodated in rented houses.

(e)—Rs. 40 p. m. for each student.

## Re : Procurement of Paddy

Shri Rothindra Nath Sen asked :

*305. Will the Minister, Khadi and Village Industries be pleased to stat:—

(a) Whether Government is aware that procurment of paddy in the name of hand-pounding affects procurement in the State ?

(b) What are the total quantities of paddy procured for the purpose eveny year ? ( To be shown district-wise ).

Shri Mahendra Nath Hazarika (Minister-in-charge of Khadi and Village Industris ) replied :

305. (a)—The procurement of paddy has not been affected due to procurement for hand-pounding.

(b)—1966-67—

| | | |
|---|---|---|
| (1) Nowgong Dist. | 4,470·54 | quintals of paddy |
| (2) Cachar ,, | 432·60 | ,, ,, |
| Total | 4,903·14 quintals. | |

1967-68—

| | | |
|---|---|---|
| (1) Nowgong Dist. | 2,992·54 quintals | |
| (2) Kamrup ,, | 967·48 | ,, |
| (3) United Mikir Hills | 1,100·00 | ,, |
| (4) Cachar Dist. | 45·20 | ,, |
| (5) Sibsagr ,, | 28·41 | ,, |

| | | |
|---|---|---|
| | Total | 5,133·63 quintals. |
| 1968-69— | | |
| (1) Nowgong Dist. | | 2,999·28 quintals |
| (2) Kamrup | " | 98·00 " |
| (3) Goalpara | " | 1,693·00 " |
| | Total | 4,790·28 quintals. |

**Re : Expenditure on Khadi and Village Industries**

Mrs. Pranita Talukdar asked :

*306. Will the Minister of Sericulture and weaving be pleased to state—

(a) What is the total annual expenditure of the Khadi and Village Industries ?

(b) Whether this Department has been able to empower Khadi and Village Industries in Assam ?

(c) If not, why ?

(d) Whether Government will make a through assessment with regard to this Department ?

Shri Mahendra Nath Hazarika ( Minister, Sericulture and Weaving ) replied :

306. (a)—Total expenditure for 1969-70 is approximately Rs: 17,88,926·29. Final account for the year has not yet been compiled.

(b)—Yes.

(c)—Does not arise.

(d)—Does not arise.

Re : Sub-Registrar's Office at Tamulpur

Shri Prabhat Narayan Choudhury asked :

*307. Will the Minister of Registration be pleased to state—

(a) Whether Government is aware that Tamulpur Revenue circle comprising a large area remains cut-off during the flood season by the rivers Balti Baralia, Daranganalla, Barnadi, Sukla, etc ?

(b) If so, whether Government propose to open a Sub-Registrar's office at Tamulpur for the relief of the public in general and the constituents in particular with a view to start Sub-Registrar's office at Tamulpur in the near future ?

Shri Bimala Prasad Chaliha ( Chief Minister ) replied :

307. (a)—Yes.

(b)—It is under consideration of Government.

Re : Post of A. D. P. I., Inspectors of Schools etc.

Shri Jagannath Sinha asked :

*308. Will the Minister of Education be pleased to state, what is the number of Assistant D.P.I., Inspector of Schools and Deputy Inspector of Schools ? ( Give the position in Linguistic group-wise ).

Shri Joy Bhadra Hagjer ( Minister of Education ) replied :

308. There is no post of Assistant D.P.I. at present, that post has since been redesignated as Deputy Director of Public Instruction. The numbers of Deputy Director of Public Instruction, Inspector of Schools and Deputy Inspector of Schools are given below linguistic group-wise—

| | | |
|---|---|---|
| (i) Dy. D.P.I. .... Total No.4 .... | 3 | Assamese. |
| | 1 | Bengali. |
| (ii) Inspector of Schools. | 7 | Assamese. |
| Total No. 11, including 2 in | 1 | Bengali. |
| Meghalaya. | 1 | Mizo. |
| | 1 | Khasi. |
| | 1 | Garo. |
| (iii) Dy. Inspector of school | 19 | Assamese. |
| Total No. 29, including 3 in | 4 | Bengali. |
| Meghalaya. | 3 | Mizo. |
| | 2 | Khasi. |
| | 1 | Garo. |

### Re : Flood damage grants to Students

Shri Durgeswar Saikia asked :

*309 Will the Minister, Education be pleased to state—

(a) Whether it is a fact that Goverument decided in 1968 to pay flood damage grants to the students who were badly affected by floods ?

(b) Whethere in 1969 also the same principle was followed ?

(c) If so, whether such grants were given ?

(d) If the reply to (b) above is in the affirmative, to which subdivision ?

(e) Whether it is a fact that the Sibsagar Subdivision was deprived of such grants ?

(f) If so, whether Government propose to sanction such grants to the students of Sibagar Subdivision during this year ?

Shri Joy Bhadra Hagjer (Minister, Education) replied :

309. (a)—Yes.

(b) - No.

(c)—to (f)—Do not arise.

## Re : Non-recurring Grants to Colleges

M. Shamul Huda asked :

*310. Will the Minister, Education be pleased to state -

(a) Whether it is a fact that non-recurring maintenance grants to Colleges for 1969-70 were not sanctioned till the 31st January, 1970 ?

(b) If so, why ?

(c) Whether provision for these grants for these College was made in the Budget for 1969-70

(d) If not, why ?

Shri Joy Bhadra Hagjer (Minister, Educdtion ) replied :

310. (a)—Yes.

(b)—The matter was under consideration.

(c)—Yes, but the provision had to be raised by re-appro-opriation to meet the increased demand,

(d)—Does not arise .

## Re : Surgical Cotton Industry at Dhubri

Shri Giasuddin Ahmed asked :

*311. Will the Minister, Industries be pleased to state—

(a) Whether Government have received any proposal from any party for starting a surgical cotton industry at Dhubri ?

(b) If so, what steps have been taken in this regard ?

Shri Biswadev Sarma (Minister, Industries) replied :

311. (a)—Yes.

(b)—Two schemes prepared by the Directorate of Industries were sent to the party for implementation of one of the schemes.

## Resolution of the Government of India constituting the Brahmaputra Valley commission

Shri Mahendra Mohan Choudhury : (Minister Revenue) চাৰ,

ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ বিভাগ গঠন কৰি যোৱা ১৩ মে তাৰিখে যি প্ৰস্তাৱ পাছ কৰিলে, সেই প্ৰস্তাৱটোৰ নকল এটা আপোনাৰ টেবুলত place কৰিলোঁ।

## *Voting on Demands for Grants

Demand No 24- '27—Scientific Departments''

Demand No.36-"35 – Indus:ries (ii) c ɔttage Indiustries"

Demand No.37"35—Industri:s (iii) Major Industries"

Demend No:80"96 – Capital outlay on Industrial and Econo mic Development (i-Investment in other commercial and Industrial undertakings )

Demend No 82-"96—Capital outlay on Industrial and Economic Development-(iii) other Miscellaneous undertakings,"

Demand No.94-"Q—Loans and Advances, etc (vi) Industrial Loans )

Demand No.99-"Q Loans and Advances, etc (xi-Loans to Major Industries)"

Demand No,100-"Q-Loans and Advances, etc (xii-Loans to Electricity Board")

**Shri Biswadev Sarma (Minister industries) ঃ অধ্যক্ষ মহোদয়, কালি শ্ৰীবৰুৱা ডাঙৰীয়াই এটা পৰামৰ্শ আগবঢ়াইছিল যে আমাৰ Industial Policy Re-orient কৰিব লাগে। সিদিনা মাননীয় শ্ৰীদেবেশ্বৰ শৰ্মা ডাঙৰীয়াইও একে পৰামৰ্শকে আগবঢ়ায় কৈছিল যে কেন্দ্ৰীয় চৰকাৰৰ

*Detaiils at Appendis

**Speech notcorrectdx

প্ৰত্যেক Ministry ৰ কাৰণে Parliamentary Consultative committee আছে। সিদিনা মুখ্যমন্ত্ৰীয়েও কৈছিল যে এই কথাটো বিবেচনাধীন হৈ আছে আৰু মই ভাবো এনেকুৱা এটা কমিটি হোৱাটো বেয়া নহয় যিটো কমিটিয়ে আলোচনা কৰি কিবা এটা উপায় উদ্ভাৱন কৰিব পাৰিব। বৰুৱা ডাঙৰীয়াই ইয়াত আৰু এটা কথা কৈছিলে যে ইয়াত need based industry স্থাপন কৰিব লাগে। সেই কাৰণে তেনেকুৱা কিছুমান শিল্প স্থাপন কৰিবলৈ আমি সিদ্ধান্ত কৰিছো। তেখেতে এটা অভিযোগ আনিছে যে S.I.D.C. Managing Director এ Tin Ingot মেচিন এটা কলিকতাৰ কোনোবা এটা Private partyক বিক্ৰী কৰি দিলে। এই বিষয়ে কলিকতাৰ পুলিচে তদন্ত কৰিছে আমিও এটা তদন্ত কৰাৰ ব্যৱস্থা কৰিছো মই সদনক জনাব খোজো যে তদন্তৰ অন্তত যাক দোষীসাব্যস্ত কৰা হয় তেওঁক শাস্তি বিহা হব।

Shri Dulal Chandra Barua : যি জন মানুহক এই দায়িত্ব দিয়া হৈছে সেই Managing Director জন ঘৰতে থাকে, তেওঁৰ কোনো কাৰখানা নাই। তেওঁ ঘৰৰ ভিতৰতে কাৰখানা কৰি থাকে। আচৰিত কথা যে যোৱা বছৰ বৰ্ডে সিদ্ধান্ত কৰিছিল যে বৰ্ডৰ অনুমতি নোহোৱাকৈ কোনো বস্তু কিনিব বা কাকো দিব নোৱাৰে। কিন্তু তকো উলাই কৰি যি জন মানুহক দিছে সেই জন ভুৱা নামৰ মানুহ। এই বস্তু খিনি অসমৰ পৰা নি পশ্চিমবঙ্গত বোমা তৈয়াৰ কৰাত ব্যৱহাৰ কৰিছে। এই বিষয়ে পশ্চিমবঙ্গ পুলিচে তদন্ত চলাই আছে।

Shri Biswadev Sarma : সেই কাৰণে মই কৈছো যদি সদনত দিব লাগে তেন্তে নিশ্চয় দিম। S. Kamath ৰ বিষয়ে বৰুৱা ডাঙৰীয়াই কৈছে যে এইজন ভুৱা মানুহ আৰু তেওঁৰ বিষয়ে তদন্ত চলাই আছে। অথচ এই কামাথেই যোৰহাটৰ Regional Laboratory ৰ পৰা কেফিন তৈয়াৰ কৰিবলৈ এটা order পাইছে। এই কেফিন tea-waste ৰ পৰা তৈয়াৰ কৰে আৰু বিদেশতো বজাৰ আছে। এই

মানুহ জনক National and Grindlays Bank এও ধাৰ দিছে S.I.D.C. এ quarantee হে দিছে নগদ টকা দিয়া নাই। Assam financial corporation এ ১লাখ টকা ধাৰ দিছিল আৰু সেই টকা পৰিশোধ নকৰাৰ কাৰণে তেওঁৰ ওপৰত Civil কৰিছিল। বোধকৰো সেই টকা নিশ্চয় আদায় হল।

Shri Dulal Chandra Barua : বম্বেৰ পুলিচে বিচৰা নাই। কাৰণ মানুহজনে নাম সলালে আৰু আগৰজন মানুহ মৰিলে বুলি কলে, আনকি পুলিচক মৰিশালীও দেখুৱাইছে। প্ৰথমতে তেওঁৰ নাম আছিল জোচেফ। তাৰ পিচত নাম সলাই কামাথ কৰিলে। তেওঁৰ লৰা ছোৱালী আৰু তাৰ ঠিকনা দিছে মাঙ্গালোৰ C/o Shri Subkadia বম্বেৰ Special police ইয়ালৈকো আহিছিল। তেওঁ নাইকীয়া হল। আমাৰ Special Intelligence Branch ৰ D.S.P. শ্ৰীগিৰীন ভূঞাৰ হাতত সকলো নথিপত্ৰ আছে তাত বম্বেৰ ঠিকনা দিছে কিন্তু ইয়াৰ পৰা মানুহ গৈ সেই মানুহ নেপালে। মোৰ প্ৰশ্ন হৈছে যে এজন মানুহৰ পুৰা detail নোলোৱাকৈ কিয় ইমান বাঢ়িবলৈ দিছে? কিয় shed দিছে? কিয় অসমৰ বুকুতে ইমান বাঢ়িবলৈ সুবিধা দিছে সেই unwaranted মানুহ জনক?

Mr, Speaker : He is replying. If on every point you go on making a speech then there will be no end of it.

Shri Dulal Chandra Barua : Sir, this Government is giving patronage to some of the scoundrels and great injustice will be done by this way to the interest of the State. Therefore, my earnest request to the Minister in charge of Industries is that he should do something for the development of the industries in the State By depriving the legitimate rights of the people, if we allow such kind of people who has

given wrong identification and wrong personification and is receiving patronage from the government, then it will go against the interest of the State. Sir, some people are ready to give affidavit against this man. One Shri Bimal Laskar, son of Shri Dandi Laskar Gauhati is ready to give affidavit against the this man.

Shri Biswadev Sarma : এই বিষয়ে মোৰ একো কব লগীয়া নাই। কাগজে পত্রে দিলেহে মই কিবা এটা কৰিব পাৰিম।

Shri Dulal Chandra Barua : We are speaking about these things in the House and whether the Government will enquire into this matter, ?

Shri Biswadev Sarma ? No, Sir, unless I get something in writing I cannot enquire into the matter.

Shri Dulal Chandra Barua : What writing they want, Sir ?

Mr. Speaker : You cannot compel the Minister,

Shri Dulal Chandra Barua : Sir, you should be impartial.

Mr. Speaker : There should not be any question of partiality or impartiality. It is very surprising, when the Minister makes his reply, if you are speaking for half an hour or more and if I disallow it, does not mean any partiality. It is very unfair: I am not allowing you to speak at this stage.

Shri Dulal Chandra Barua : What document he wants, Sir. Should we give evrything in writing ; we are giving facts and figures on a certain case:

Shri Biswadev Sarma : এই যি মানুহজনৰ কথা কৈছে তেওঁক ১৯৫৭ চনৰ পৰাই Bombay police য়ে অসমৰ পৰা উদ্ধাৰ কৰিব পৰা নাই। Bombay পুলিচ ইমান অক্ষম হৈছেনে যে এই মানুহজনক ইমান দিনে ধৰিব পৰা নাই সেইকাৰণে মই কৈছো যে লিখিতভাৱে বা affidavit খন দিয়ে মই কিবাএটা কৰিব পাৰিম। I cannot make any enquiry unless something written is given.

Shri Dulal Chandra Barua : With facts and figures.

Shri Biswadev Sarma : Sir, in the House, the hon. Member is in a privileged position but that gentleman cannot represent himself here in the House.

Shri Dulal Chandra Barua : Should we go to every Minister and give written complaint on everything. Sir, we are bringing a specific charge against that particular man who is given patronage by the Government. What more things the Minister want. I want protection from you, Sir, What more things they want, I have made a specific charge, so why government is not going to make an enquiry.

Shri Biswadev Sarma : Unless there is a written complaint, Sir, I cannot make any enquiry.

Mr. Speaker : Unless a written complaint is given, he cannot enquire into the matter, he wants a written complaint.

Shri Dulal Chandra Barua : On a point of order, Sir. We, Sir, as members of the House have got right to bring specific charges against anybody and this must be based on facts. I have given facts and some details about certain scandalous things and if they want written complaint, I think, no written complaint is necessary. We have brought a complaint in the House itself and that complaint made in the House is enough. As the government is patronaging this particular man, I think it is the duty of the government to enquire into the charges brought by me against that man and pending enquiry this man should not be allowed to conduct any business here. We have brought specific charges against that particular man and there is no point in asking a member of the House by the Minister to lodge another complaint.

Shri Biswadev Sarma : I think the Hon. Member has made a mistake. If there is any complaint against any officer of the department of the Government this could be enquired into but the Hon. Member has brought allegation against the character of that gentleman who is outside this House. Unless there is a written complaint I cannot make any enquiry on this. It is absolutely clear.

Shri Sailen Medhi : The hon. Minister has missed the point. A complaint has been made by the hon. Member,

Shri Barua. The Minister said, I cannot go into the complaint, I have got no materials. But he cannot claim that the hon. Member must file a written complaint. Already a complaint has been made which has gone into the proceedings of the House. The Minister can at best say that unless he gets details about this he cannot go into the matter. If he says that as he has got no materials, he is unable to give reply to that question, it would be a quite different thing but he cannot say that a written complaint is necessary inspite of the fact that the complaint has already been made in the hon. House.

Shri Mahendra Mohan Choudhury : There is a distinction between a written complaint made to a Minister and a speech delivered inside the House. Inside the House, the members are protected from all defamatory and other criminal charges. They can make any speech inside the House. But when a complaint is made, that complaint will have to be given to the parties concerned who are not present in the House,

Shri Dulal Chandra Barua : What is the procedure ?

Shri Mahendra Mohan Choudhury : Rule 279 (A) says—

"No allegation of a defamatory or incriminatory nature shall be made by a member against any person unless the member has given previous intimation to the Speaker and also to the Minister concerned so that the Minister may be able to make

an investigation into the matter for the purpose of a reply."

Therefore if anybody is to make any complaint against anyperson , prior to that, he is to supply allegations against that person concerned so that the Minister can make enquiry and come prepared with the reply to the House. I was saying that in case an enquiry is instituted against any man he is to be given sufficient time to know the charges and also to defend the charges. Therefore on the basis of proceedings if a charge is framed, I think in that case, the person against whom the complaint is made will be in a disadvantageous position. Therefore, the best thing will be to supply all these allegations to the Minister so that he can have a proper enquiry made. From the Assembly proceedings, of course he may take a clue and make some enquiries. This can be done but I think it may not be sufficient for the purpose of prosecuting the man in a court of law,

Shri Dulal Chandra Barua : Sir, this is the third time that we have repeated this matter in this House. The question of previous intimation cannot arise at all. This is the third time that I have brought this matter to the notice of the Government. A man may do whatever he likes; law will take its own course. But this man is getting patronage from the Government and therefore Government has got link with

this man. This man has taken loan from Assam Financial Corporatoin and he is doing business in the Industrial Development Corporation. The Government has stood as a guarantor to this man for certain machineries: He has taken loan from the Girndleys Bank for which Government has stood guarantee. So, Government has got direct link with this man. Keeping aside this man, we are concerned with the Government department. In what circumstances the Government is patronaging such kind of people. Government have rejected Syed Abdul Mallik's application for loan on the plea of adverse police report. But at the time of patronaging such kind of people why police verification was not made ?

Shri Biswadev Sarma : As I have already said I will make enquiry. There is no police enquiry from Bombay police. Unless there is a specific complaint with regard to the character of this man I cannot make any enquiry,

*Shri Gaurisankar Bhattacharyya : Sir, It is not a question as to whether there is police enquiry about a man or not. Even if there is any police enquiry that does not necessarily condemn a man. What the Hon. Member has said in this that if any particular gentleman has been receiving certain patronage or consideration from the Govt. of Assam and if he has mis used that patronage or consideration then it is for the Govt. to make an enquiry on that score at least.

---

*Speech not corrected

Shri Biswadev Sarma : There is no allegation received in the Deptt.

*Shri Gaurisankar Bhattacharyya : The Hon, member has said that this gentleman has taken a loan from the Assam Financial Corporation which is afterall a Govt. concerned and took a loan to the extent of Rs. 1 lakh. He has not repaid that amount within the time stipulated so much so that the Assam Finanacial Corporation had to go to the Civil Court and inititate a suit. In respect of that Govt of Assam in the Industrial Deptt. stood as a generator for that loan in subsequent deal. He has also alleged that the Govt. of Assam gave him some sort of banking aither with regard to tea waste for making coffeine and all these at least so far as these matters which concerned the Govt. of Assam particularly in the Industries Deptt. in these matters even without any written complain Govt. may make further enquiry to see whether all investmants after that has been made properly. Actually he is a dead man now came or whether he was in some other name in Bombay. It is for the police, it is for the C.I.D. After all the Industries Minister is not a Prime Minister. At least the Minister - in charge of law and order should take a note of it so that if these allegations has some real foundation so that the culprit may be found out. It does not matter whether the culprit or oriminal is in Assam or in Bombay or at Delhi. Aftar all it it the duty of everybody to find out criminal. There may be more criminal activities or defaulcation of public maneys and all these things. But I do hope instead of pursuing the mntter and further generating heat in the House

*Speech not corrected

and taking away the time of the House, probably the Minister-in-charge of Industries may at least make further enquiry pertaining at least to the matters concerning his deptt,

Shri Biswadev Sarma : Sir, the hon. Member Shri Barua has just now said that he is prepare to give me affidavit from some other man. I welcome that. If some people give affidavit certainaly I will make enquiry. Sir there is some allegation about Indrajit Chaliha & Co—Non functioning of the Unit. M/S. Indrajit Chaliha & Co, Industrial Estate, Gauhati received an import Licence for Rs. 5,24,232/—for import of Copper during 1966-67 period, for the end products of wires. The Unit did not import copper, but imported 98 M/T of B.P. Sheets against their Licence as per conversion policy of Import Trade Control policy, Govt. of India, for manufacturing buckets.

The Unit is functioning at Industrial Estate, Gauhati and manufacturing Galvanised buckets. Sometimes, however, the factory has to stop production due to non-receipt of Zinc and other raw materials in time. There is another complaint made by Hon. Member. Shri Medhi about the Tinsukia raw material depot. The Tinsukia raw-material depot is functioning and transaction of about 3 lakhs worth of raw-material has been made with an approximate profit of Rs. 10,000/—. With regard to the Cachar Textile Industries an enquiry has been instituted for looking to the working of this Unit.

কালি গিয়াচুদ্দিন আহমদে optical glass Factory সম্পৰ্কত অভিযোগ কৰিছে যে, মানুহজনে গভৰ্ণমেণ্টৰ পৰা Import Licence লৈ

Licence খন বিক্ৰীকৰি দিছে। এই মানুহজন নগাওঁৰ নাম হানচাৰীয়া গৌৰীপূৰত এটা ঘৰ দিয়া হৈছিল optical glass Factory কৰিবৰ কাৰণে আৰু Raw-materials সংগ্ৰহৰ বাবে Licence দিয়া হৈছিল। কিন্তু Electricity নোহোৱাৰ কাৰণে কৰিব নোৱাৰিলে। গতিকে সেই Licenceৰ অন্তৰ্গত কিছু বস্তু নগাৱত আৰু কিছু কলিকতাত আছে এই বিভাগৰ Joint chief controler এ Liecnce দিয় আৰু এই বিষয়তো তেখেতৰ তদন্তাধীনত। তদন্তৰ পিচত কি হয় সেই কথা জনাম। R I.P.ৰ অধীনত গিয়াচুদিন আহমেদ আৰু কেইজনমান সদস্যই মানকাছাৰ আৰু South salmora ত সোমাই দিব লাগে বুলি কৈছে যিহেতু এইটো পিচপৰা অঞ্চল। কেইজনমান সদস্যই কৈছিল যে Technical-knowledge ৰ কোনো ব্যৱস্থা নাই। এইবাৰৰ বাজেত consultancy service ৰ Provision কৰিছো। এইটোৰে আমাৰ ডেকা সকলক উপযুক্ত পৰামৰ্শ আদি দিব। তাৰ পিচত Project Report তৈয়াৰ কৰা বেঙ্কৰ পৰা ঋণ পোৱাৰ ব্যৱস্থা কৰি দিব। এইটো provision আগতে হব লাগিছিল আমাৰ অলপ দেৰি হ'ল।

তাৰ পিচত নীলাচল Soap Factory টো যি জনক দিয়া হৈছে তেওঁৰ লগত Managing Directorৰ সম্পৰ্ক নাই। আমি Training cum-product centre ৰ জৰিয়তে কিছুমান লৰাক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিলো। তাত Bloksheel carpenty ৰ মেচিনাৰীৰ প্ৰশিক্ষণ ব্যৱস্থা কৰা হৈছে। কিন্তু সেই বিলাক Trade লৈ আজিকালি লৰা যাব নোখোজে। সেই বিলাক মেচিনাৰী এতিয়া অচল হৈ আছে। সেই বিলাক মেচিনাৰী ব্যক্তিগত লোকক Industry কৰিবৰ কাৰণে দিয়াৰ ব্যৱস্থা কৰিছো। এই নীলাচল soap factoryত আমি কিছুমান নিবনুৱা ডেকাক দিব খুজিছো। ইয়াৰোপৰি বদৰপুৰত যি vegetable Tenery আছিল সেইটোও ব্যক্তিগত মানুহক দিবৰ কাৰণে স্থিৰ কৰিছো বাকী যি কেইটা unit আছে তাকো দিবলৈ স্থিৰ কৰা হৈছে। ইয়াৰ ভিতৰত "জেক বৰ্ড" ফেক্টৰীও আছে।

আয়ুৰ্বেদিক Product ৰ বিষয়ে মেধি ডাঙৰীয়াই কৈছিল তাৰ

Medical বিভাগতে ঔষধ তৈয়াৰ কৰি বিক্ৰী কৰাৰ ব্যৱস্থা কৰা হৈছে এতিয়া এইটো ভালকৈ চলিছে বুলিয়ে খবৰ পাইছো আৰু লগতে লাভ হোৱাৰো খবৰ পাইছো। তেখেতে কবিৰাজ জনৰ কথা কৈছে। এই কবিৰাজ জন কলিকতাৰ এজন বিখ্যাত কবিৰাজ। এখেতক এই project ত contract service ত ৰখা হৈছে। এতিয়া ইয়াৰ ঠিকাটো থলুৱা লোকক দিব খোজা হৈছে। এই কবিৰাজ জনক management committeeৰ পৰামৰ্শ মতেই ৰখা হৈছে। এই কবিৰাজজন ৰখাৰ অন্যতম কাৰণ হ'ল তেখেত বৰ সুদক্ষ।

Shri Sailen Medhi : মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিচাৰিছো যে, এখেতে Small-Scale Industrial Development corporation কাৰণে কলিকতাৰ পৰা Air ৰে আহে আৰু আহি Precrsiption দিয়ে, যি, Precrsiption ৰ দৰব তেখেত নিজৰ দোকানতে পোৱা হয়। এখেতৰ এতিয়া ইয়াত একো কাম নাই। এই বিলাক খৰচ এতিয়া মিছা-মিছিকৈয়ে কৰি থকা হৈছে। আৰু এটা কথা কব খুজিছো যে, আয়ুৰ্বেদিক কলেজত যি ৰয়শাখা আছে তাত চৰকাৰে এপইচাও দিব নোৱাৰে। তাৰ Laboratory লৈ কোনো বস্তু চৰকাৰে নিদিয়ে অথচ তাৰ পৰা লৰা পাচ হৈছে কিন্তু সেই লৰাবিলাকক provide কৰাৰ কোনো ব্যৱস্থা নাই। তেওঁলোকক Hospital তো নিদিয়ে আৰু দোকান কৰিবলৈও টকাৰ দৰকাৰ। এই লৰা বিলাকক তাতে Provide কৰাৰ কোনো scheme চৰকাৰৰ নাই। তাত পাচ কৰা লৰা এই college তে লবৰ কাৰণে যদি চেষ্টা কৰা হয় তেতিয়াহলে আয়ুৰ্বেদিক কলেজখন uplift কৰা হব।

Shri Nakul Chandra Das : এই কবিৰাজ জনৰ Head Quarter কত?

Shri Gaur Sankar Bhattacharyy : মই মন্ত্ৰী মহোদয়ক, অলপ সহায় কৰিব পাৰো। যোৱা কালি অসম আয়ুৰ্বেদিক সংস্থাৰ সভাপতি শ্ৰীশৰত গোস্বামী–মেডিকেল মন্ত্ৰীয়ে তেখেতক লগ পাইছে। তেখেতে নিজেই অভিযোগ কৰিছে যে এই শ্ৰীযতীশ শৰ্ম্মাই সকলো কথা গোপনে ৰাখে।

কি হৈছে কবই নোৱাৰি। কমিটিৰ যি সদস্য আছে তেওঁলোকক কিবা কথা সুধিলেও তেওঁলোকে কয় সতীশ শৰ্মা আহিলেহে হব। তেওঁ মাহৰ ভিতৰত এদিন আহে আৰু বেমাৰী চাওঁতেই যায়। দ্বিতীয় কথা তাৰ যিটো ৰসশালা সেইটো এনেয়ে পৰি আছে। ফলত কেনেকৈ ভাল দৰব কৰিব পাৰে। আয়ুৰ্বেদিক ৰসশালা সমন্ধে সেই লৰা বিলাকে কোনো সুবিধা নাপায়। তেওঁৰেই মানুহ select কৰে। আনকি তেওঁ নিজকে নিজে অপৰিহাৰ্য্য বুলি কাম চলাইছে যেন এবছৰ বা দুবছৰ পাচত তেওঁ নোহোৱা হলে এইটো মৰি যাব। গতিকে মেধি ডাঙৰীয়াই ১বছৰ বা ১½ বছৰৰ ভিতৰতে এই ৰসশালাটো এটা প্ৰয়োজনীয় প্ৰতিস্থান হব পাৰে তাৰ কাৰণে চেষ্টা কৰিব লাগে। কাৰণ এই প্ৰতিস্থানটো অকল লাভজনকেই নহয় ই ৰাইজৰ উপকাৰতো আহিব।

Shri Biswadev Sarma : মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় সদস্য সকলৰ পৰামৰ্শ মই মনত ৰাখিছো কিন্তু কোনো মানুহ অপৰিহাৰ্য্য কথাটো বিশ্বাস নকৰো। ইয়াত যেনেকৈ project অফিচাৰ জনক আতঁৰাই আমাৰ ডেকালৰা জনকো দিয়াত কোনো গুনেই বেয়া হোৱা নাই। তেনেকৈ আমাৰ এই কবিৰাজ জনো এজন বিশিষ্ট কবিৰাজ বুলিয়েই অপৰিহাৰ্য্য হব নোৱাৰে। কাৰণ এজন মানুহৰ ওপৰত নিৰ্ভৰ কৰি এটা অনুস্থান জীয়াই থাকিব নোৱাৰে আৰু আমিও বাঞ্ছা নকৰো।

আমাৰ Choudhury ডাঙৰীয়াই কৈছে-যে ২/৪ জন Non-official সদস্য দিলে ভাল হয়। কাৰণ State-sector ত যি Industry আছে তাৰ আসোৱাহ গুচাবৰ কাৰণে যি মন্তব্য কৰিছে তাত মই এক মত। ইয়াৰ পিচত বহুতো কথা আছে কিন্তু কবলৈ সময় নহব। ইয়াত যি বিলাক কথা তেওঁখেত সকলে উল্লেখ কৰিছে এই গোটেই বিলাক সম্পৰ্কে যি যি ব্যৱস্থা লব লাগে লম।

Electricity Board সম্পৰ্কে সদস্য সকলৰ মনত আৰু ৰাইজৰ মনত এটা বৰ ক্ষোভ আছে যে, এই Electricity Board ক যি

টকা দিছিল ইয়াৰ Capital ৰ টো কথাই নাই Interest কে দিব পৰা নাই।

Choudhury ডাঙৰীয়াই কৈছিল High power Transmission লাইনত Low-Power Transmission দিব লাগে। মই আলোচনা কৰি দেখিলো এই ব্যৱস্থা কাৰণে Tower বিলাক আৰু ওখ কৰিব লাগিব আনহাতে আমি যি উদ্দেশ্যে এইটো কৰিছো মানে গাৱ-অঞ্চলক স্পৰ্শ নকৰিব। এই Tower ওখ কৰাৰ কাৰণে যি খৰচ হব বেলেগে Line টানিলেও প্ৰায় একেই খৰচে হব। ভাৰতবৰ্ষৰ কোনো ঠাইটেই এই ব্যৱস্থা নাই।

দ্বিতীয়তে পঞ্জাবৰ যি ২:৩ বেচিয়ৰ কথা কৈছে সেই বিষয়ে তদন্ত কৰিম। আমাৰ ইয়াত Electricity Board ৰ বিষয়ে মই যিদিনা বিবৃত্তিত দিছিলো যে, ইয়াত যিবিলাক পইচা খৰচ কৰা হয় অন্য শিল্পৰ তুলনাত এইবোৰ এবছৰ বা দুবছৰত লাভৰ কথা নাহে।

Shri Gaurisankar Bhattacharyya : কমিচনে একো কৰিব নোৱাৰে।

Shri Biswadev Sarma : শ্ৰীধৰ্ম্মানন্দ দাস চেয়াৰমেন হোৱাৰ পাচত আপোনালোকৰ শতকৰা ৫০ ভাগ প্ৰশ্নৰ উত্তৰ দিছে।

তাৰ পাচত শ্ৰী চৌধুৰী দেৱে চন্দ্ৰপুৰত এজন বিষয়াই অনাহকত বহুত টকা খৰচ কৰাৰ অভিযোগ উত্থাপন কৰিছে। মই এই সম্পৰ্কে অনুসন্ধান কৰি ব্যৱস্থা লম। আৰু মই সদনক আশ্বাস দিছো যে এনে ধৰনেৰে যিবিলাক লোকে অনাহকত চৰকাৰী টকা অপব্যয় কৰে, সেই সকল যি প্ৰয্যায়ৰ অফিচাৰ বা কৰ্ম্মচাৰীয়েই হওক আৰু অভিযোগ সত্য বুলি প্ৰমাণিত হয় তেন্তে মই শাস্তিৰ ব্যৱস্থা কৰিম। ইয়াকে কৈ মই সামৰিলো আৰু আশা কৰো তেওঁলোকৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লয়।

Shri Lakshyadhar Choudhury : এই লাইন বিলাক এডাল এডাল টাৰেৰে দিয়ে। চিলং, জুৱাই, বদৰপুৰত Triple line দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই বিলাক ৬৬ Kv. ৩১ Kv. ১১ Kv. নকৰি ৫ Mg.

Distribute কৰা হলে ভাল হলহেতেন। কিন্তু আমি দেখিছো লাইন কৰাত আমাৰ Board ৰ বৰ চখ। গতিকে আমাৰ Board ৰ যি জন Electric Adviser আছে সেইজন অভিজ্ঞ লোক তেখেতৰ পৰা পৰামৰ্শ লওক।

Shri Biswadev Sarma : মই আৰু এটা কথা পাহৰিছো মাননীয় সদস্য সকলে central store ত substanded বস্তু আছে বুলি কৈছে সেইটো তদন্ত কৰিম।

Shri Sailen Medhi : আমাৰ Mineral Development ত চাকৰি কৰি থকা এজন লোকৰ চাকৰী খেদাৰ কথা যোৱা কালি শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই কৈছিল। আৰু আগেয়েও কেইবাবাৰো এই কথা কোৱা হৈছিল। আনকি যোৱা June মাহৰ session টো এই কথা কোৱা হৈছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই Cabinet Decision ৰ লগত মাৰ্জ হৈ যোৱাৰ পাচত সকলো চাকৰীয়ালকে মাৰ্জ কৰি দিব লাগিছিল।

Shri Biswadev Sarma : এইটো মই পাহৰি গৈছিলো আমাৰ বিৰোধী পক্ষ বা চৰকাৰী পক্ষই complain তোলে যে চৰকাৰে এই corporation বোৰ white Elephent কিয় পোহে। Mineral Development corporation হোৱা কেইবা বছৰো হল। কিন্তু তেওঁলোকে আমাৰ বিভিন্ন মিনাৰেল বিলাকৰ Development সম্পৰ্কে কোনো ভাল project দিব নোৱাৰিলে। গতিকে এই চৰকাৰৰ সিদ্ধান্ত অনুযায়ী corporation টো Industry Development corporation ৰ লগত মাৰ্জ কৰি দিয়া হল। কিন্তু 'মাৰ্জাৰৰ' বিষয়ত বহুতো আইনৰ কথা আছে। তদুপৰি Govt of Indiaৰ এই বিষয়ত অনুমতিও লাগিব। যেতিয়া এই চাকৰীৰ কথাটো মোৰ Notice লৈ আহিল তেতিয়া মই সুধিছিলো যে মানুহজনে ৭ বছৰ চাকৰী কৰি থকাৰ পিচতো কিয় কাম নাইকীয়া কৰি দিলে। আৰু তেওঁক অন্য এটা চাকৰীত মকৰল কৰিব লাগে। এতিয়া সেই মানুহ জনৰ বাবে এটা চাকৰীৰ ব্যৱস্থা কৰা হৈছে।

Shri Sailen Medhi : I am directed to say that the cabinet in its meeting held on 17.8.69 has decided that "the Assam state Mineral Development Corporation Ltd: need not be wound up but the staff be merged in that of the Industrial Development corporation." Cabinet এ Decision লৈছিল যে corporation মাৰ্জ হৈ যোৱাৰ লগতে stafe ও marge হৈ যাব। কিন্তু মাৰ্জ হোৱাৰ আগতে Dircetor secretary এ মানুহ জনক খেদিলে। গোটেই stafe marge কৰি দিলে। কিন্তু এই মানুহজনৰ ক্ষেত্ৰতহে ব্যতিক্ৰম হৈ থাকিল।

Shri Biswadev sarma : তেখেতক চুটি লবলৈ কোৱা হৈছিল। তেখেতৰ চুটি পাবলগীয়া আছিল। আৰু চুটি লোৱাৰ কাৰণে দৰ্খাস্তও দিব পৰা যায়। তেখেতে কিন্তু চুটিও লোৱা নাই। অন্য হাতে চাৰ্জও Hand over কৰা নাই। সেই কাৰণে কিছুমান আসোৱাহে দেখা দিছে।

Shri Dulal Chandra Barua : মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে এটা vindictive Attitude লৈ এই মানুহ জনৰ এই অৱস্থা কৰা হলনে মন্ত্ৰী মহোদয়ে নিজে vicious cirdle ৰ মাজত পৰি এই কাম কৰিব লগীয়া হলে সকলোবে ক্ষেত্ৰত কৰিব লাগে। অকল উমেচ হাজৰীকাক 'মাৰ্জ' নকৰিলে কিয়? তাৰ পাচত L.R. ৰৰ opinion বিচাৰ হ'ল।

Shri Biswadev sarma : I can assure the hon. Member that given a little time to me . I shall fix up that young man is some Jobe.

Shri Dulal Chandra Barua : Cabinet decision Director of Geology and Mining... "The power of the Board of Directors under Article 75 (16) is subject to the directive or instructions that may be issued by the Governor under Article 104 of the Articles of

Association: The first point is, therefore, answered in the affirmative.

Having regard to the Cabinet decision at S'.70/c. the Corporation should not have abolished the post held by Shri U. C. Hazarika. The second point is, therefore, answered in the negative." Therefore, the L. R. has pointed out that this is illegally done by the Department. Our whole contention is that when Govt. is going to amalgamate this corporation everything should be in to as per decision of the ealeinest. But why that man is singled out there by create an unprecedented thing in the histery of the Assm Government servants. When the man does not want to go on leave, why he was forced to do so on this and that plea ? Now, if the man goes to the court, automatically the Govt. will get a structure. My point is whether the Government propose to make immediate arrangements for absorption of this gentleman in some other posts.

Shri Biswadev Sarma : Sir, I have already stated that I shall see that this youngman is absorbed in some capacity.

Shri Sailen Medhi : Sir, the legal opinion of the L. R. is that the post cannot be abolished.

Shri Biswadev Sarma : That is the opinion of the hon. member.

Shri Dulal Chandra Barua : Govt. is to be guided by the advice tendered by the L. R

Shri Biswadev Sarma : The advice of the L. R has been referred to the Advocate General. I do not know why the hon'members are so agitated. Some legal points were raised by the Department and, therefore, it has been sent to the Advocate General. I am myself interested in this youngman, and I assure the House that he would be absorbed in some capacity.

Shri Dulal Chandra Barua : You have been misguided by the Departmtnt. Minister has been entrapped in the vicious circle.

Mr. Seaker : The point is the L. R has given an opinion. The Minister says that he is taking the advice of the Apvocate General, and at the same time he has assured that the gentleman will be absorbed.

Shri Sailen Medhi : If there is some controversy over the opinion of the L. R then only it should go to the Advacate General. In this case the L. R opinion was there ; the Cabinet decision was there. Then what is the reason in sending in to the Advocate General. Even when the Nagaland Government wanted an officer for their Mineral Development Corporation the name

of this gentleman was not sent. That shows the attitude towards this gentleman.

M: Shamsul Huda : অধ্যক্ষ মহোদয় নগালেণ্ড চৰকাৰে Director of Geology and Mining বিভাগৰ কাৰণে অসম চৰকাৰৰ পৰা মানুহ বিচাৰিছিল। কিন্তু ১৬ জন মানুহ বহিথকা স্বত্ত্বেও অসম চৰকাৰে নগালেণ্ডক মানুহ নিদিলে। সেইকাৰণে বাধ্য হৈ নগালেণ্ড চৰকাৰে মহীশুৰৰ পৰা মানুহ আনিলে।

Shri Biswadev Sarma : এইটো নতুন কথা। এতিয়া উত্তৰ দিব নোৱাৰিম।

Mr. Speaker : I cannot force the Minister to say this thing or that thing. He has taken the opinion of the L. R., and he has referred the matter to the Advocate General; at the sametime he has assured the House that he will make some prvision for the gentleman who is off from service.

Shri Phani Bora : What the Minister has stated is that this youngman will be given some thing. This is an assurance. I can understand that the Minister has got sympathy towards this gentleman or if I have understood correctly he has got pity on him which is expressed in the language of sympathy. Sir, I put this same question once before regarding this gentleman and then also he gave me the assurance that this gentleman will be provided somewhere. If the same kind

of assurance is repeated in the month of May, then it is very difficult for us to give much credence to that sort of assurance. But under the circumstances which are revealed here-first of all, the Cabinet made a decision that the gentleman should not be thrown out before the merger; secondly, it was referred to the L. R. and generally L. R.'s opinion, is accepted. Only when Government cannot accept L. R.s opinion, then alone Government can refer the case to the higher authority. In this case the L.R's opinion is not rejected by the Government apparently. But L.R.'s opinion was not to the liking of the Government or to the liking of somebody in authority. Therefore, another opinion is required which opinion would be to the liking of somebody. That is how we will understand. Ordinary men will understand that there is a conspiracy against a particular man hatched by some man. That is why as representatives of the people we are very much concerned. If there is no allegation against this gentlement, if there is nothing against that man to drive him away then it is everybody's duty to see that man receives protection of his rights and priviledges, From the circumstances revealed, atleast I am convinced, that there is no charge against this man. In the absence of any charge, in the absence of certain specific

charges against the gentleman we are convinced that there is something sought to be done. In that context we want to impress upon the Government (the Minister first of all) that Government should take a decision on the basis of the L. R's opinion itself. If the merger was legal, and if the cabinet decision was to merge the staff, then the action of the Department to retrench this gentleman a few days before the merger was illegal. If this was done as a result of some ommission or commission, it should be amended. Therefore, what we want is that the Minister instead of giving a general assurance should act on the basis of L. R's opinion and the old cabinet decision:

Shri Biswadev Sarma : I can tell this much that I shall take a decision by the end of this month.

Shri A. N. Akram Hussain : অধ্যক্ষ মহোদয় The Assam Small-scale Industries Development ৰ যিটো গুৱাহাটীত থকা Central Store সেই Store ৰ গোটেই বিলাক document পুলিচে seize কৰিছে। এইকথা চৰকাৰে জানেনে ?

Mr. Speaker : You did not raise this point.

M: Shamsul Huda : অধ্যক্ষ মহোদয়, মোৰ এটা serious কথা আছে। কথাটো হৈছে যে মন্ত্ৰী সভায় লোৱা এটা সিদ্ধান্তৰ বিৰুদ্ধে কাম কৰিবলৈ কোনো বিভাগৰ অধিকাৰ আছেনে ? মন্ত্ৰীসভায় সিদ্ধান্ত লৈছিল merge কৰিবলৈ কিন্তু চক্ৰান্ত কৰি বিভাগীয় বিষয়াই delay কৰিছে কিয় ?

Shri Biswadev Sarma : যি কৰিব লগা আছে এই মাহৰ ভিতৰতে কৰিম।

Grant No. 20

"26.—Miscellaneous Departments—Other Miscellaneous Organisation—IJI—Weights and Measures' ]

Shri Lakshmi Prasad Goswami ( Minister, Agriculture ): Mr. Speaker Sir, On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 8,06,600 be granted to the Minister-in-charge to complete the sum ( Rs. 10,75,400) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "26 Miscellaneous Departments —Other Miscellaneous Organisation—III weights and measures"

Mr. Speaker : Motion moved. The question is that a sum of Rs 8,06,600 be granted to the Minister-in-charge to Complite the sum ( Rs. 10,75,400 ) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March 1971 for the administration of the head "26—Miscellaneous Departments-Other Miscellaneous Organisation-III weights and measures,"

(The motion was adopted)

Grant No. 30

Shri Lakshmi Prasad Goswami (Minister, Agriculture) : Mr. Sperker Sir, On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 3,43,45,400 be granted to the Minister

-in-charge to complete the sum (Rs. 4,57,93,900) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "31 – Agri culture".

Mr. Speaker : motion moved.

Mr. Speaker : Now, about the Cut Motion, has the hon. Members leave of the House to withdraw ?

(Voices : We are pressing)

Mr. Speaker : Are you pressing for it ?

( Voices : Yes, Sir )

Mr. Speaker : Then all the Cut Motions are to be taken together. First of all I put Grant No. 24. (*) There is no Cut Motion. The qustion is that Grant No. 24 be passed

( The Motion was adopted ).

Now, Cut motions 36 to 100. (*) Do you press for Division ?

(Voices : Yes, Sir. )

Then I put the Cut Motions on Crant Nos. 36,37,99 and 100.

( The Cut Motions were all lost )

Now, I put the Grants. The qustion is that Grant Nos. 36,37,99 and 100 be passed. (*)

(The motion was adopted).

Grant No. 80. (*) I put the question is that Grant No. 80 be passed.

(The motion was adopted).

The question is that Grant No. 82 (*) be passed.

( The motion was adopted).

The question is that Grant No. 94 (*) be passed.

(The motion was adopted).

---

*See Appendix

*Shri Gauri Sankar Bhattacharjee : Mr. Speaker Sir, I move my Cut-motion—That the total provision of Rs. 4,57,93,900 under Grant No 30, Major head "31-Agriculture" at pages 200-225 of the Budget of the refused i.e the amount of the whole grant of Rs. 4,57,93,900 do stand reduceed to 1.

মাননীয় অধ্যক্ষমহোদয় এই প্ৰস্তাৰ বিলাক উত্থাপন কৰি সদনত মই ২/৪ আষাৰ কথা কব খুজিছো। আপুনি আৰু মাননীয় সদস্যসকলে কলে যে আজি কেইদিন মান আগতে আমাৰ লোক সভাত ৪ৰ্থ পৰিকল্পনা উত্থাপন কৰি প্ৰধান মন্ত্ৰীয়ে যিটো বিবৃতি দিছিল আশাকৰো সকলোৰে আকৰ্ষিত হৈছে। পৰিকল্পনা উত্থাপন কৰা সম্পৰ্কত প্ৰধান মন্ত্ৰীয়ে কৈছে যে বৰ্ত্তমান আমাৰ দেশত যিটো অৰ্থনৈতিক অৱস্থা আৰু ইয়াৰ যিটো সততা চলি আছে এই কাল চোৰাত সামাজিক কাৰ্য্যৰ মূলত কামত আগবঢ়াটো সম্ভবপৰ নহব-লগতে এই কথাও কৈছে যে আমি বিদেশৰ পৰা যিমান পৰিমানে সাহাৰ্য্য পোৱাটো আশা কৰিছিলো সেই সাহাৰ্য্যও নেপাম। নিজৰ দেশতে আমি মূলধন উৎপাদন কৰিব পাৰিব লাগিব। সেই মন্ত্ৰী গৰাকীয়ে এই কথাওঁ কৈছে আমাৰ দেশৰ শিল্প সম্পৰ্কে আমি বিশেষকৈ লক্ষ্য কৰিব লাগিব যি বিলাক শ্ৰম প্ৰধান শিল্প সেই বিলাকৰ ওপৰত বেচি জোৰ দিব লাগিব। এই কথাৰ সন্দৰ্ভত এই কথালৈ মনত পৰে যে আজি ভাৰতৰ ভিতৰতে অৰ্থনৈতিক ভিত্তিত অসম আটাইতকৈ পিছপৰি আছে।

বৰ্ত্তমান সংকতপূৰ্ণ পৰিস্থিতিত আমাৰ কাম উদ্যোগী কৰিব খোজো তেতিয়াহলে ঘাইকৈ আমি আমাৰ নিজৰ ভৰিৰ ওপৰত থিয় দিব পাৰিব লাগিব। আমাৰ দেশৰ প্ৰগতিৰ কাৰণে আমি ঘাইকৈ মূলধনৰ সৃষ্টি কৰিব লাগিব। যিহেতু আমাৰ অসমত অৰ্থনীতি

*Speech not corrected

মূলতে কৃষিৰ ওপৰত নিৰ্ভৰশীল, গতিকেই আজি আমি কৃষিৰ উন্নতি সাধিব নোৱাৰো তেতিয়াহলে আমি ৰাইজক সা-সুবিধা দিয়া তুৰৰ কথা অভাৱ অভিযোগবোৰৰ উন্নতি কৰাটো তুৰৰ কথা। ৰাইজৰ সাংস্কৃতিক আৰু অন্যান্য উন্নতিৰ পথত আগবঢ়াটো তুৰৰ কথা আনকি বৰ্ত্তমান যিটো Tempo আছে সেইটোও ৰক্ষা কৰিব নোৱাৰিম।

চৰকাৰে এতিয়ালৈ কৃষিৰ কামৰ ওপৰত যিমান নজৰ দিছে সেই নজৰ এতিয়াওঁ আশানুৰূপ হোৱা নাই। কৃষিৰ ওপৰত আৰু যঠেষ্ট নজৰ দিব লাগে। এই বিধান সভালৈ অহাৰ পিচৰে পৰা মই প্ৰতিবছৰে সদনত এই কথাকৈ আহিছো যে যদি আমি উন্নত কৰা অসম গঢ়িব খোজো আৰু এই বিষয়ে নিজৰ ওপৰত নিৰ্ভৰ কৰিব খোজে তেতিয়াহলে ২ টা বিষয়ৰ ওপৰত বেচিকৈ জোৰ দিব লাগিব এটা হৈছে কৃষি আৰু আনটো হৈছে শিক্ষা।

এই তুটা যদি আজি break though কৰিব নোৱাৰো ইয়াৰ মাজত যি পাক চক্ৰ আছে আক অনুভৱ কৰি ভাঙি যাব নোৱাৰো তেনেহলে আমাৰ সৰ্ব্বাঙ্গীন উন্নতি অসম্ভৱ।

কৃষিৰ সম্পৰ্কে এতিয়া আমি ২ টা দিশ দেখা পাইছো। এটা হৈছে কৃষি কৰিবলৈ আমাৰ শতকৰা ২৫ ভাগৰে একো সম্বল নাই। তেওঁলোকৰ মাটি নাই, অথচ তেওঁলোক কৃষিজীৱী, কৃষিৰ ওপৰতে তেওঁলোক নিৰ্ভৰ কৰিব লাগে। অন্য ফালে শ্ৰম শক্তি নিয়োগ কৰিবলৈ তেওঁলোকৰ অন্য পথ নাই। যদি দেশত বা ৰাজ্যত কিছুমান বেলেগ শিল্প থাকিলেহেতেন নাইবা ব্যৱসায় থাকিলেহেতেন বা বিভিন্ন স্বাৱলম্বী কিবা ব্যৱসায় থাকিলেহেতেন তেন্তে আমি কব পাৰিলোহেতেন আপোনালোক সেই ফালে যাওক। শতকৰা ২৫ ভাগ মানুহৰ কাৰণে, অন্য কোনো দিশ নাই, নাই বেহা-বেহাৰ, বাণিজ্য-ব্যৱসায়। গতিকে তেওঁলোকো কৃষি মুখী হোৱাৰো কোনো উপায় নাই। কৃষিমুখী হবলৈ যেন তেওঁলোকৰ মাটি নাই। প্ৰত্যক্ষ ভাবে সকলোকে মাটি দিয়া কৃষি বিভাগৰ দায়িত্ব নহয়। কিন্তু কৃষি বিভাগ আৰু ভূমি ৰাজস্ব

বিভাগ এই ২টা বিভাগে শতকৰা ২৫ ভাগ খিলঞ্জীয়া লোকৰ ব্যৱস্থা কৰিব নোৱাৰে তেন্তে আমাৰ এইখন সম্বল নহৈ হাড় মাল হবলৈহে বাধ্য।

আমি জানো যে এই মানুহ খিনিয়ে খুজি মাগি হওক, চুৰি-দকাইটি কৰি হওক আধা পেটীয়াকৈ হলে খাই জীয়াই থাকিব লাগিব। গতিকে তেওঁলোকক জীয়াই ৰাখিবলৈ আমাৰ জন সংখ্যাৰ ৪ ভাগ জমিহীন মানুহক জমি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ভূমি ৰাজস্ব বিভাগৰ মন্ত্ৰী মহোদয়ে এবাৰ প্ৰতিশ্ৰুতি দিছিল আমি কিছুমান পৰিকল্পনা কৰিছো। সেই পৰিকল্পনা অনুসৰি আজি কিছুমান ৰিজাৰ্ভ, বন জঙ্ঘল আদি মুকলি কৰা হৈছে যাতে তাৰ দ্বাৰা অন্তত: কিছু সংখ্যক কৰ্মঠ যুবকক কৃষি বিভাগৰ জৰিয়তে কৰ্মত নিয়োগ কৰিব পৰা হয়। তেওঁলোকে যাতে ফাৰ্ম খুলিব পাৰে। সেই ফাৰ্মবিলাকৰ যি নামেই নিদিয়ক লাগিলে, সি ৰাজ্যিক ভিত্তিতেই হওক বা সমবায় ভিত্তিতেই হওক এই ফাৰ্মৰ জৰিয়তে আমাৰ জাতীয় সম্পদ বৃদ্ধি হলহেতেন।

আমাৰ দেশৰ যিসকল ভূমিহীন খিলঞ্জীয়া লোক তেওঁলোকৰ সমস্যাৰ লগে লগে আৰু এটা সমস্যা হৈছে—যদি তেওঁ-লোকক কৈ দিয়া হয় যে, অমুক ঠাইত তোমালোকক মাটি দিয়া হৈছে তালৈ তোমালোক যোৱা। তালৈয়ো তেওঁলোক যাব নোৱাৰে। কাৰণ ইয়াত থাকোতে তেওঁলোকৰ নিজৰ মাটি নহলেও আগৰ ঠাইত থাকি তেওঁলোকে খুজি-মাগি হলেও এমুঠি খাবলৈ পাইছে। কিন্তু তালৈ গলে মাটি ভাঙি খেতিৰ উপযোগী কৰালৈকে তেওঁলোকৰ লৰা-ছোৱালী বা নিজে খাবলৈ খাদ্যৰ নাটনী। তাৰোপৰি আৰু এটা সমস্যা তেওঁলোকৰ আছে। অসমৰ বাহিৰে ভিতৰে অনেক মানুহ সংঙ্ঘ বদ্ধ হৈ আহি এওঁলোকৰ ওপৰত আক্ৰমন চলাই। তেওঁলোকতকৈ এওঁলোক কম deserving কাৰণ তেওঁলোকক যেতিয়া ন ঠাইলৈ আহে তেতিয়া সকলো সা-সম্পত্তি বেছি টকা পইছা লৈ আহে।

ভূমিহীন আমাৰ খিলঞ্জীয়া Scheduled Caste আৰু Scheduled Tribe ৰ মানুহক মাটি দিয়া হ'ব বুলি চৰকাৰে কৈছে আৰু D C. আৰু S.D.O ৰ পৰা order ও গৈছে। কিন্তু এই লোকসকল মাটিৰ কাৰণে যেতিয়া সেই ঠাইলৈ যায় তেতিয়া তেওঁ-লোকে তাত গৈ পাই যে সেই মাটি অন্য মানুহে আগতেই দখল কৰি আছে। আজি ১ই বছৰ ২ বছৰৰ পৰা শুনি আছো যে ৰাজস্ব বিভাগে মাটি দিব, পৰিকল্পিত ভাবে গাওঁ বহুৱাব। এই কথা আৰু কিমান শুনিব লাগিব ?

আমাৰ মানুহো উদ্যোগী বৰ নহয়, আৰু তেওঁলোক ভয়াতুৰ। অকল সেয়ে নহয় কৃষি বিভাগৰ আন এটা দিশ আছে। কৃষকৰ শতকৰা ৭৫ ভাগ জনসংখ্যাৰ ভিতৰত শতকৰা ৬৫ ভাগ লোকৰ যি সকলে কৃষি কৰিছে তেওঁলোকৰ কৃষি বিভাগ কি ব্যৱস্থা কৰিছে। কৃষকৰ যি মাটি তাত মধ্য বৃত্ত ভোগী থকা উচিত নহয়। মধ্য বৃত্ত ভোগী নিৰ্মূল কৰিবৰ কাৰণে আমাৰ যি আইন পাছ কৰা হৈছে, তাত যথেষ্ট টকা পইচা খৰছ হৈছে কিন্তু কাৰ্য্যকৰী হলে হোৱা নাই। যাৰ ফলত প্ৰকৃত খেতিয়কে খেতিকৰা মাটি খিনিকো নিজৰ বুলি বুকুত হাত থবলৈ সুবিধা পোৱা নাই।

দ্বিতীয়তে আমাৰ খেতিয়ক সকলৰ কাম কৰিবৰ কাৰণে যিটো শাৰীৰিক আৰু মানষিক প্ৰয়োজন, স্বাস্থ্য বা শিক্ষাৰ প্ৰয়োজন— সেই স্বাস্থ্য-শিক্ষা-আমাৰ খেতিয়ক সকলৰ মাজত অভাৱ। কাৰণ আজি অনাহাৰে অৰ্দ্ধাহাৰে আমাৰ কৃষক সকল দুৰ্ব্বল হৈ গৈছে। আজি চৰকাৰে শিক্ষাত বহুত খৰচ কৰিছে কাৰনেই শিক্ষা সংকোচন নীতি চৰকাৰে লৈছে আৰু কৃষকসকলক ৰক্ষনশীল কৰা হৈছে। যদি তেওঁলোকক আধুনিক কৰিবলগা হয় তেতিয়াহলে ৰক্ষনশীল বুদ্ধি দিবলগীয়া হয়। ফলত Matriculation Standard লৈকে ব্যাপক কৰিব লাগিব। তাৰকাৰণে যিটো টকা খৰচ হয় সেইটো Matric স্তৰলৈকে নিয়োগ কৰা মূলধন। এইটো আচলতে মূলধন নহয়, এইটো Investment. An investment in man

এইটোক অকল Expenditure বুলি কলেই নহব এইটোক কব লাগিব Investment. এতিয়া দৰকাৰ হৈছে কৃষকৰ অৱস্থা উন্নতি কৰা, আৰু লগে লগে স্বাস্থ্যৰ উন্নতি কৰা তাৰ লগে লগে আধুনিক পদ্ধতি লবৰ কাৰণে তেওঁলোকৰ মন তৈয়াৰ কৰা। তাৰ ভিতৰত কিছু কিছু লৈছে তেওঁলোকৰ অভিজ্ঞতাৰ পৰা। কিন্তু চৰকাৰে এইবিলাক ব্যৱস্থা কি কাৰণে কৰিলে? সাৰ নিগম কৰিলে—যেনিবা এইটো অফিচাৰ Director Secretary ৰ কাৰণেহে কৰিলে। তেওঁলোকৰ কাম হৈছে অফিচাৰ কৰা, কেইটামান নিগম কৰা সাৰ নিগমে আজি কেইজন খেতিয়কক সাৰ দিছে, কিমান খেতিয়কৰ ঘৰে ঘৰে সাৰ দিছে? বীজ নিগমে কি ধানৰ বীজ দিছে? ইয়াত লাভ হোৱা বুলি কৈছে লাভ হবই। খেতিয়কৰ পৰা অৱশ্যে যেনেকৈ শালিধান কিনে তেনেকৈয়ে ধান কিনি আনিছে যেতিয়া ইয়াৰ দাম আছিল ১৪ টকা। আৰু ইয়াকে Seed বুলি ৩০ টকাত বিক্ৰী কৰিছে—লাভ হবই। সৰুতে ঘৰত দেখিছিলো যেতিয়া পথাৰৰ পৰা ধান আহে তেতিয়া খিনি মাটিত ভাল ধান হৈছে তাৰপৰাহে বীজ ৰখা হয়। ইয়াৰোপৰি ধানৰ মুঠিৰ পৰা মাগুৰি আদি বেলেগ ধান বাচি বাচি ডাঙৰ ধানৰ মুঠিটো সৰু কৰি পেলোৱা হয় আৰু সেইখিনিহে বীজ হিচাবে ৰখা হয়। আজি বজাৰৰ পৰা—কৰবাৰ পৰা কৃষি বিভাগে যি কৰিছে বা যি ব্যৱস্থা কৰিছে সেইবিলাক বীজ উৎকৃষ্ট নহয়। যোৱাবাৰ শাক-পাচলিৰ কিছুমান বীজ নিগমৰ পৰা আনিছিল কিন্তু Jerminate নকৰিলে। বহুতে আপত্তি কৰিলে—তেতিয়া কলে যে, এইটো আমি কৰা নাই এইবিলাক আমি কিনিহে আনিছো তেওঁলোকৰ কৈফিয়ৎ এই।

অৱশ্যে এইটো মই স্বীকাৰ কৰিছো। এইবিলাক বীজৰ কাৰণে কৃষিবিভাগে টকা দিয়ে এইটো কৰোতে যিবিলাক Maxican or High Breed এইবিলাক চাব লাগিব তাৰ কাৰণে আমি কিছুমান প্ৰয়োজনীয় কথা চাব লাগিব।—যেনে, কি পৰিমানে পানী দিব লাগিব কি পৰিমাণে ৰদ পাব লাগিব কি পৰিমাণে সাৰ পাব লাগিব

সেইখিন ব্যৱস্থা নহলে কেনেকৈ ভাল হব। মানুহ জন্তু বা জানোৱাৰৰ কাৰণেও কম বেছি পৰিমাণে এইখিনি লাগিব। মানুহ এজনে অন্ধকাৰ ৰ'দ নোহোৱা ঘৰ এটাত থাকি ভাল ভাল খাদ্য খালেও স্বাস্থ্য হব নোৱাৰে। কাৰণ ৰ'দ বতাহ স্বাস্থ্যৰ কাৰণে অপৰিহাৰ্য্য বস্তু।

যদি এইবিলাক কথা কৃষিবিভাগে দেখুৱাই নিদিয়ে তেনেহলে কেনেকৈ হব। কৃষিবিভাগৰ মূৰৰ ভিতৰত কেৰোন সোমাল। কেৰোন নহয় ব্যাধি হ'ল। মই ব্যক্তিগতভাবে কওঁ যে এতিয়া মেঘালয় হোৱাৰ পিচত কৃষিবিভাগটো ইয়াত ৰখাৰ অৰ্থ কি? কালি মই কৃষিবিভাগৰ Director ৰ লগত কথা হৈ গম পালো—যে, জনসাধাৰণৰ বেছি ওচৰলৈ যোৱাত তেওঁলোকৰ বিশেষ অসুবিধা একো নাই। গুৱাহাটীত কৃষিবিভাগৰ যিখিনি ঘৰ আছে সেইবিলাক চালিজাৰি ললেও যথেষ্ট হয়। ইয়াৰোপৰি গুৱাহাটীত ঘৰ দুষ্প্ৰাপ্য নহয়। মইয়ে উলুবাৰী শৰণীয়া আদিত ঘৰ বন্দবস্ত কৰি দিব পাৰিম বুলি কৈছিলো। কিন্তু আজিলৈকে কৃষিবিভাগটো কৃষকৰ মাজলৈ নগল। চিলংত থকা কৃষিবিভাগৰ মূৰব্বী সকলে গৰম পাব বা তেওঁলোকৰ ঘৈণীয়েকসকল চিলং club লৈ আহি মিলাগৰম পাব বা তেওঁলোকৰ ... মিছা কৰাত অসুবিধা হব পাৰে বা- তেওঁলোকৰ লৰাছোৱালী বিলাকে St. Edmunds স্কুল বা লয়েট convent ত পঢ়াত বা অন্যান্য অসুবিধা হব পাৰে।

Shri Lakshmi Prosad Goswami : অফিচাৰ সকলৰ পৰা আপত্তি নাই আৰু এই সমন্ধে আলোচনা কৰি আছো কি কি বিভাগ নিবপৰা হয়।

Shri Gauri Sankar Bhattacharyya : অফিচাৰ সকলৰ যে আপত্তি আছে সেইটো মই কোৱা নাই। Director এ স্বয়ং মোক কৈছে—মই এই কথা কলে অন্যায় কৰা হব। কাৰণ Director এ নিজেই আপত্তি নাই বুলি কৈছে। তাৰ পাচত মই Minister মহোদয়ক কলো কিন্তু আজিলৈকে একো হোৱা নাই। বোধহয়

মন্ত্ৰী মহোদয়ে যি কোনো কাৰণতে উৎসাহিত নহয়। কিবা-কিবি কাৰণ হব পাৰে এই বিভাগটো নামি যোৱাই উচিত আছিল কৃষি-বিভাগটোৰ ভিতৰত Fruits Garden ৰ বাহিৰে একোৱেই নাই—সিও মেঘালয়ত গ'ল। তেনেকৈয়ে আৰু এটা বিভাগ আছে সেইটো হৈছে Sericulture বিভাগ। গুৱাহাটীত Sericulture ৰ ঘৰটো বিয়া ৰাহা হৈ আছে। আৰু এনেকুৱা মুৰব্বী আছে যিসকলে আহি আমাক কয় যে মোৰ বিভাগটোৰ নিয়াৰ কাৰণে নধৰিব। যেন দেশখন কোনোবা এজন Director বা Secretary ৰ কাৰণেহে আছে। আনকি তেওঁলোকে আজি ৰাইজৰ প্ৰতিনিধিকো বিভ্ৰান্ত কৰাৰ চেষ্টা কৰিছে। আজি M. L. A. Hostel ত বহুত সময়ত মানুহৰ হেচাত বাট পোৱা নাযায়। এই সকলোবোৰ আহে মাত্ৰ ব্যক্তিগত কাৰণত। আজি ৰাইজৰ কাৰণে কেইজন মানুহ আহে। আজি কেইজনমানৰ কাৰণে মাত্ৰ ইয়াত Headquarter ৰখা হৈছে। এটা কথা কওঁ যিটো কথা সম্ভৱ বা হোৱা সম্ভৱ, যিটো কথা হোৱা উচিত সেইটো হব লাগে। এই গোটেই বিভাগটো খেতিয়কৰ ওচৰলৈ নিব লাগে। তেতিয়া দৰকাৰ হলেই খেতিত পোকে ধৰিলেই ঘেৰাও কৰিব পাৰিব। নহলে এই বিভাগৰ কুম্ভকৰ্ণ টোপনি নাভাঙে। এই বিভাগটো ৰাইজৰ ওচৰলৈ নগৈ কুম্ভকৰ্ণ হৈয়েই থাকিব খুজিছে।

আজি যদি কৃষিবিভাগে কৃষিবিভাগৰ উন্নতিৰ কথা ভাবে তেতিয়াহলে ই খেতিয়কৰ ওচৰ চপাৰ প্ৰয়োজন। যতেই হওক গুৱাহাটীতে হওক বা নগাৱতে হওক মুঠতে এই বিভাগটো ইয়াৰপৰা নিব লাগে।

Mr. Speaker : কিমান সময় লাগিব।

Shi Gauri Sankar Bhattcharyya : ৫ মিনিট।

ADJOURNMENT

The House then adjourned for Lunch till 2 P. M.

## ( AFTER LUNCH )

উপাধ্যক্ষ মহোদয়, খেতিয়কক অকল মাটি দিলেই যথেষ্ঠ নহয়। এই মাটিত খেতি কৰিবলৈ হলে দ্বিতীয় প্ৰয়োজনীয় বিষয় সেইটো হৈছে পানী। কিন্তু সেই পানী যদি বেছি হৈ পৰে তেনেহলে সেইটো বান পানী হয়। আমাৰ অসমৰ খেতিয়কৰ ওপৰত যিটো সমস্যা হৈছে যি সময়ত খেতি কৰা হয় সেইটো সময়ত পানী আপৰ্য্যাপ্ত হৈ পৰে। যাৰ ফসত বহুত বাৰ খেতি নষ্ট হয়। আনহাতে বছৰত প্ৰায় ৯ মাহেই মাটি পৰি থাকিব লগীয়া হয়। যদি কৃষি বিভাগে যি বিলাক ঠাইত পানী বেছি হয় তাৰপৰা যদি পানী নিষ্কাষণৰ ব্যৱস্থা কৰা হয় আৰু যি বিলাক ঠাইত পানী কম সেই বিলাক ঠাইত জলসিঞ্চনৰ ব্যৱস্থা কৰা হয় তেনেহলে খেতিয়কৰ আৰু খেতিৰ উন্নতি সাধন কৰাটো সম্ভৱ পৰ হব। তদুপৰি যিবিলাক মাটিত বছৰৰ বেছিভাগ সময়তে পানীৰ অভাৱ হৈ থাকে যাৰ ফলত শুকান হৈ পৰি থাকে তেনে বিলাক মাটিতো যদি জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা যায় তেনেহলে বছৰৰ বাকী কিমাহো শস্য উৎপাদনৰ কাৰণে অনুকুল হৈ থাকিব। এনে কিছুমান ঠাই আছে যেনে উদাহৰণ স্বৰূপে মোৰ সমষ্টিটোতে তাত চৰকাৰে যিনানেই চেষ্টা নকৰক তাতটো বানপানী হবই। কিন্তু এই কথাও ঠিক যে সেই ঠাইৰ মাটি বিলাকো বছৰৰ বাকী ৭/৮ মাহ মান পানী নোহোৱাৰ কাৰণে শুকান হৈ থাকে। যদি সেই ৭/৮ মাহ তাত পানী যোগানৰ ব্যৱস্থা কৰিব পৰা যায় তেনেহলে সেই কালডোখৰৰ ভিতৰত তাতো খেতি উৎপাদন কৰিব পৰা যাব। এই উদ্দেশ্যে চৰকাৰৰ ওপৰত আবেদনো কৰা হৈছে। আৰু আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক কোৱা হৈছে বাহাৰ ঘাটত এটা Lift irrigation ৰ ব্যৱস্থা কৰিবৰ কাৰণে—অৰ্থাৎ বিজুলীৰ সহায়ত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ কাৰণে। ইয়াৰ কাৰণে আগৰ বছৰত কেইবা লাখো টকা মঞ্জুৰ হৈ আছে—কিন্তু কেনেকৈ কি চক্ৰান্তত সেইটোহে কব নোৱাৰো। কিন্তু ইয়াৰ লগতে আকৌ এটা সাঙুৰি দিছে যিটোৰ লগত পৰম্পৰৰ কোনো সম্পৰ্ক নাই। বাহাৰ ঘাটৰ

প্ৰকল্পটোৰ লগত বালিলেচাৰ প্ৰকল্পটোত সোমোৱাই লৈছে— । অথাৎ এই দুয়োটাকে একেলগে জোটাই লোৱা মানে এটাও নকৰাৰ ব্যৱস্থাৰ বাহিৰে আন একো নহয় । নিশ্চয় ইয়াৰ ভিতৰত কিবা এটা অভি-সন্ধি আছেনেকি কব নোৱাৰো । বাহাৰ ঘাটৰটো যদি অপ্ৰয়োজনীয় বুলি পেলাই থৈ দিয়া হয় তেন্তে টকাৰ Surrender হৈ যোৱাৰ কাৰণে খৰছ কৰিব নোৱাৰে । দুয়োটা প্ৰকল্প গোট খুৱাই অদ্ভুত কিবা এটা কৰিব খুজিছে । এই সম্পৰ্কেও মন্ত্ৰীমহোদয়ক ইয়াৰ আগতেওঁ কোৱা হৈছিল । এই কাৰণেই নহয় যে সেই ঠাইৰ প্ৰতি বিশেষ কিবা এটা মৰম বিছাৰিছো, এই কাৰণেই বিচাৰিছো যে সেই ঠাই খনৰ কাৰণে বা জনসাধাৰণৰ কাৰণে অলপ Service বা সেৱা বিচাৰিছে বা দিব পাৰো । এই অঞ্চলটো কেৱল অসমৰ ভিতৰতে নহয়, ভাৰতৰ ভিতৰতে গ'ৰলীয়া অঞ্চলৰ ভিতৰত কম বসতিৰ অঞ্চল । এই অঞ্চলটো অসমৰ ভিতৰতে বেছি বান পানী প্ৰপীড়িত অঞ্চল । এই অঞ্চলত আৱশ্যকীয় Reservoir আছে । যদি খৰালী বতৰত বাহৰ ঘাট প্ৰকল্পৰ পৰা পানী দিয়াৰ ব্যৱস্থা কৰা হলহেতেন তেনেহলে যিখিনি ঠাইৰ মাজেদি এই Canal ৰ নলা গলহেতেঁন তেন্তে সেই ঠাইৰ চাৰিওকাষৰ মাটি খিনি খেতিৰ উপযোগী হৈ পৰিলহেতেঁন । খৰালী বিল খনেই এটা Natural reservoir যদি এইখন বাৰিষা বানপানীৰ সময়ত ভৰাই ৰাখি তাৰ পৰা খৰালী পানী যোগান ধৰিব পাৰিলেহেতেঁন তেনেহলে ইয়াৰ পৰা বিশেষকৈ হাজো, উপৰবৰভাগ আদি মৌজাৰ অঞ্চল উপকৃত হলহেঁতেন । কিন্তু আমাৰ চৰকাৰৰ ভোগোলৰ জ্ঞান নাই বা জানিও নজনাৰ ভাও জুৰে যাৰ ফলত কেতিয়াবা ডাঙৰকৈ মুখমেলি মুখ ফলাৰ ব্যৱস্থা হয় । চৰকাৰৰ অফিচাৰ সকলৰ ভোগোলৰ জ্ঞান নাই বা জনসাধাৰণ লগত সম্পৰ্কৰ অভাৱ ।

Block বিলাকত যিবিলাকত Extention officer আছে তেওঁ লোকৰ নাই কৃষি সম্পৰ্কে জ্ঞান, নাই ভোগোলৰ জ্ঞান বা নাই খেতিয়ক সকলৰ লগত কোনো সম্পৰ্ক । যাৰ ফলত কৃষি উন্নয়ণৰ আচনি সমূহ কাগজৰহে বস্তু হৈ পৰিছে ।

আমাৰ ব্লকৰ Head Quarter বিলাকে কেৱল কাগজতে খেতি কৰে। তেওঁলোকৰ চিয়াহি হল পানী কলম হল নাঙল আৰু কাগজেই হল পথাৰ। তেওঁলোক কোনো দিন পথাৰলৈ নাযায়। গাওঁ ভূঁয়ে গৈ খেতিয়কক উৎসাহ উদ্দিপনা দিয়া ছুৱৰ কথা সেইবিলাক লাজৰ কথা বুলিহে ভাবে। জনসাধাৰণক বচোৱাৰ কাৰণে চিন্তা নকৰে। আমাৰ যিবিলাক Agricultural extension officer আছে তেওঁলোকৰ খেতিয়কৰ লগত উটো-পুটা ভাবে জৰিত থাকিব লাগে। জনসাধাৰণৰ লগত সমন্বয় ৰক্ষা কৰিব লাগে। কিন্তু কাৰ্য্য ক্ষেত্ৰত দেখা যায় তাৰ ব্যতিক্ৰম হৈছে। গতিকে মই পৰামৰ্শ দিও যে এই Extension officer বিলাক সমাজৰ উপযোগী কৰি গঢ় তোলক। তাকে যদি কৰিব নোৱাৰে তেন্তে এই পদাৰ্থ বিলাক উঠাই দিয়ক। এই Agriculture officer বিলাকৰ লগত যিমান টকা খৰচ কৰা হৈছে সেইটো ওপৰ গধুৰ হৈছে। আমাৰ যদি আয় হৈ যায় ১০০(একশ টকা) তেওঁলোকৰ লগত খৰছ হয় ১০০০ টকা। গতিকে এই খৰছ কম'য় দি খেতিয়কক সহায় কৰাত মনোযোগ দিলে ভাল হয়। আজি ঢাগ ঢোল কোবাই কোৱা হৈছে যে Bank Nationalise কৰি গণতন্ত্ৰ কৰা হৈছে। ভাৰতৰ কেইবাটাও Bank Nationalise কৰা হৈছে। আগতে ঢাগ-ঢোল কোবাই কোৱা হৈছিল যে Bank Nationalise কৰিলে খেতিয়কে যথেষ্ট পৰিমানে ঋন পাব। কিন্তু দেখা গৈছে কেইজন অসমীয়া খেতিয়কে ঋণ পাইছে। আমি জানো যে খেতিয়ক বিলাক নিৰক্ষৰ কিন্তু তেওঁলোকক উপদেশ দিবলৈ বা খেতিয়কক সহায় কৰিবলৈ Extension officer বিলাক আছে। আমি সদায় কৈ আছো যে খেতিয়ক সকলক সহায় কৰিবলৈ আগ বাঢ়ি আহক। এই খেতিয়কসকল ঋণ আদি লোৱাৰ ক্ষেত্ৰত খেতিয়কক কিমান সহায় কৰিছে? আজি মন্ত্ৰী মহোদয়ে এটা কথা কব পাৰেনে সেই কথাটো শুনিব পাৰিলে মই খুউব সুখ পাম যে ভৈয়ামৰ সাত খন জিলাৰ ভিতৰত প্ৰতি জিলাতে ১0 জনকৈ মুঠতে ৭০ জনৰ নাম কব পাৰেনে যি কেই জনে Bank Nationalise কৰাৰ পিচত কৃষিৰ কাৰণে ঋন পাইছে। মোৰ কিন্তু আশংকা হয় মন্ত্ৰী মহোদয়ে এই ৭০

জন মানুহৰ নাম কব নোৱাৰে। অৰ্থাৎ অসমৰ ৭০ জন খেতিয়কেই ঋণ পোৱা নাই। মই আশা কৰো শালিখেতি হোৱাৰ আগে আগে এই খেতিয়ক সকলে ঋণ পোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু যিবিলাকে Power tiller কিনিব খোজে তেওঁলোকক ঋণ আদি দি সহায় কৰিব লাগে। আজি গৰু মহৰ অতি পাত দাম বৃদ্ধি হৈছে। যিবিলাক খেতিয়কৰ গৰু কিনিবলৈ পইচা নাই সেই বিলাককো ঋণ আদি দি সহায় কৰিব লাগে। এই গৰু কিনা ঋণৰ ক্ষেত্ৰত এটা কথা চৰকাৰে চাব লাগে যে ৩০০ টকা দিলে এহাল গৰু কিনিব পৰা নাযায়। যদি এজন খেতিয়কক গৰু কিনাৰ কাৰণে ৩০০ শ টকা দিয়া হয় তেন্তে তেওঁৰ সেই টকাৰে গৰু কিনিব নোৱাৰাৰ ফলত অনান্য কামত খৰছ হৈ যাব। খেতিয়ক জনৰ গৰু কিনা নহব। গতিকে চৰকাৰে ভাবি চোৱা উচিত হব কিমান টকা দিলে এজন খেতিয়ক প্ৰকৃততে লাভবান হব। এই প্ৰসংগতে মই আৰু এটা কথা কব খোজো যে আমাৰ কৃষি Industrialisatin কৰিব লাগে। আমাৰ ৰাজ্যত মাত্ৰ শতকৰা এজনেহে Power Tiller খেতি কৰে তাৰ বাকী শতকৰা ৯৯ জনেই গৰু ম ৰে হাল বায় খেতি কৰে।

(Bell Ring)

এই ৯৯ জনেই খেতিৰ কাৰণে গৰু মহৰ ওপৰত নিৰ্ভয় কৰে। আৰু যিসকলে Tractor কিনিব খোজে সেই সকলকো ঋণ দিব লাগে। এই খিনিতে মই কব খুজিছো যে শতকৰা ৯৯ জনেই কৃষিৰ কাৰণে গৰুৰ ওপৰত নিৰ্ভৰ কৰিব লাগে সেইখন দেশত কৃষিৰ উন্নতি কৰিব খুজিলে প্ৰথমে গৰুৰ উন্নতি কৰিব লাগিব। আৰু গৰুৰ এই উন্নতিৰ ওপৰত বিশেষ ভাবে জোৰ দিব লাগিব। যি দেশত কয় -"গাই হমাৰা মাতা হেয়, বলদ হমাৰা পিতা হেয়, দমৰা চেউৰী হমাৰা ভাই বহীন হেয়"— সেই খন দেশত গৰুৰ এই দুৰ্দশা সচাঁকৈয়ে দুভাগ্যৰ কথা। আমি গৰুক পূজা কৰো তথাপিতো গৰুৰ দুৰ্দ্দশাৰ সীমা নাই তাতোকৈ যদি গৰু খোৱা দেশ বিলাকলৈ চায় তেন্তে দেখিব তাৰ গৰু আৰু উন্নত—যেনে হলেণ্ড ডেনমাৰ্ক, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড আদিৰ গৰু বৰ উন্নত।

এই গৰু উন্নত কৰিলে অকল যে আমাৰ হাল বোৱাতে সুবিধা হব সেইটো নহয় আমি গাখীৰ পোৱাৰ ওপৰিও ভাল সাৰ পাম। এই গৰুৰ গোবৰ হলে chemical সাৰৰ ব্যৱহাৰৰ প্ৰয়োজন নাই — পইচা খৰচ কৰাৰো প্ৰয়োজন নাই। আমাৰ দেশৰ গৰুৰ অৱস্থা শোচনীয় হোৱাৰ বহুত কাৰণ আছে। তাৰে এটা কাৰণ হৈছে আমাৰ ইয়াত গৰুৰ কাৰণে ঘাহৰ বৰ অভাৱ। তথা-কথিত গৰুৰ ঘাহৰ কাৰণে Reserv. ৰাখিছে এই Reserve বিলাক কৃষি বিভাগৰ নহয় - অৱশ্যে ৰাজহ বিভাগৰ হে তথাপি কওঁ যে এই Reserve বিলাক উঠাই দিব লাগে। Grazing Reserve ৰ কাৰণে অলপ অলপ মাটি ৰাখিলেই হব। যত ১০০০ বিঘা মাটি আছে তাত ১০০ বিঘা ৰাখি বাকী ৯০০ বিঘা কৃষিৰ কাৰণে দিব লাগে। আৰু এই ১০০ বিঘাত ভালকৈ ঘাহৰ খেতি কৰিলে ১০০০ বিঘাত থকা ঘাহতকৈ বেচি ঘাহ পোৱা যাব - আৰু গৰুৰ উন্নতি হব। আমাৰ আজি গ্ৰেজিং reserve বিলাক অতি শোচনীয়া অৱস্থাত আছে। তাৰ ফলত যেনেকৈ দৰিদ্ৰতাৰ লগে লগে জনসংখ্যা বাঢ়ি আহে ঠিক তেনেকৈ গৰু মুকলি হৈ খুজ লোৱাৰ লগে লগে .........

(হাঁহি)

সেই কাৰণে দৰ্কাৰ হলে আইন কৰিব লাগে। এতিয়ালৈকে যোৱাৰত দিয়াৰ বাহিৰে অন্য আইন নাই। যি আছে সেয়েও যথেষ্ট নহয়। যি সকলে গৰু ৰাখে অকল ৰাখিলেই নহয় তাৰ কাৰণে যথেষ্ট তত্বাবধানো লব লাগে। এই গৰু লগতে কৃষিৰ কাৰণে গোবৰৰ দৰ্কাৰ, গোবৰ নহলে পচন সাব হব নোৱাৰে। গৰু ৰাখিলে আমি গোবৰো পাওঁ আৰু chemical সাৰো পাও। সেই কাৰণেই গৰুৰ প্ৰতি নজৰ দিয়া দৰ্কাৰ। এই বিলাক কাৰণতে দৈনন্দীন জীৱনৰ কথা। কৃষি বিভাগে যদি এই বিলাক দিশত নজৰ নিদিয়ে তেনেহলে কেনেকৈ দেশৰ উন্নতি হব। মই ভাবো কৃষি বিষয়া সকলে তেখেত সকলৰ Status বা দৰ্মহাৰ ফালে নজৰ দিয়াতকৈ কৰ্ত্তব্যৰ ফালেহে নজৰ দিয়া উচিত। তেওঁলোকৰ নিৰ্দ্দেশ-ততে খেতিয়ক সকলে কৃষিত উন্নতি সাধন কৰিব পাৰে।

আমাৰ ফালৰ পৰা আশা কৰো কিছু অভিজ্ঞতা লাগে। কিন্তু আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াৰ কিমান অভিজ্ঞতা নেজানো। কিন্তু বিশেষ অভিজ্ঞতা নেথাকিলেও মানুহৰ যদি আগ্ৰহ থাকে একাগ্ৰতা থাকে আৰু যদি নিষ্ঠা থাকে, তেতিয়া হলে শিকিব পাৰিব।

যদি মন্ত্ৰী মহোদয়ে কেতিয়াবা Tour কৰিবলৈ যায় বা ৰাইজক দেখা কৰিবলৈ যায় তেতিয়া হলে সেই সময়ত যদি অফিচাৰক সোধে খেতিয়ক সকলৰ কাৰণে কি সুবিধা কৰিছে—এইদৰে নিজে যদি কিছু interest লয় তেতিয়াহলে খেতিয়ক সকলৰ খেতি ভাল হব পাৰে; কিন্তু অফিচাৰক একো নকলেও যদি কেৰাহীকৈ চোৱা যায় তেতিয়া হলেও কামত আহিব—যদি interest ও নলয় আৰু অফিচাৰ বিলাকক উপদেশ দিবলৈকো নকয় তেতিয়াহলে কৃষিৰ কাম হব কেনেকৈ? সেই কাৰণে মই কৈছোঁ। মন্ত্ৰীয়েই হওক বা অফিচাৰেই হওক ৰাইজক দেখা কৰিবলৈ যাওঁতে যদি খেতিৰ প্ৰতি কিছু মনোযোগ দিয়া যায় আৰু দুই এটা উপদেশ দিয়াৰ ওপৰিও যদি খেতিতো চাই—কয় যে এইটো এনেকৈ কৰাতকৈ এইদৰে কৰিলে বেছি ভাল হব। এনেকৈ যদি ৰাইজক দুই এটা কথা বুজাই দি নিদৰ্শনটো দেখুৱাই দিলে কাম হব।

আমি আশা কৰোঁ। যে আমাৰ ওপৰত যি সকল আছে—তেওঁলোকে আচলতে প্ৰকৃত খেতিয়কক নিৰ্দ্দেশ নিদিলেও খেতিয়কৰ সমস্যাবোৰ যদি সহানুভূতিৰে উপলব্ধি কৰিবলৈ চেষ্টা কৰে তেতিয়াহলে অলপ মন্থৰ গতিত হব আৰু তেতিয়া হলে তেওঁলোকে কবলৈও সুবিধা পাব:

*Shri Phani Bora : মাননীয় অধ্যক্ষ মহোদয় মোৰ বন্ধু শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই কৃষি বিভাগ আৰু পশুপালন—এই দুইটা বিভাগতে উন্নতি কৰিবৰ কাৰণে সৰু-সুৰা বহুতো উপদেশ দিছে পিচে মই ভাবো চৰকাৰক উপদেশ দিলেনো কি হ'ব। কিবা কামত আহিব বুলি মই আশা কৰা নাই। ইয়াৰ কাৰণটো হ'ল এই যে প্ৰকৃত পক্ষে যি সকলৰ ওপৰত

*Speech not corrected

কৃষিৰ উৎপাদন বৃদ্ধি আৰু কৃষকৰ জীৱন উন্নত কৰিবৰ কাৰণে দায়িত্ব দিয়া হৈছে সেই সকলৰ যদি ভঙ্গি পৰিবৰ্ত্তন কৰা নহয় আৰু নীতিগত ভাবে যদি পৰিবৰ্ত্তন কৰা নহয়, তেতিয়াহলে এই উপদেশ বিলাক কাৰ্য্যকৰী হোৱাৰ আশা নাই। কাৰণ কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰোতে বহুতো বেমেজালিৰ সৃষ্টি কৰে ফলত কোনো দিনেই কাৰ্যকৰী নহয়।

কৃষি বিভাগৰ কথা আলোচনা কৰিবলৈ গৈ চৰকাৰেইয়াত বহুতো টকা ধৰিছে। এই বিভাগত প্ৰায় চাৰেতিনি কোটিনে চাৰি কোটি টকাৰ বেছি ধৰিছে। গোটেই কেইটা ললে আৰু বেছি হব। কিন্তু ইয়াত দেখা গৈছে যে বৰ্ত্তমান যিটো শোষণ যন্ত্ৰ অৰ্থাৎ Agriculture Deptt ৰ যিটো শোষণ যন্ত্ৰ তৈয়াৰ কৰিছে সেই যন্ত্ৰটোৱে খাই খাই এটা হাতীৰ সমান হৈছে। অৰ্থাৎ হাতীটোৱে খাই খাই যেনেকৈ ডাঙৰ হৈ যায় তেনেকৈয়ে এই Agriculture Deptt টো ডাঙৰ হব বিচাৰিছে। কাৰণ প্ৰথমতে সংস্থাপন তাৰ পাছত ট্ৰেইনিং তাৰ পাছত Agriculture কলেজ আদিৰ কাৰণে যি কেইটা grant ধৰিছে এতিয়া সেইখিনি কিছু উল্লেখ নকৰিলে সত্যৰ অপলাপ কৰা হব কিন্তু আজিলৈকে আমাৰ কৃষি বিভাগৰ এনেকুৱা এটা বিশেষ পৰিকল্পনা নাই যে যিটোত কৃষি বিভাগৰ পৰিকল্পিত আচনি থাকিব লাগে যেনেকৈ Revenue Deptt ত Land Reform আদি কৰাৰ দৰ্কাৰ হৈ পৰে। কিন্তু কৃষি বিভাগটো তেনেকুৱা নহয়।

আজি উৎপাদন শীলৰ ভিতৰত চৰকাৰৰ যিটো পৰিকল্পনা এই পৰিকল্পনাত যে পাঁচ কোটি টকা ধৰিছে এই টকাখিনি আমাৰ জাতীয় অৰ্থনীতি উন্নত কৰিবনে গ্ৰাম্য অৰ্থনীতি উন্নত কৰিব সেইফালৰ পৰা যদি বিচাৰ কৰি চোৱা যায় তেন্তে আমাৰ কৃষি বিভাগে ইমান টকা খৰচ কৰাটো যুক্তিসঙ্গত হৈছেনে? এই ক্ষেত্ৰত মই কব বিচাৰিছো যে কৃষিৰ কাৰণে যদি পৰিকল্পনা কৰে, তেন্তে প্ৰকৃততে তিনিটা কথাৰ ওপৰত গুৰুত্ব দিব লাগে। প্ৰথমটো হৈছে মাটি দ্বিতীয়তো হৈছে মানুহ আৰু আনটো হৈছে তাৰ যিটো উৎপাদন আৰু সেইটো উৎপাদনত মানুহবিলাকৰ যিটো খৰচ সেই খৰচৰ মূলখিনিত যদি খেতি-

য়কে নেপায় বা তেওঁলোকৰ উৎপাদনৰ ন্যায্য মূল্যটোও যদি নেপায় তেতিয়াহলে মই ভাবো কৃষি উৎপাদন বৃদ্ধি কৰিব নোৱাৰে। কাৰণ ধৰক প্ৰথম বছৰত মৰাপাটৰ দাম বাঢ়িল আৰু দ্বিতীয় বছৰত তাতোতকৈ যদি কমি যায় তেতিয়াহলে খেতিয়কে সেইটো খেতি উৎপাদন কৰিবলৈ নিবিচাৰে, যিহেতুকে মূল্য কমি গৈছে। গতিকে ন্যায্য মূল্য যদি বৃদ্ধি কৰা নহয়, তেতিয়াহলে কৃষি উৎপাদন বৃদ্ধি হোৱাটো সম্ভৱ নহয়।

তাৰ ভিতৰত কথা হৈছে যে কৃষি বিভাগৰ যদি পৰিকল্পনা কৰিবলৈ গৈ কৃষকক যদি তাৰ পাবলগীয়া অধিকাৰো নিদিয়ে, তেন্তে—আমাৰ পৰিকল্পনাত যদি এই কথা নধৰো তেতিয়াহলে এই পৰিকল্পনা বিফল হবলৈ বাধ্য।

আৰু এটা কথা ভাৰতবৰ্ষত প্ৰকৃতপক্ষে কংগ্ৰেছ চৰকাৰে ভাবিছে যে, গ্ৰাম্য অঞ্চলত পুজিপতি সকলৰ অৰ্থ নৈতিক বিকাশ হোৱাকে গ্ৰাম্য অঞ্চলত অৰ্থ নৈতিক বিকাশ হৈছে বুলি ধৰিছে। মই কৈছোঁ ভাৰতবৰ্ষৰ ডাঙৰ পৰিস্থিতি হৈছে এইটোৱেই যে ভাৰতবৰ্ষত অৰ্থ নৈতিক বিকাশ নহয় আৰু ভাৰতৰ অৰ্থ নৈতিক বিকাশ অন্তৰায় হৈ গৈছে। কেৱল এইটো পন্থা আমি দেখিছোঁ যে বিৰলাৰ দৰে টকা পয়চা থকা মানুহে বিচাৰি বিচাৰি ট্ৰেক্টৰ কিনিব টকা খৰচ কৰিব আৰু নানান কামত টকা খৰচ কৰিব পাৰিব। অৱশ্যে টকা আছে, ভাল কথা, কিন্তু আজি Man power ৰ কথা যদি চাওঁ আৰু মাটিহীন খেতিয়কৰ কথা যদি ভাবি চাওঁ তেন্তে এইটো নিচেই সামান্য। বিৰলাই কোটি কোটি টকা উপাৰ্জন কৰে; তাৰ পৰিবৰ্ত্তে কংগ্ৰেছে ৰাইজক বিক্ৰি কৰিছে আৰু বিৰলাৰ দৰে ঠিয় হব বিচাৰিছে। সেই কাৰণে আজি বিৰলাৰ মধ্যপ্ৰদেশত ৫০ একৰ মাটি আছে মহীশূৰত ৫০ একৰ মাটি লৈছে; অন্যফালে সৰুসুৰা বিৰলাৰ মৰণৰ গতি।

মই Bank Nationalisation কৰা কথাটো ভাল পাইছো এইটো এটা good step সেই টকা এতিয়া কোনে পাব? এই টকাবিলাক যদি ধনী অৱস্থাপন্ন মানুহে লয় আৰু গৰিবসকল বঞ্চিত হয় তেতিয়া হলে ইয়াৰ

উদ্দেশ্য সফল নহয় Agro Industy Seed Loan Corporation আদিত টকা দিয়াৰ ব্যৱস্থা হৈছে। কিন্তু সাধাৰণ ভাৱে কোন উপকৃত হৈছে এইটো চাব লাগিব। সেইটো চাব লাগিব। যিবিলাক ধনী যাৰ টকা পইচা আছে যাৰ মাটিবাৰী আছে আৰু যি Mortgage দিব পাৰে সেইবিলাকেহে উপকৃত হৈছে বা হব। সেইকাৰণে মই

This is the way how in the Agricultural Sector, in the rural sector capitalism is developed. The very way in which the Agricultural Development has not been improved. The Agricultural planning that itself will produce capitalism in Agriculture. There will be a crisis in Agriculture. Green will be black and then will be red.

আজি যিটো কেউফাংলে বিপ্লৱৰ কথা কৈছে সেই সম্পৰ্কত মই আগতেও কৈছো যে বৰ্ত্তমান পদ্ধতিৰে চাই থাকিলে সেইটো ৰক্তাক্ত বিপ্লৱত পৰিণত হব। Gun will be red সেই কাৰণে মই কৈছো যে আমাৰ ৰাজ্যত Land Reform নহলে বা খেতিয়কক খেতিৰ মাটি নিদিলে কোনো কামেই নহব। আসামৰ যিকোনো Development ৰ ক্ষেত্ৰত Main question হৈছে এইটোৱেই যে মাটিৰ সমস্যা সমাধান নহলে একো নহয়। ইয়াৰ লগত কৃষি যি পৰিকল্পনা তাত কেনেকৈ কম মাটি থকা সকলৰ Co-operative Farming বা অৱশ্যে বা আন উপায়ৰ দ্বাৰা কেনেকৈ হাজাৰ হাজাৰ লোকে উৎপাদনৰ ক্ষেত্ৰত আগবাঢ়িব এই সম্পৰ্কত বাজেটত একো ব্যৱস্থা নলয়।

মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত প্ৰথম ব্যৱস্থা হব লাগিব জলসিঞ্চন ব্যৱস্থা। ২য় খবাং বতৰৰ পৰা যাতে অতি বেছি অনিষ্ট নহয়। এই দুটাই অসমৰ কৃষিৰ প্ৰধান অন্তৰায়। আমি সদায় যদি প্ৰকৃতিৰ ওপৰত পানীৰ কাৰণে নিৰ্ভৰ কৰো তেনেহলে কৃষিৰ উন্নতি আমি কেনেকৈ কৰিম। এই সম্পৰ্কত মই নমুনা

Irrigation কথা কব খুজিছো, এই নমুনা জলসিঞ্চনৰ ক্ষেত্ৰত কব লাগিব যে যেতিয়া বৰষুণ হব তেতিয়াহে তাত পানী ওলাব নহলে পানী নাই এই অৱস্থা। গতিকে যি বছৰত বৰষুণ নাই খৰাং বতৰ আৰু Source তো পানী নাথাকে তেতিয়া কৃষিৰ কোনো উপায় নাথাকে। সেই কাৰণে আজি কব লাগিব যে জলসিঞ্চনৰ ক্ষেত্ৰত আমাৰ এতিয়ালৈকে একো হোৱা নাই। এই পৰিকল্পনাৰ কাল-ছোৱাত 0·6 লাখএকৰ মাটি জলসিঞ্চনৰ কাৰণে লোৱা হৈছে। যদি ব্ৰহ্মপুত্ৰ Control commission ৰ পৰা এই ব্যৱস্থা হয় তেতিয়াহলে ব্যাপক জলসিঞ্চন ব্যৱস্থা হব লাগে। কিন্তু বৰ্ত্তমান অৱস্থাত কৃষি উৎপাদন বৃদ্ধিৰ কাৰণে অসম চৰকাৰ দেউলিয়া ভাৱে ব্যৰ্থ হৈছে বুলি স্বীকাৰ কৰিব লাগিব।

(সময়ৰ সংকেত)

জলসিঞ্চনৰ কাৰণে আমাৰ বিদুৎ বিভাগে High Transmission টানিছে যদিও Low trans line নহলে কাম নহব আৰু এই Low trans line টানিবৰ কাৰণে যি খৰচ লাগে সেইটো নিয়মমতে কৃষি বিভাগে কৰিব লাগে। কিন্তু কৃষি বিভাগত এই টকা ধৰা নাই। গতিকে Low trans line গ্ৰাম্য অঞ্চললৈ প্ৰয়োগ কৰাৰ ব্যয় যদি গাৱলীয়া খেতিয়কসকলে দিব লগীয়া হয় তেতিয়া এটা সমস্যাৰ সৃষ্টি হব কাৰণ কৃষকসকল সকলোৱে গৰীব। তাৰ উপৰিও ধিংৰ ফালে আজি লৈকে line পোৱা গৈয়ে নাই, খালি খুটা কিছুমান হৈছে power নাই। যোৱা বাজেটত মই এটা প্ৰশ্ন উত্থাপন কৰিছিলো কিন্তু বিত্তমন্ত্ৰী মহোদয়ে বাজেটৰ উত্তৰ প্ৰসঙ্গত সেইটোৰ উত্তৰ বিদিলে।

( Voice কোনটো প্ৰশ্ন ? )

সেইটো হৈছে Russian Tractor সৰ্ম্পকত। এই বিলাক Agro Industry ৰ জৰিয়তে Deal কৰা হয়। এটা 14 Horse power Tractor ৰ দাম কলিকতাত ৬ হাজাৰ ৭ শ ৩০ টকা কিন্তু গুৱাহাটীত তাৰ দাম হয় ৬৯০৯ টকা। তাৰ পাচত case

wheel ৰ দাম হয় কলিকতাত ৮০০ টকা আৰু গুৱাহাটীত হয় ১০১৪ টকা আৰু এটা বস্তু মই নামটো পাহৰি গৈছো, সেইটোৰ দাম কলিকতাত ৯০০ টকা আৰু গুৱাহাটীত ১৪৭০ টকা, West Bengalত এই বিলাক বস্তুৰ sale tax ৰেহাই দিয়া হয় কিন্তু আমাৰ ইয়াত সেই ৰেহাই নাই। গতিকে কলিকতাত যিটো বস্তুৰ দাম ৬ হাজাৰ সেইটোৰ দাম ইয়াত হয় ১১ হাজাৰৰো অধিক। ইয়াৰ কাৰণ কি বুজিব পৰা নাই।

Shri Nakul Chandra Das : এইটো Administrative ৰ কথা।

Shri Phani Bora : আপুনি অৱশ্যে মন্ত্ৰী হোৱাৰ কাৰণে যত্ন কৰি আছে আৰু এতিয়াৰ পৰাই Traning লৈ আছে। কিন্তু কথাটো হৈছে যে, কলিকতাত যিটো বস্তুৰ দাম ৭ হাজাৰ টকা সেইটোৰ অনা নিয়া খৰচ কৰিলেও আমাৰ ইয়াত ১০ হাজাৰ টকা হব নোৱাৰে। এইটো অত্যন্ত আচৰিত কথা। কেৱল সেইটোৱেই নহয় Company এ তাতে আকৌ Spot Delivery ও কৰে। এইটো কেনেকৈ হৈছে আমি কব পৰা নাই।

মোৰ বন্ধু মন্ত্ৰী গোস্বামী ডাঙৰীয়াই তেখেতৰ শত্ৰু বুলি ভাবে। আচলতে ব্যক্তিগত শত্ৰু মোৰ কোনো নাই। কিন্তু এই যে এটা বস্তু চকুত পৰে তেতিয়া বন্ধু হওক শত্ৰুৱেই হওক মুখলৈ নাচাও। এই টোৱেই হৈছে মোৰ দোষ। সেইটো Other way round হব পাৰে কিন্তু মোৰ ক্ষেত্ৰত সেইটো নহয়। এটা কথা কব খোজো এটা কথা চকুৰ আগত ওলাল যেতিয়া কথাষাৰ লুকুৱাব নোৱাৰো। এইটো হৈছে ৰাজ্যখনৰ দুখীয়া মানুহৰ পকেট কাটি পইচা আনি বা দুখীয়া মানুহৰ জেপ লুৰুকী গোটেই পইচা খিনিৰে কোনোবা মানুহক ধনী কৰিছে। এইটো লাগিলে মন্ত্ৰীয়েই হওক, বা মন্ত্ৰীৰ খুলশালীয়েকে হওক বা মোৰ বা কাৰোবাৰ ভায়েকে হওক কাকো হজম কৰা নহয়। এইটোত কোনেও ক্ষমা কৰা উচিত নহয়। এই ক্ষেত্ৰত এখন Pesticide ৰ কথা কব খুজিছো। plam show

wireless বা কৰবাৰ পৰা আনিছিল। আমাৰ গোস্বামী ডাঙৰীয়া যেতিয়া কৃষিৰ মন্ত্ৰী হ'ল তেতিয়াই Argo Techno নে কি নাম-বঞ্জি এটা Company নতুনকৈ হ'ল। মই ঠিক নামটো নাজ্যনো গুৱাহাটীত ইয়াৰ Sign Board খন দেখিছো কিন্তু মনত নাথাকিল। যিয়েই হওক সেই অফিচটো মই গুৱাহাটীৰ উজান বজাৰত দেখিছো। এতিয়া হল কি এই বস্তু বিলাক directly firm এ নানে।

Shri Lakhimi Prasad Goswami : Agro Industry Corporation ৰ পৰা আনে।

Shri Phani Bora : আচলতে Govt এ Directly কিনে এতিয়া Govt ৰ পেটৰপৰা ওলোৱা সন্তান Agro Industry ক এই দায়িত্ব দিছে আৰু Argo Industry এ এই Pesticide খনক আনিবৰ কাৰণে দিছে। Agro Industry এ এই firm খনক order দিয়ে আৰু firm খনে Company ক order টো দিয়ে। অৰ্থাৎ firm খনে বিনা কষ্টই company আৰু চৰকাৰৰ মাজত থাকি কমিচন মাৰে আৰু লাখ লাখ টকাৰ অধিকাৰী হয়। মই কৈছো যে, গৱৰ্ণমেণ্টে জন্ম দিয়া এই Agro Industry corporation টো চৰকাৰৰ টকাৰে হৈছে। এই Company টোৱে যি Commission লয় সেই Commission নলয় কেলৈ? Whole Sale Price ত এই বস্তু বিলাক নিকিনে কেলৈ? এই firm খনক কিয় Commission দিছে? মই আৰম্ভনিতেই কৈছো যে, মাননীয় গোস্বামী ডাঙৰীয়াৰ দিনতে এই firm খনৰ সৃষ্টি হয়। আমাৰ অসমৰ কিছুমান লৰাই ব্যৱসায় কৰি আছে সেইবিলাক যদি চৰকাৰে সহায় কৰে তেনেহলে চৰকাৰক মই ধন্যবাদ দিম। কিন্তু অসমৰ জনসাধাৰণৰ পৰিপন্থী কোনো কাম কৰিবৰ কাৰণে কোনো ব্যক্তিগত মানুহক দিবলৈ ৰাজী নহও। অসম চৰকাৰৰ যত টকা পইচা উপাৰ্জন হোৱাৰ সম্ভাৱনা থাকে সেইটো নকৰিব বুলি নকও। কিন্তু কোনোবা ব্যক্তিগত

মানুহক দিব এইটো কোনেও সহ্য নকৰিব। এইটো হৈছে favouritism. এই বিশেষ firm খনৰ মালিক হ'ল গোস্বামীদেৱৰ খুলশালীয়েক। তেখেতে মন্ত্ৰী হোৱাৰ আগতে এঈ Company টো নাছিল। তেখেতে ভয়ো নকৰে কাৰণ মুখ্য মন্ত্ৰীৰ সমৰ্থন পায়। কাৰণ মুখ্যমন্ত্ৰীৰ খুলশালীয়েকো এই Company ৰ Partner। এতিয়া মোৰ বক্তব্য হৈছে যে, মুখ্যমন্ত্ৰীৰ খুলশালীয়েকেই হওক বা গোস্বামীৰ খুলশালীকেই হওক—তেওঁলোকক উপাৰ্জ্জনৰ ৰাস্তাৰ পৰা কেতিয়াও বঞ্চিত কৰিব নালাগে। উপাৰ্জ্জন কৰিবলৈ সুবিধা দিব লাগে। কাৰণ তেওঁলোকো দেশৰ লৰা। গোস্বামীৰ খুলশালীয়েক হোৱাৰ কাৰণেই সেইফালৰ পৰা আপত্তি কৰাই নাই। কিন্তু এই কাৰণেই লাখ লাখ টকাৰ কমিচন পায় Deptt. লৈ এখন চিঠি দি মাজতে থাকে। আজি Agro Industry নালাগে চৰকাৰৰ প্ৰায় ক্ষেত্ৰতে Favouritism চলিছে। আজি আন এটা Company হৈছে Drugs India অৱশ্যে এইটো Medical Deptt. ৰ কথা মই সেইদিনা অনুপস্থিত থাকিম। কাগজ পত্ৰবোৰ আহে আৰু ক'ত কি কাণ্ড। Genuine ব্যৱস্থা কৰক, Genuine কাম কৰক Genuine Product কৰক; কিন্তু এনেকুৱা ধৰণে আওপাকে Favouritism, দুৰ্নীতিৰ জৰীয়তে চৰকাৰে দেশখন নষ্ট কৰিছে। এতিয়া এইবোৰ বন্ধ কৰিবৰ হল। বন্ধ নকৰিলে ইয়াৰ ফল বেয়া হব। আজি হয়তো কথাটো কলেই এৰি দিব কিন্তু কাইলৈ এৰি নিদিব। বেয়া হৈছে সকলোৰে কাৰণে। দেশত যিটো পৰিস্থিয়ে দেখা দিছে এই পিনে গতি বেয়া যেন লাগে। There will be revolution, Bloody revolution ইয়াত ৰক্তা-ৰক্তি হব। আৰু কি ধৰণৰ পৰিস্থিতি হয় কোনো ঠিক নাই। চকুৰ আগতে যদি দেখো একোজনে বিনাকষ্টই পইচা পায় বা কাৰোবাৰ Favour ত লাখ লাখ টকা পাই আনহাতে কিছুমান ডেকা লৰাই কেইটা-মান পইচা ৰাবে ঘুৰি ফুৰিছে কিন্তু এটা ব্যৱসায় কৰিবলৈ সুবিধা নাপায়। যিহঁতে কি কৰিব? সিহঁত যদি আজি বিপথে যায়, সিহঁহৰ

কোনো দোষ হব নোৱাৰে। চকুৰ আগতে দেখিব বহুতো এনেয়ে ঘুৰি ফুৰিছে।

( সময়ৰ সংকেত )

সেইকাৰণে এই বিলাক ক্ষেত্ৰত মই আশাকৰো যে চৰকাৰে যেন Favouritism নেদেখুৱাই। এই কথাত গুৰুত্ব দিলেহে দেশৰ মঙ্গল হব আৰু দেশখন আগবঢ়াই নিয়াত সমৰ্থ হব পাৰিব

* Shri Bhumidhar Barman : माननীয় উপাধ্যক্ষ মহোদয়, আমাৰ দেশখন কৃষিপ্ৰধান দেশ। আমাৰ প্ৰায়ভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। তাৰোপৰি আমাৰ খেতিয়কৰ আৰ্থিক অৱস্থা ভাল নহয়, এইটো সকলোৱে স্বীকাৰ কৰিব লাগিব। স্বাধীনতা পোৱাৰ পিচৰেপৰা আমাৰ দেশত দিনে দিনে কৃষি উৎপাদন বাঢ়ি গৈছে। আমি সেউজীয়া বিপ্লৱ কাৰ্য্যত দেখিবলৈ পাইছো। আজি কেইজন-মান সদস্যই কৈছে যে খেতিয়কে বহু কষ্ট কৰি উৎপাদন কৰা বস্তুৰ দ্বাৰাহে মানুহ জীয়াই থকাতো সম্ভৱ হৈছে। যি সকল খেতিয়কৰ উৎপাদনৰ দ্বাৰা দেশখনক জীয়াই ৰাখিছে সেই সকলৰ প্ৰতি আমি বেছি মনোযোগ দিছো নে নাই, সেইটো চিন্তাৰ বিষয় হৈছে। যি সকলৰ উৎপাদিত বস্তুৰ দ্বাৰা দেশখনক জীয়াই ৰাখিছে ; সেই সকলৰ বাবে ৰাস্তাৰ ভাল ব্যৱস্থা নাই। মেটমৰা বোজা লৈ খেতিয়কে বোকাত খোজ কাঢ়ি যাব লাগে। খেতিয়কে বস্তু অনা নিয়া কৰিবৰ কাৰণে ৰাস্তা বেছিকৈ দিব লাগে। কিন্তু কাৰ্য্যক্ষেত্ৰত সেইটো হোৱা নাই। মই আশা ৰাখিছো যাতে তেওঁলোকৰ মাল বস্তু কঢ়িয়াবৰ বাবে ৰাস্তাৰ বিষয়ত মনোযোগ দিব। তাৰোপৰি চিকিৎসাৰ যিখিনি সা-সুবিধা তেওঁলোকে পাব লাগে, সেইখিনি পোৱা নাই। তেওঁলোকৰ লৰা-ছোৱালীয়ে শিক্ষাৰ বাবে যিখিনি সা-সুবিধা পাব লাগে সেইখিনি পোৱা নাই। চহৰত বাসকৰা সকলৰ লৰা-ছোৱালীক যেনে স্কুলত শিক্ষা দিব পাৰিছে, তেনে স্কুল ঘৰ খেতিয়কৰ লৰা ছোৱালীৰ বাবে নাই।

*Speech not corrected

সকলো ফালৰ পৰা যদি বিশ্লেষণ কৰা যায়, তেতিয়া দেখা যাব যে, তেওঁলোক সচাকৈয়ে অৱহেলিত হৈ আছে। মই আশা কৰিছো যে, তেওঁলোকক মানুহ হিচাপে জীয়াই থকাৰ যিখিনি সম্বলৰ দৰকাৰ সেইখিনিৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে। তেতিয়াহলে তেওঁলোকে বেছি উৎসাহ উদ্দীপনা পাই বেছি উৎপাদন কৰিব পাৰিব। আজি আমাৰ সকলো খেতিয়কৰ ভাৱ হৈছে যে খেতিৰ দ্বাৰা তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা সবল কৰিব লাগিব। নিজৰ দেশৰ মানুহক খুৱাব লাগিব। মানুহবিলাক জ্ঞানী হৈছে। অকল জ্ঞান হলেই নহব, তেওঁ-লোকে সকলো সা-সুবিধা পাব লাগিব। বহুত খেতিয়কৰ আজি খেতি কৰিবলৈ মাটি নাই।

তাৰ পিচত অৱহেলিত Scheduled Caste মানুহবিলাকৰ আজিকালি মাছৰ ব্যৱসায় নোহোৱা হৈছে। গতিকে তেওঁলোকক এতিয়া খেতিৰ বাবে বিশেষ ভাৱে সুবিধা দিয়া দৰকাৰ। কাৰণ তেওঁলোকে পাবলগীয়া সুবিধা খিনি পোৱা নাই। মোৰ সমষ্টিৰ Scheduled Caste ৰ মানুহবিলাকৰ অৱস্থা ৰাজহমন্ত্ৰী ডাঙৰীয়াই চাই আহিছে। তেয়ঁলোকক Land Advisory Board এ মাটি দিছিল, কিন্তু সেই মাটি আজিও চমজাই দিয়া নাই। আজি দুবছৰ হৈ গ'ল, মাটি চমজাই দিয়া নাই। S.D.C. ক সুধিলে কয় চৰকাৰৰ ফালৰ পৰা এটা অনুমোদন আহিব লাগে; secretary এ কয় নালাগে নহয় তেখেতে দিব। গতিকে ৰাইজৰ বহুত অসুবিধা হৈছে। এই বিষয়ৰ প্ৰতি ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যদি মাটি দিয়া হয় তেন্তে লগে লগে দিব লাগে। তাৰ পিচত আমাৰ খেতিয়ক বেছি ভাগেই দুখীয়া। তেওঁলোকৰ গৰু কিনিবৰ বাবে পইচা নাই। গতিকে তেওঁলোকলৈ আৰ্থিক সাহায্য আগবঢ়াব লাগে। কৃষি ঋণ দিয়াৰ ক্ষেত্ৰত দুগৰাকী সদস্যই কৈছে বেঙ্কবোৰ ৰাষ্ট্ৰীয়কৰণ হ'ল যদিও খেতিয়কে ঋণ পোৱা নাই। নলবাৰী State Bank ত খেতিয়কে কামবন ক্ষতি কৰি, পইচা খৰছ কৰি জমা থয়। কিন্তু তেওঁলোকে ঋণ নাপায়। ঋণ পায় বেডিও দোকান থকা সকলে

বিত্তমন্ত্ৰী ডাঃঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে এই বিষয়ে চকু দিয়ে। খেতিয়ক সকলৰ খেতিৰ বাবে সঁচৰ বাবে যোগান চৰকাৰে ধৰে। কিন্তু এই সঁচ যি সময়ত পাব লাগে সেই সময়ত নাপায়। গতিকে Food Corporation এ ঠিক সময়ত সঁচৰ যোগান ধৰিব লাগে। আহুখেতিৰ সময়ত আহু সঁচ কিনি আনিব লাগে। এই বিলাক কথাৰ প্ৰতি কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। তাৰ পিচত সাৰ চৰকাৰৰ ফালৰ পৰা যোগান ধৰিছে।

কিন্তু মই ভাৱো যে এই সাৰ যদি বিনা পইছাই কৃষকক দিয়াৰ ব্যৱস্থা কৰে তেন্তে চৰকাৰৰ বেছি পইছা খৰছ নহব, কম দামত সাৰ যোগান ধৰিব পাৰিলে উৎপাদনো বাঢ়িব আৰু লগতে-কম খৰছত সৰহ উৎপাদন হোৱাৰ কাৰণে চৰকাৰ আৰু জনসাধাৰণ উভয়ে সমানে উপকৃত হব।

North Kamrup ত প্ৰচুৰ নাৰীকল-পুলি ৰোৱা হয়। মইও নিজে ৫০ জোপা নাৰীকল লগাইছো। নাৰীকল পুলিৰ বৃদ্ধিৰ কাৰণে অত্যাৱশ্যকীয় Bone meal সাৰ পাবলৈ অতি দুৰ্লভ। চৰকাৰক অনুৰোধ কৰো, লাগিলে আমি পইচাকে ভৰিম, যাতে এই Bone meal সাৰৰ যোগান ধৰা হয়।

( সময়ৰ সংকেট )

তাৰ পিছত স্বাস্থ্যৰ সংক্ৰান্তত কওঁ যে মানুহৰ স্বাস্থ্যৰ দিনে দিনে অৱনতি হৈছে। ইয়াৰ কাৰণ বিছাৰিলে আমি পাওঁ যে শৰীৰৰ পুষ্টি বিধান কৰিব পৰা উপযুক্ত খাদ্য যেনে,—গাখীৰ-পানী ইত্যাদিৰ অভাৱ। গাখীৰ থাকিলেও দাম বেছি হোৱাৰ কাৰণে দুখীয়া মানুহে কিনি খাব নোৱাৰে আৰু তদুপৰি গাখীৰত ভেজাল। Protein জাত বস্তু স্বাস্থ্যৰ অপৰিহাৰ্য্য অঙ্গ। গতিকে শৰীৰ ৰক্ষাৰ অপৰিহাৰ্য্য Protein জাত খাদ্য যেনে— মূলা, আলু, গাজৰ, বীট আদি বিভিন্ন শাক-পাচলিৰ প্ৰচুৰ উৎপাদনৰ কাৰণে আমাৰ Agriculture Department ৰ ফালৰ পৰা ৰাইজক inspiration দিয়া যুগুত অনান্য সাৰৰ উপৰিও গৰুৰ গোবৰ এবিধ উৎকৃষ্ট সাৰ তাৰো

সংৰক্ষণৰ ব্যৱস্থা কৰি চৰকাৰে গাওঁৰে ভুঁএঃ ৰাইজক এই বিলাক বস্তু উৎপাদন কৰিবলৈ শিক্ষা দিয়াৰ অত্যাৱশ্যক হৈ পৰিছে।

( সময়ৰ সংকেট )

শেষত খেতিয়কক এই বিলাক শস্য উৎপাদন কৰিবলৈ উৎসাহ দিয়াৰ কাৰণে তেওঁলোকৰ উৎপাদিত বস্তু বিলাকে যাতে উপযুক্ত বজাৰ দাম পাব পাৰে তাৰো ব্যৱস্থা চৰকাৰে কৰা নিতান্তই আৱশ্যক ।

উপাধ্যক্ষ মহোদয়, যোৱাবাৰ পশ্চিম বৰভাগত প্ৰচুৰ ধান উৎপন্ন হ'ল কিন্তু ৰাইজে ১২/১৩/১৪ টকাতে ধান বেছি পেলালে। কাৰণ তেওঁলোকৰ দৈনন্দিন খৰছৰ যোগাৰ ধৰিবই লাগিব। গতিকে তেওঁলোকে কম দামতে সেইবোৰ বেছি শেষ কৰিলে। চৰকাৰে ২১ টকালৈ ধানৰ দাম বান্ধি দিলে। কম দামত কিনি ৰাখি গুদাম ভৰাই থোৱা বেপাৰীসকলে সেই ধানকে চৰকাৰে বান্ধি দিয়া দৰত চৰকাৰক বেছি লাখ লাখ টকা লাভ কৰিলে। ইয়াৰ ফলত ৰাইজৰ কি অৱস্থা হৈছে তাক নিজ চকুৰে চাই অহিবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। তালৈ যাবলৈতো চৰকাৰৰ ফালৰ পৰা টকা দিয়াত আপত্তি নাই ; তাৰ কাৰণে T.A. draw কৰিবই পাৰিব। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে তেওঁলোকৰ অৱস্থা চাই আহি ব্যৱস্থা ললে ৰাইজ উপকৃত হব। ইয়াকে অনুৰোধ কৰি মই বহিলো।

*Shri Soneswar Bora : উপাধ্যক্ষ মহোদয়, সৃষ্টিৰ আৰহমান কালৰে পৰা মানুহে খাইছে। কিন্তু প্ৰণালী বদ্ধ ভাৱে মানুহে খেতিকৰিবলৈ কেতিয়া আৰম্ভ কৰিলে কব নোৱাৰো —। এইটোও ঠিক যে শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী দেৱৰ সাত পুৰুষৰ আগৰ পৰাও মানুহে খেতি কৰিছে– আৰু খাইছে– ।

আমাৰ এটা –ফকৰা আছে - বোলে –"ননা তিৰি ন-জনী মৰে– নপকা বগৰী তলভৰি সৰে—।"– সেই কাৰণেই কৈছো যে— আমাৰ Agriculture মন্ত্ৰী শ্ৰীলক্ষ্মীপ্ৰসাদ ডাঙৰীয়াৰ মন্ত্ৰীত্বপদটো

---

*Speech not corrected

যদি এই বিধান সভাতে উঠাই দিয়া যায় তেন্তে স্বাধীনতাৰ আগতেও মানুহে খেতি কৰি খাইছিল, এতিয়াও খাব বা খাব পাৰিব আৰু ভৱিষ্যতৰ হাজাৰ বছৰতো মানুহে খেতি কৰি খাব পাৰিব। খেতিৰ উন্নয়ণৰ কাৰণে-গাঁৱে-ভুঁইৰে মানুহে চৰকাৰৰ কৃষি-বিভাগৰ পৰা কোনো সহায়-সুবিধা পোৱা নাই—। মই নিজেও এজন হাড়ে-হিম-জুৰে খেতিয়ক মানুহ। সৌ সিদিনা বিহুৰ বন্ধত গৈ মই নিজেও হাল জুৰি আহিছো। কিন্তু কৃষি-বিভাগৰ পৰা হলে কোনো সুবিধা বা সহায় পোৱা নাই।

কৃষি উন্নয়ণৰ কাৰণে অতি আৱশ্যকীয় বস্তু কেইটা হৈছে—একনম্বৰত মাটি, দুই-নম্বৰত খেতিৰ বতৰ, তিনি নম্বৰত সজুলী, চাৰি নম্বৰত সচ, আৰু অনান্য সা-সুবিধা বা বজাৰ নহলে কৃষি চলিব নোৱাৰে—। বহুতো সদস্যই আজি উদ্বেগ প্ৰকাশ কৰিব লগা হৈছে। সচাঁ কথা চৰকাৰে কোনো নিৰ্দিষ্ট আঁচনি নোলোৱাৰ কাৰণেই কম দৰত দুখীয়া সকলক ধান বিক্ৰী কৰিবলৈ বাধ্য কৰি পিছত মহাজন সকলে বেছি দৰত বিক্ৰী কৰি অজস্ৰ লাভ কৰাৰ সুবিধা পাইছে আৰু পিছত দুখীয়া খেতিয়ক সকলে বেছি দৰত কিনি খাব লগীয়া হৈছে। দুখীয়া খেতিয়কে কম দামত বেছি ধান নাইকীয়া কৰিলে আৰু ধনী খেতিয়ক সকলে সেইধান মজুত কৰি অধিক লাভ পাব। সেই কাৰণেই মই ধানৰ দাম বঢ়াৰ কাৰণে তাৰ বিৰোধিতা কৰো—।

আনহাতেদি যদি ধানৰ মূল্য control দৰ ২২ টকা হয় বা ৩০ টকা হয় আৰু খেতিয়ক সকলৰ প্ৰত্যেকে সেইটো পায় তেনেহলে তাৰ বিৰোধিতা নকৰো। কিন্তু কিনি খোৱা সকলৰ কাৰণে বস্তুৰ দাম বেছি হলে চৰকাৰে subsidy দি সেই মানুহ বিলাকক খুৱাব পাৰে। কিন্তু খেতিৰ বস্তুৰ দাম কমিলে হোজা খেতিয়ক সকলক তেনে ধৰণৰ সহায়ৰ দ্বাৰা উৎসাহ দিওতা কোনো নাই—।

খেতিয়ক সকলৰ পৰিশ্ৰমক অন্যায় ভাৱে নিৰুৎসাহ কৰি কৃষি-বিভাগে বস্তুৰ দাম কমোৱাটো—উচিৎ নহয়।

গুড়ৰ মোনে ২৫ টকা /২২ টকা বা ১৮ টকা ইত্যাদি। এমোন গুড় উৎপাদন কৰিবলৈ হলে শালৰ-খৰছ, মহ-গৰুৰ ভাড়া কামলা আদিৰ খৰছেৰে সৈতে প্ৰায় ২৫ টকাই পৰে। যদি ইয়াৰ পিছতো সেই গুড়ৰ দাম ১৮ টকাহে মাত্ৰ হয় তেন্তে খেতিয়কে খেতি কেনেকৈ কৰিব কওঁক—। মানুহৰ কিনি খোৱা বস্তুৰ লগত তাৰ পৰা উৎপন্ন কৰিব পৰা সামগ্ৰীৰ সামঞ্জস্য ৰক্ষা কৰিব লাগে। কিনি অনা বস্তুৰ পৰা তৈয়াৰ কৰিব পৰা বস্তুৰ ওপৰত চৰকাৰে prot ction ৰ ব্যৱস্থা কৰিব লাগে। কিন্তু খেতিৰ দাম কমাই খেতিয়ক সকলক নিৰুৎসাহ কৰিব নেলাগে। যোৱা কেইবছৰত জাপানত ইমানেই চাউলৰ উৎপাদন বাঢ়িছে যে শেষ বজাৰতো সেইবোৰ বিক্ৰী কৰিব নোৱাৰি শেষত সাগৰত পেলাই দিব লগীয়া হৈছে। উৎপাদন কমাব নোৱাৰে—। ইয়াৰ ওপৰিও প্ৰসাধন সামগ্ৰী পৰ্য্যন্তও চাউলৰ পৰা তৈয়াৰ কৰাৰ আঁচনিও জাপানে লৈছে। ই খেতিৰ উৎপাদনত বাধা দিয়া নাই।

আজি সচৰ কথা কৈছে আৰু কৈছে যে বজাৰত ভাল সচ ওলাইছে। এজন মানুহে কৃষিত নেহেৰু পুৰস্কাৰ পাইছে। সেই পুৰস্কাৰ ২৬ জানুৱাৰীৰ দিনা আড়ম্বৰ পূৰ্ণ ভাৱে দিয়া যায়। কিন্তু তেনেকুৱা খেতিয়ক এজনে মাত্ৰ এবিঘা মান মাটিত উন্নত ধৰণে খেতি কৰিয়েই পুৰস্কাৰ পাইছে। সৰ্ব্বসাধাৰণ খেতিয়কৰ নিচিনাকৈ সৰহীয়া মাটিত খেতি কৰা নাই। আনহাতে যি সময়ত বজাৰত সচঁৰ দাম ১৮ টকা ২২টকা সেই সময়তে সচঁৰ দাম কেনেকৈ ২৭ টকা ৩০ টকা হব পাৰে এইবিলাক কথা বুজি নাপাও। এই বিলাকত আমাৰ চৰকাৰেই দুনীতি কৰিছে। তাৰ ফলত এই সঁচ বিলাকৰ দাম বজাৰত বাঢ়ি গৈছে। এইবিলাক সচঁ কেনেধৰণৰ সঁচ এইবিলাক খেতিয়কে বিতৰণ কৰাৰ আগতে বৈজ্ঞানিকৰ হতুৱাই পৰীক্ষা কৰোৱা হয়নে? আৰু পৰীক্ষা কৰা হয় যদি এই সঁচ বিলাক কেনেকুৱা বৈজ্ঞানীকৰ দ্বাৰা পৰীক্ষা কৰোৱা হয় কিয়নো এইবিলাক খেতিয়কে কিনি নি ব্যৱহাৰ কৰিলে কিছুমান

নগজে, গজিলেও কিৰকিৰিয়া মাৰে কিয় ? ইয়াৰ পৰা ভাল উৎপাদন পোৱা নাযায় কিয় ? আমাৰ কৃষিমন্ত্রী লক্ষ্মী গোস্বামীয়ে ভাল ভাল বক্তৃতা দি কাগজতে ভাল ভাল সচঁ দি খেতি কৰিব পাৰে—কিন্তু প্রকৃততে প্রকৃত মাটিত প্রকৃত সাৰ সঁচ দি খেতিকৰা নহয়।

আৰু এটা কথা আমি বুজি নাপাও সেইবিলাক কি ধৰণৰ ৰঙা ফিটাৰ মেৰপাক। আমাৰ Agriculture বিভাগত বহুতবিলাক চাকৰীয়াল আছে। আৰু চাকৰীয়ালৰ সংখ্যা বঢ়োৱা হৈছে ফাইলৰ সংখ্যা বঢ়োৱা হৈছে কিন্তু খাদ্য শস্য কিয় বঢ়া নাই। যদি খাদ্য শষ্য বঢ়াবৰ কাৰণে আৰু কৰ্ম্মচাৰীৰ আৱশ্যক হয় বঢ়াওক তথাপি আমাৰ খাদ্য শস্য বাঢ়িব লাগে। কিন্তু কেৱল দৰ্ম্মহা খোৱা কৰ্ম্মচাৰী বঢ়ালে নহব বা ফাইল বঢ়ালে নহব।

Shri Mahendra Mohan Choudhury : ফাইল বাঢ়িলেই কৰ্ম্মচাৰী বাঢ়ে। এইটো Perkinson ৰ Law.

Shri Soneswar Bora : ফাইল বা কৰ্ম্মচাৰী বাঢ়িলেই নহব লগে লগে ভাল কামো বাঢ়ি যাব লাগিব। কিন্তু আমাৰ যে ভাল কাম কমি গৈছে তাৰ কাৰণ কি ? ঠিক তেনে ধৰণেৰে আমাৰ মাটিৰ সমস্যা মই নিজে এই সদনতে ৰাজহ মন্ত্রীৰ ভুমিনীতি ফালি দুফাল কৰিলো। শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীৰ ভুমিনীতিৰ কিতাপ খনে আমাৰ মাটিৰ সমস্যা সমাধান কৰিব নোৱাৰে, আমাৰ দুখীয়া খেতিয়ক সকলক এই কিতাপখনে কোনো উপকাৰ কৰিব নোৱাৰে। এই কথাৰ আজি ৩ বছৰে প্রমাণ পাই আহিছে। শিবসাগৰ জিলাত ভুমি সমস্যাৰ তিলমানো উন্নতি নহল। মই বিৰোধী পক্ষৰ মানুহ। মই এই ভুমি সমস্যাৰ বিষয়ে সদায় চককাৰক কৈ আহিছো আৰু তাৰ কাৰণে চেষ্টাও কৰিছো। মই কংগ্রেছী সদস্য পৰাস্ত কৰি নিৰ্ব্বাচিত হৈ আহিছো। অহা নিৰ্ব্বাচনত মোৰ বিপক্ষে কংগ্রেছ পাৰ্টী উঠাবৰ কাৰণে এতিয়াৰ পৰাই উঠিপৰি লাগিছে। আমাক ৰাইজে সোধে— ভুমি সমস্যা কেনেকৈ সমাধান হব ? তেতিয়া মই কও যে আপোনা-

লোকৰ যিসকল কংগ্ৰেছী M.L.A. আছে যেনে নৰেণ শৰ্ম্মা, দেবেশ্বৰ শৰ্ম্মা, চন্দ্ৰগোপাল কৰ্ম্মকাৰ আছে তেওঁলোকক ভোট নিদিব। বিৰোধী পক্ষক নিৰ্ব্বাচিন কৰি দিয়ক—তেতিয়াহলে ভুমি সমস্যাৰ সমাধান হব। মই চৰকাৰক কও যিসকল মানুহে মাটি বেদখল কৰি আছে তেওঁলোকক মাটি বিতাই দিব লাগে। এইদৰে মাটি বিতৰণ নকৰিলে কেতিয়াও কৃষিৰ উন্নতি হব নোৱাৰে।

মই ভুমিনীতিৰ এটা কথা পৰিষ্কাৰকৈ কব খুজিছো আমাৰ শ্ৰীগৌৰিশঙ্কৰ ভট্টাচায্য আৰু শ্ৰীফণী বৰা ডাঙৰীয়াও এই কথা কৈ গৈছে। আমি ৰাজনীতিৰ মানুহ আমি ইয়াত সদায় থাকিব নোৱাৰো। আমি কও যে এইদৰে হলে ৩০।৪০ বছৰৰ মূৰতো আমাৰ ভুমিনীতি কাৰ্য্যকৰী নহব। যিবিলাকৰ মাটিৰ পট্টা এখিয়া ও ম্যাদি হোৱা নাই সেই সকলৰ মাটিৰ ম্যাদি পট্টা কৰি দিব লাগে। মই ভাবো আমাৰ যিসকল প্ৰকৃত খেতিয়ক মানুহ সেই সকলে যাতে খেতিৰ জড়িয়তে লৰাছোৱালীৰ পঢ়াশুনাৰ খৰচ, শিক্ষা-সিকিৎসাৰ খৰচ বহন কৰিব পাৰে আৰু সেই উপাজ্জনৰ দ্বাৰা তেওঁলোক যাতে চলি যাব পাৰে। এটা কথা চাওক কৰবাত চাকৰী ওলালে তাৰ কাৰণে দৰখাস্ত দিব পাৰে, Interveiw দিব পাৰে—চাকৰীও পাব পাৰে বিনা পইচাতে কিন্তু খেতিয়ক সকলে এডুখৰ মাটিৰ কাৰণে দৰ্খাস্ত কৰিলেও পইচা দিব লাগে। তথাপিও এইদৰে পইচা আদি খৰচ কৰিও খেতিয়কে মাটি নাপায়।

Shri Mahendra Mohan Choudhury : এতিয়া কৃষি বিভাগৰ আলোচনা হে চলি আছে ভুমি সক্ৰান্তত কলে উত্তৰ দিব পৰা নহব।

Shri Soneswar Bora : কৃষিৰ লগত ভুমি সমস্যা জড়িত। ভুমি নহলে কৃষি কত কৰিব কাগজৰ পাতত নে অন্য কৰোবাত আমাৰ কথাতে কয় বোলে

"মাজমূৰত নাই চুলি
পৈয়েকে মাতে ৰূপহী বুলি"

মাজুমূৰত চুলি নহলে ধুনীয়া হব নোৱাৰে—তেনে ক্ষেত্ৰত পৈয়েকে ৰূপহী বুলি মতাৰ যেনেকে অৰ্থ নাই তেনেকৈ ভুমি নহলে কাগজত ভাল ভাল পৰিকল্পনা কৰি, ভাল ভাল সঁচ দি খেতি কৰিলেও খেতি হব নোৱাৰে। মাজুমূৰত চুলি নহলে যেনেকৈ ধুনীয় বা ৰূপহী হব নোৱাৰে ভুমি নহলেও তেনেকৈ খেতি হব নোৱাৰে। আমাৰ এই ভুমিনীতি পৰিবৰ্ত্তন কৰিবলগীয়া হল। কৃষিমন্ত্ৰী বা ৰাজহমন্ত্ৰী একেজনেই হওক বা বেলেগ হওক আমাৰ এই কৃষি আৰু ভুমি সমস্যাৰ উন্নতি হব লাগে।

আমাৰ ৰাজহমন্ত্ৰী জাপানলৈ যাওতে তাত বোলে কাঠৰ বাল্টিং দেখি আহিল তাকে আহি ইয়াত প্ৰচাৰ কৰিলে। মই কও যে এই জাপানী পদ্ধতি বিলাক একেবাৰেই ভুৱা পদ্ধতি। তাত ১০ ইঞ্চি আতৰে আতৰে ধান ৰুৱে তাকে আমাৰ ইয়াতো কৰিব লাগে হেনু কিন্তু আমাৰ 'ডাক' পুৰুষে কৈ গৈছে যে

'ঘনাই ঘনাই দিব আলি
পৰ্ব্বতৰ টিঙতো ৰুবা শালি
তেওঁ যদি নহয় শালি
ডাকক পাৰিবা গালি"

যদি ঘনাই ঘনাই আলি দিলেই শালিধান হয় তেন্তে এই ১০ ইঞ্চি আতৰত ৰুই শালিধান কৰাৰ অৰ্থ কি ?

আমাৰ আৰু এটা কথা case while ৰ কথা কৈছে আমাৰ ফণী বৰা ডাঙৰীয়াও কৈছে কিন্তু তেখেতে এইটোনো কি বস্তু বুজা নাই। আমাৰ কৃষিমন্ত্ৰীয়েও বুজিছেনে নাই নাজানো মই বুজি পাইছো, যিহেতু মই খেতিয়ক, নিজে খেতি কৰা মানুহ। এই case while টো শুকান মাটিতহে চলে। বোকাত চলাবলগীয়া হলে ইয়াৰ চকা বৈ যায়। গতিকে এইটোৰ বোকা মাটিত খেতি কৰিব নোৱাৰে। আমাৰ মন্ত্ৰীমহোদয়ে কৃষি বিপ্লৱ বুলিলে কি বুজে কব নোৱাৰো। আমাৰ মাননীয় সদস্য শ্ৰীভুবনেশ্বৰ বৰ্ম্মনেও এই কৃষি বিপ্লৱৰ কথা কৈ গৈছে। এই কৃষি বিপ্লৱত আমাৰ ধানবিলাকৰ আকাৰ আম

কঠালৰ সমান কৰিব খুজিছে কি নাজানো। এই বিপ্লব সাৰ্থক হবলে হলে প্ৰথমে প্ৰকৃত খেতিয়কৰ হাতত মাটিৰ অধিকাৰ দিব লাগিব। অমি M.L.A. হৈ যাম বহুত M.L.A. আহিব যাব বহুত লক্ষ্মী গোস্বামী কৃষিমন্ত্ৰী আহিব যাব তাৰ ঠিকনা নাথাকিব কিন্তু আমাৰ কৃষিৰ উন্নতি কোনো দিনে নহব।

আমাৰ দুখীয়া অশিক্ষিত খেতিয়ক সকলক সহায় কৰিবৰ কাৰণে প্ৰত্যেক অঞ্চলতে গ্ৰামসেবক ৰাখিছে সেইবিলাক পথাৰলৈ নাযায়। লংপেণ্ট, চুট টাই পিন্ধি ঘৰে ঘৰে গৈ চাহ তামোল খাই গাভৰু-ছোৱালীৰ লগত মেলমাৰি ফুৰিব কোনোদিন পথাৰলৈ নাযায় আনকি কিছুমান আছে যিবিলাক 'থাওচ' চিনি নাপায় সেইবিলাক খেতিয়কক বুজাই শুনাই কেনেকৈ সহায় কৰিব।

আমাৰ এজন মানুহ কলিকতাৰ পৰা বিলাতলৈ যাওঁতে বাটত নাৰিকল দেখি সুধিলে এই বিলাক ইমান ডাঙৰ কৰে তামোল। সেই মানুহজনে ভাবিলে তামোল গছ ইমান ওখ এই ডাঙৰ ডাঙৰ তামোলৰ গছ বিলাক ছাগে কিমান ওখ। এই বিলাক কথা মানুহে হাতী দেখাৰ নিচিনা কথা। গাৱৰ বুঢ়া মানুহ বিলাকে উন্নত পদ্ধতিৰ খেতিৰ কথা কলে কয় "কালিৰ ছোৱালীয়ে পৰহীৰ গীত গাব আহিচ" এই বিলাক মানুহে কৃষি পদ্ধতি নজনা নহয়। মই অৱশ্যে ভাল পাইছিলো যে আমাৰ বৰ্ত্তমান কৃষিমন্ত্ৰী শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামী ডাঙৰীয়াই যেতিয়া Socialist party ত আছিল, তেতিয়া কৈছিল কৃষিৰ উৎপাদন বঢ়াব লাগে, আৰু কৃষিৰ উৎপাদন বঢ়াবৰ কাৰণে ভূমিসেনা নিয়োগ কৰিব লাগে। কিন্তু মই এতিয়া বৰ দুখ পাইছোঁ যে তেখেতে মন্ত্ৰী পদ পোৱাৰ লগে লগে সকলো পাহৰি গল। তেখেতে কৈছিল আমি মন্ত্ৰী হলে সকলো বিলাক কাৰ্য্যকৰী কৰিম। কিন্তু আজি এটাও কাৰ্য্যকৰী কৰা নাই। সেইকাৰণে মই পুনৰ অনুৰোধ কৰিছোঁ যে এইটো ভূমিসেনা কৰি নতুনকৈ কৰক।

*Shri Jogen Saikia : মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ শিতানত যিটো কথা আলোচনা হৈছে, এই আলোচনাত কৃষি বিভাগৰ বিষয়ে মই মাত্র দুই চাৰিটা কথা কম। আমাৰ কৃষি উৎপাদন বঢ়োৱাটো নিশ্চয় সহজ কথা নহয়। কৃষি উৎপাদন বঢ়াবলৈ হ'লে পৌৰাণিক যি বিলাক পদ্ধতি আছে, সেই পদ্ধতি বিলাক কাৰ্য্যকৰী কৰিব পাৰিলেহে, কৃষি উৎপাদন বৃদ্ধি কৰাটো প্ৰমাণিত হব। নতুন পদ্ধতি যি বিলাক আছে, সেই বিলাক গ্ৰহণ কৰিবলৈ হলে আমাৰ সামাজিক অৱস্থাটো কেনেকৈ আছে সেইটো আগতে লক্ষ্য কৰিব লাগিব। আমাৰ সমাজৰ বৰ্ত্তমান যিটো নৈতিক গঠন তাত এইদৰে নতুন কৃষি বৈপ্লৱিক চেতনা জগাই তোলাটো সম্ভৱ নহয়। কৃষিৰ ক্ষেত্ৰত নতুন পদ্ধতিৰে যি বিলাক কাম সম্ভৱ কৰি তুলিছে সেই সকলে ভাৰতবৰ্ষৰ মানুহৰ বিষয়ে ভাবে যে ভাৰতবৰ্ষৰ মানুহে এইদৰে পৌৰাণিক পদ্ধতি লৈয়েই আছে আৰু লৈয়েই থাকিব ; তেনেক্ষেত্ৰত ভাৰতৰ মানুহে কি ভাবে নতুন পদ্ধতিলৈ আগ বাঢ়িব ? কিন্তু এতিয়া ভাৰতবৰ্ষৰ মানুহে সম্পূৰ্ণ কৃতকাৰ্য্য হোৱা নাই বুলি মই কব নোৱাৰোঁ। আৰু কিছু কিছু ক্ষেত্ৰত আমাৰ অসম চৰকাৰেও যে আগবাঢ়িছে সেইটো মই নুই কৰিব নোৱাৰোঁ।। কাৰণ আমাৰ ভাৰতবৰ্ষত ১৯৬৪-৬৫ চনত ঘেহুঁ উৎপাদন হৈছিল ১২'৩ নিযুত টন। তাৰ পৰা গৈ ১৯৬৮-৬৯ চনত ১৮'৭ নিযুত টন ; এইদৰে অন্যান্য সামগ্ৰীৰ উৎপাদনো বাঢ়িছে। এই উৎপাদন বঢ়োৱাৰ মূল কথা হ'ল যে যি বিলাক ঠাইত খেতিয়কে বিজ্ঞান পদ্ধতিৰে যন্ত্ৰপাতি প্ৰয়োগ কৰি খেতি কৰিছে সেই বিলাক ঠাইতেই খেতিয়কে উৎপাদন লাভ কৰিছে। ভাৰত চৰকাৰৰ হিচাব মতে ধান চাউলৰ উৎপাদনৰ ক্ষেত্ৰতো তেনেকৈ বৃদ্ধি কৰিছে। কাৰণ ১৯৬৪-৬৫ চনত চাউল উৎপাদন হৈছিল ৩৯'৩ নিযুত টন, ১৯৬৫-৬৬ চনত ৩০'৭ নিযুত টনলৈ নামিল আৰু সেইদৰে ১৯৬৬-৬৭ চনত আকৌ ৩০'৪ নিযুত টনলৈ নামিছিল, কিন্তু ১৯৬৭-৬৮ চনত আকৌ ৩৭'৬ নিযুত টনলৈ বৃদ্ধি পালে আৰু ১৯৬৮-৬৯ চনত বাঢ়িগৈ ৩৯'৮ নিযুত টন হ'ল, আৰ্থৎ এইটো ১৯৬৪-৬৫ চনৰ সমকক্ষ হ'ল। এই প্ৰসঙ্গত মই মাত্র কব বিচাৰিছোঁ যে কিছুমান ক্ষেত্ৰত আমাৰ

*Speech not corrected

ভাৰতবৰ্ষই প্ৰগতি লাভ কৰিছে আৰু কিছুমান ক্ষেত্ৰত উন্নতি কৰিব পৰা নাই আৰু আমাৰ অসমেও এই বিলাক ক্ষেত্ৰত তেনেকৈয়ে আছে, যি বিলাকত ভাৰতবৰ্ষই সামগ্ৰীক ভাৱে উন্নতি কৰিব পৰা নাই। কিন্তু ধান চাউলৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অন্য প্ৰদেশ বিলাকে উৎপাদন বৃদ্ধি কৰিব পৰা নাই যদি আমাৰ অসমে কিছু উন্নতি কৰিছে। কাৰণ ১০০ ক মাধ্যম ধৰি যদি হিচাব কৰা যায় তেন্তে ১৯৫৫-৬৫ চনত আমাৰ চাউলৰ উৎপাদন আছিল ১০৯.০০ আৰু তাৰ পৰাবাঢ়ি গৈ ১৯৬৮-৬৯ চনত ১২২.৪ লৈ বৃদ্ধি পাইছে। অৰ্থাৎ যি ক্ষেত্ৰত ভাৰতবৰ্ষত ধানৰ উৎপাদন বঢ়া নাই সেই ক্ষেত্ৰত অসমত শতকৰা ২৩% ভাগ বৃদ্ধি পাইছে। ইয়াৰ দ্বাৰাই বুজা যায় যে অসমত খাদ্য সমস্যা সম্পূৰ্ণ সমাধান হৈছে। আৰু এইদৰে ঘেহুৰ ক্ষেত্ৰতো উৎপাদন যথেষ্ট বাঢ়িছে। ঘেহু ১৯৫৫-৫৬ চনত যদি মাধ্যম ১০০ ধৰো তেতিয়াহলে ৪০.৩৯ বাঢ়িছে; অৰ্থাৎ চাৰিগুণ বাঢ়িছে। ইয়াৰ দ্বাৰা বুজা যায় যে কমেও ঘেহু উৎপাদন বাঢ়িছে। অৱশ্যে জনসংখ্যা যি দৰে বাঢ়িছে সেইদৰে খাদ্য উৎপাদন বঢ়া নাই; সেই ফালৰ পৰা কব পাৰি যে—অসমত কৃষি উৎপাদনৰ কাৰণে একোৱেই কৰা নাই। সেই কাৰণে উৎপাদন বঢ়া নাই। কিন্তু যি সময়ত ভাৰতবৰ্ষই বিদেশৰ পৰা খাদ্য সামগ্ৰী আমদানী কৰিব লগীয়া হৈছিল সেইসময়ত অসমৰ পৰা প্ৰায় দুহেজাৰ কুইন্টল চাউল বাহিৰলৈ ৰপ্তানী কৰিছে। কিন্তু মই কব খোজা নাই যে আমাৰ ইয়াত আদৰ্শনীয় ভাবে যথেষ্ট বৃদ্ধি হৈছে। এই প্ৰসঙ্গত মই কব বিচাৰিছোঁ যে অসমৰ শেহতীয়া পিয়লমতে জনসংখ্যা প্ৰতি বছৰি .৩ জন বৃদ্ধি হৈছে। অৰ্থ্যৎ ১০ বছৰ পাছত গনণা কৰিলে দেখা যাব যে ১০০ ৰ ঠাইত ১০৩ জন হব। গতিকে শতকৰা ৩% জন বাঢ়িছে। কিন্তু আমাৰ চৰকাৰৰ হিচাব মতে খাদ্য উৎপাদন যদি হিচাব কৰি চোৱা যায়, তেন্তে দেখা যাব যে আমাৰ যিটো Winter Rice, সেইটোও বাঢ়িছে—প্ৰায় শতকৰা ১॥ ভাগ বাঢ়িছে। গতিকে বছৰি যদি জনসংখ্যা এইদৰে বাঢ়ে আৰু উৎপাদন যদি নাবাঢ়ে, তেন্তে কোনোবা এটা সময়ত অসমত বিৰাট অভাবে দেখা দিব।

এতিয়া আমাৰ State ৰ সমস্যা হৈছে যে আমাৰ জনসাধাৰণে যি ধৰণে যাব লাগে বা খোৱাৰ যিটো কেলৰী পাব লাগে সেইটো জনমূৰী হিচাবে পোৱা নাই। গতিকে আমাৰ উৎপাদন বৃদ্ধিৰ কাৰণে চিন্তা কৰিব লগীয়া হৈছে। অৱশ্যে আমাৰ শ্ৰীবৰা ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল যে খেতিয়কে যদি মাটি নেপায়, তেনেহলে কৃষি উৎপাদন হব—কেনেকৈ ? এই ক্ষেত্ৰত তেখেতৰ লগত একমত। কাৰণ পৃথিৱীত যিবিলাক দেশত কৃষকৰ সংখ্যা কম, তাত কৃষি উৎপাদন বেছি হয় আৰু যিলাক দেশত খেতিয়কৰ সংখ্যা বেছি সেইবিলাক দেশত উৎপাদন কম হয়। কিন্তু যিবিলাক দেশত Developing বা under Developing জাতি আছে, সেই বিলাক দেশৰেই মাটিৰ ওপৰত হেঁচা বেছি গতিকে আজি আমাৰ দেশতো এই অবস্থাই হৈছে।

উদাহৰণ স্বৰূপে ভাৰতবৰ্ষৰ গাৰত শতকৰা ৮০ ভাগ খেতিয়ক—তাৰ ভিতৰত ৭৪৪ জনেই খেতিয়ক। আনহাতে আমেৰিকাত শতকৰা ১২ ভাগেই খেতিৰ মাটি। আমাৰ গড় হিচাবে Man and Land ৰ Ratio হৈছে এজন খেতিয়কৰ গাই-গোটীয়া হিচাবে ·৭৮ একৰ আছিল ১৯৬১ চনত। এতিয়া হৈছে ·২৫ একৰ আৰু পৰিয়াল হিচাবে ভাৰতবৰ্ষত যিমান খেতিয়ক পৰিয়াল আছে শতকৰা ৪০ ভাগৰে সমূলি মাটি নাই। তাৰ ফলত গড় হিচাবে পট্টাত ১ একৰকৈ আছে! এই ১ একৰ মাটিত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাটো সম্ভৱপৰ হয়নে? গাই-গোটীয়া ভাৱে সম্ভৱপৰ নহয়। ইয়াত আনকি বৈজ্ঞানিক পদ্ধতিৰে সাৰো ব্যৱহাৰ কৰিব নোৱাৰে। Holding কম হলে আধুনিক কৰিবপৰা নহয়। খেতিয়কৰ অৱস্থা ভাল কৰিবলৈ হলে গাই-গোটীয়া পৰিয়াল অনুপাতে মানুহৰ মাটিৰ পৰিমাণ বঢ়াব লাগিব। আমাৰ For.st এলেকাত যি বিলাক পতিত মাটি আছে সেই বিলাক আমাৰ খেতিয়কক দিব লাগে। অধ্যক্ষ মহোদয় আজি আমাৰ গাওঁবিলাকত ভালধৰণে Investigatio । কৰি ব্যৱসায় বাণিজ্যৰ সুবিধা কৰি এটা Intregate Plan কৰি খেতিৰ ব্যৱস্থা কৰিব লাগিব। আজি সকলো ধৰণৰ চেষ্টা কৰি আমাৰ খেতিৰ অৱস্থা ভাল কৰিব লাগিব।

সিদিনা মোৰ দিল্লীত F.C.I. ৰ মিটিংত বঢ়াৰ সৌভাগ্য হৈছিল যত আছিল Air condition Hall। আজি আমাৰ খেতিৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে কোনো পৰিকল্পনা নোহোৱাৰ কাৰণেই আজি এই অৱস্থা হৈছে। এনেকুৱা এটা ব্যৱস্থাত ইমান কম মাটিত বৈপ্লৱিক পৰিবৰ্ত্তন অনাৰ কথা কয়। এই বৈপ্লাৱিক পৰিবৰ্ত্তন আনিবলৈ হলে বৈপ্লাৱিক ব্যৱস্থাও কৰিব লাগিব। কেৱল Man & Land বঢ়ালেই বৈপ্লৱিক পৰিবৰ্ত্তন নহয়। এই খেতিৰ কাৰণে যি বৈপ্লৱিক ব্যৱস্থা কৰা হৈছে তাত সৰহভাগ মানুহকে জৰিত কৰিব লাগিব। আমাৰ শতকৰা ৪০ জন, ⅘ ভাগ মানুহেই Green-Revolution ৰ ফল ভোগ কৰিবলৈ নাপায়। শতকৰা ৬০ জনৰ লগতে বাকীবিলাকো কেনেকৈ অনুপ্ৰানিত হয় তাৰ কাৰণে যত্ন কৰিব লাগে। আজি কৃষিবিভাগে কৃষিৰ সম্প্ৰসাৰন কৰিবলৈ হলে আমি এই বিলাক কথা চিন্তা কৰিব লাগিব।

(সময়ৰ সংকেত)

অধ্যক্ষ মহোদয়, মই এইবাৰ মুখ মেলাই নাই। সেইকাৰণে মোৰ কিছুমান কথা আছে অলপ কম। আমাৰ আজি খেতিৰ বিষয়ত Plan কৰিব লাগিব। আজি অকল চাউল কেইটাৰ ওপৰতে নিৰ্ভৰ কৰিলে নহয়। আজি খাদ্য বুলিলে যে, অকল চাউল কেইটা খায়ে থাকিব পাৰে—সেইটো নহয়। দাইল আদি সামগ্ৰী, যি বিলাক দৰকাৰী বস্তু সেইবিলাকৰো উৎপদেন কৰিব লাগিব। ইয়াত যদি আমি প্ৰোটিন যুক্ত মাংসৰ কথা কও—তেতিয়াহলে এইটো অপ্ৰসাংগিক হব। কিন্তু আমি আজি প্ৰোটিনযুক্ত খাদ্যৰ উৎপাদন বঢ়াৰ লাগিব। আজি প্ৰোটিনৰ ক্ষেত্ৰত Gram ত ৪০ ত আৰু Pulse ত ৬৯ gram আছে। ইয়াৰ Ratio টো বৰ বেটি নহয়। আনফালে আমাৰ অসমৰ চাহত হৈছে ১০৪ gram. Fruits & Vegetables আছে ১৩৭ gram, এইদৰেই আজি আমাৰ বিভিন্ন খাদ্যত বিভিন্ন পৰিমাণৰ প্ৰোটিন আছে। কিন্তু ইয়াত যি Gap এইটো Gap পুৰাবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়। আৰু এটা কথা কৈ শেষ কৰিম। আজি নতুন নতুন পদ্ধতি লৈ আমাৰ খেতিৰ ব্যৱস্থা উন্নতি কৰিব লাগে। ইয়াৰোপৰি farming ৰ যি ব্যৱস্থা কৰিছে তাতো চৰকাৰ ফলৱতী হোৱা নাই। আজি ইয়াত আমোলাতান্ত্রিক ব্যৱস্থাৰ কাৰণেই এইটো ফলৱতী হোৱা নাই। এই বিলাক কাগজে পত্রে আছে। আমাৰ কৃষিমন্ত্রীয়ে মোৰ বোধেৰে আমাৰ যি কৃষি বিশ্ববিদ্যালয় আছে তাত কৃষিত M.sc. Ph.d. ৰ যিখিনি farming Education দিব লাগে, আশাকৰো আমাৰ কৃষিমন্ত্রীয়ে এইটোত জোৰ দিব।

ইয়াৰো পৰি আমাৰ কিছুমান Voluntary সংগঠন কৰিব লাগে যাৰ দ্বাৰা আমাৰ কৃষিৰ উন্নতি হব পাৰে। তাৰোপৰি আমাৰ যি গৱেষনাৰ ব্যৱস্থা আছে—এই গবেষনাবোৰ Item Based হৈ আছে। Area Based গৱেষনা হোৱা নাই।

সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰো যেন, আমাৰ চৰকাৰে এই গবেষনাৰ ব্যৱস্থাটো ভাল কৰে যাৰ দ্বাৰা খেতিয়কৰ উন্নতি সাধন হয়।

*M. Shamsul Huda : আমাৰ এই যিটো কৃষি বিভাগ—বহুবাৰ আমি কৈছো যে, এই কৃষি বিভাগৰ লগত আমাৰ খেতিয়কৰ জীৱনৰ কোনো সম্পৰ্ক নাই। কৃষিৰ লগত এই বিভাগৰ সম্পৰ্ক আছে—কাৰণ, এই বিভাগ কৃষিৰ ওপৰতে খাই জীয়াই আছে। কিন্তু তেওঁবিলাকে কৃষিৰ উন্নতি কৰিবপৰা নাই। এইটো আমি পৰিস্কাৰ ভাৱে দেখিছো যে, এই বিভাগত ৪ কোটি ৫৭ লাখ টকা অধিক ধৰিছে। তাৰ ভিতৰত সকলো টকা D. A. T. A. contingency, Honarrium তে যায়। কিন্তু খেতিয়কৰ উৎপাদন বৃদ্ধিৰ কাৰণে কোনো ব্যৱস্থা কৰা নাই। আৰু ইয়াৰ ভিতৰত আমি কোনো Productive purpose দেখা পোৱা নাই।

*Speech not corrected

ইয়াৰ কোনো plan purpose আজিলৈকে নাই। আনহাতে আমি দেখিছো খাদ্যবস্তু যিখিনিৰ প্ৰয়োজন সেইখিনি উৎপাদন কৰিব পৰা নাই। এটা ঘাই বিষয় আমাৰ প্ৰধান হৈছে—যে খাদ্য-বস্তু আমাৰ কমপক্ষেও প্ৰতিবছৰে ৪ কোটি কুইণ্টল লাগে। ইয়াৰো-পৰি আমাৰ কিছুমান বস্তু যেনে—আমাৰ দাইল জাতীয় বস্তু ৰহৰ, মচু, আদি বাহিৰৰপৰা অনা হৈছে। তাৰ প্ৰতি লক্ষ কৰা নাই। ঘেহু, গম, আদি বাহিৰৰপৰা আনিছে। এইবোৰত কোটি কোটি টকা বছৰি আমি বাহিৰৰ লোকক দি আছো তাৰ প্ৰতি আমি লক্ষ ৰখা নাই। এই কথাবিলাক ঢাকি ৰাখি আমাৰ চৰকাৰে গৌৰৱ কৰিছে আৰু ভঙা ঢোল কোৱাইছে, আমি তাৰ ছেৱে ছেৱে নাচিছো। আমাৰ প্ৰয়োজনীয় খাদ্য বস্তুখিনি আমাৰ ইয়াত আজিলৈকে উৎপাদন কৰিব পৰা নাই।

কংগ্ৰেছ চৰকাৰৰ সমৰ্থনকাৰী ২/৪ জন সদস্যই কৈছে যে এই বছৰ আগতকৈ উৎপাদন বাঢ়িছে। কিন্তু এইবোৰ সত্যৰ অপ-লাপ মাত্ৰ। যোৱা ৪ বছৰৰ আগতে অসমৰ মানুহে যি পৰিমাণৰ মাটিত তেওঁলোকে খেতি কৰিছিল এই বছৰ তাতকৈ বহু পৰিমাণৰ মাটিত তেওঁলোকে খেতি কৰিছিল।

উপাধ্যক্ষ মহোদয়, এই চৰকাৰে খেতিয়কক মাটি দিব পৰা নাই গতিকে তেওঁলোকে Forest বিভাগৰ মাটি ভাঙি খেতি কৰিছে, আমাৰ V. G. R. P. G. R. দখল কৰিছে আৰু তাত খেতি কৰিছে বাবেই সামান্যতম উৎপাদন হয়তো বাঢ়িছে কিন্তু তুলনা মূলক ভাৱে খেতি এই বছৰ বাঢ়িছে বুলি চৰকাৰে বুকুত হাত দি কব নোৱাৰে। বিঘাই প্ৰতি যিটো উৎপাদন সেইটো তুলনা মূলক ভাৱে কমি আহিছে। পানীৰ অভাৱত খেতিয়কে খেতি কৰিব পৰা নাই। বা কেতিয়াবা অতিৰিক্ত পানীয়ে খেতি পথাৰ নষ্ট কৰিছে। খেতিয়কে বৰো খেতি কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, কেতিয়াবা বানপানীৰ বাবে আৰু কেতি-য়াবা পানীৰ অভাৱৰ বাবেই আমাৰ খেতিয়কে খেতি কৰিব পৰা

নাই। আজি সাৰৰ কথা আমি কৈছো। কিন্তু সাৰ দি খেতি কৰিব পৰা খেতিয়ক আমাৰ নাই। কৃষি বিভাগে সাৰ মজুত ৰাখিছে কিন্তু তাৰ ব্যৱহাৰ ৰাইজক শিকাব পৰা নাই। বছৰি ৩-৪ টা খেতি খেতিয়কে কৰা দৰকাৰ! কিন্তু উপযুক্ত সময়ত পানী যোগানৰ অভাৱৰ বাবে আমাৰ কৃষকে খেতি কৰিব নোৱাৰে। মাঘ মাহৰ আলুখেতি আমাৰ খেতিয়কে কৰিব পাৰে। এই আলু কৰিবলৈ পানীৰ দৰকাৰ। ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰে যদি আমি পানীৰ যোগান দিব পাৰো তেনেহলে আমি কোটি কোটি মোন আলু উৎপাদন কৰিব পাৰো। সেইদৰেই বানপানীয়ে শস্য নষ্ট কৰিছে। বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে লাখ লাখ, কোটি কোটি টকা খৰছ কৰি বান্ধ বান্ধিছে কিন্তু সেইবোৰ পানীয়ে ভাঙি যায়। গতিকে আৱশ্যক পৰিমাণৰ পানী লৈ খেতি কৰিবলৈ হলে সুবৃহৎ জলসিঞ্চনৰ আজি নিতান্তই প্ৰয়োজন। কিন্তু আজি ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাকে কৰিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, জলসিঞ্চনৰ ক্ষেত্ৰত দেখিছো এই বাজেটত এটা পইচাও ধৰা নাই। Power Pump Industry, fertlizer Industry ত এটা নয়া পইচাও ধাৰ নাই তাৰ বাহিৰেও আৰু এটা কথা ২০২ পৃষ্ঠাত কি আছে চাওক। এক পইচা সাৰত ধৰা নাই। এই বিলাক সম্পৰ্কত এক পইচা ধৰা নাই। মন্ত্ৰীৰ পৰা আৰম্ভ কৰি কৰ্ম্মচাৰী সকলৰ দৰমহা, বানচ, T.A. আদি ধৰিছে। গতিকে তাৰপৰা কোনো উপকাৰ হোৱা নাই। যদি কৃষি উৎপাদনৰ জৰিয়তে উন্নতি কৰিব লগা হয় আৰু কৃষিৰ সমস্ত বস্তু উৎপাদন কৰিব লগা হয়, তেন্তে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব আৰু আনহাতে বানপানী আহি যাতে ক্ষতি কৰিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব।

তৃতীয়তে পোক পৰুৱাই আমাৰ খেতি নষ্ট কৰে। আমাৰ ইয়াত বুটৰ খেতি ভাল হয়। বুটৰ গছ দেখি বিহাৰৰ মানুহে আচৰিত মানে। কিন্তু সেই বুটমাহ পোকে খাই নষ্ট কৰে। winter

season ত আলুখেতি জুই জলাদি জ্বলি যায়। গতিকে মাটি পৰীক্ষা কৰি, পোক পৰুৱা মৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ গোটেই দেশত আহু, মৰাপাট দুৰাবৰ্কে সিচিব লগা হৈছে। কাৰণ এই বিলাক সিচি দিয়াৰ লগে লগে উইচিৰিঙাই খাই শেষ কৰিছে। তাক মৰাৰ কাৰণ কৃষি বিভাগৰ অফিচতটো দেৰাই নাই, বজাৰতো নাই। কৃষকে ভাবে যে এই কৃষি বিভাগটো যদি উঠাই দিয়া হয় তেন্তে উপকাৰ হয়। আমি যাতে চাউল, গম, আলু, পিয়াজ আদি উৎপাদিত বস্তুৰ ওপৰত নিৰ্ভৰশীল হব পাৰে, তাৰ ব্যৱস্থা কৰিব লাগে। সচাকৈয়ে যদি কৃষি উন্নয়ন কৰিবলৈ হলে অসম কৃষিৰ ওপৰত নিৰ্ভৰশীল হবলৈ হলে, Surplus উৎপাদন লাগিব। নিজৰ জোখাৰে উৎপাদন কৰাৰ উপৰিও Surplus Production বাহিৰলৈ Export কৰিব পাৰিলে আমাৰ আৰ্থিক অৱস্থা উন্নত হব। কৃষিৰ ওপৰত নিৰ্ভৰ কৰি আজি শিল্প প্ৰতিষ্ঠা কৰিব পাৰো। কুঁহিয়াৰ খেতিৰ উৎপাদন বঢ়াব পাৰিলে আমি চেনিকল বহুৱাব পাৰো। মৰাপাটৰ উৎপাদন যদি বিঘাই প্ৰতি বঢ়াব পাৰো, তেন্তে মৰাপাটৰ কল বহুৱাব পাৰো। মৰাপাটৰ পেলনীয়া বস্তুৰে কাগজৰ মণ্ড তৈয়াৰ কৰি কৃষিৰ সামগ্ৰীক ভাবে উন্নতি কৰিব পাৰো। আমাৰ ৰাজ্যত কৃষিৰ ওপৰত বহুত শিল্প প্ৰতিষ্ঠা কৰিব পাৰো।

Shri Dulal Chandra Barua : উপাধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰ কব বিচাৰিছো। আজি স্বাধীনতা পাবৰ প্ৰায় ২৩ বছৰত সোমাল। এই ২৩ বছৰৰ ভিতৰত তিনিটা পৰিকল্পনা পাৰ হৈ গ'ল চতুৰ্থ পৰিকল্পনাত ভৰি দিছো। কিন্তু আমি লক্ষ্য কৰিব লাগিব যে আমাৰ এখন কৃষি প্ৰধান দেশ হিচাবে, বৰ্ত্তমান যত ৮৫% পৰা ৯৫% ভাগ লোকে কৃষিৰ ওপৰত নিৰ্ভৰ কৰে, এই দেশখনে কৃষি - উদ্যোগৰ ক্ষেত্ৰত কিমান দূৰ আগবাঢ়িছে তাক আমাৰ হিচাব কৰি চাবৰ হ'ল। চৰকাৰৰ পক্ষৰ আৰু মাননীয় সদস্য শ্ৰীযোগেন শইকীয়াই যি হিচাব দিছে, সেই হিচাবত দেখুৱাই যে—আজি কেইবছৰত কৃষিৰ ক্ষেত্ৰত বহু দূৰ আগবাঢ়ি গৈছে। কিন্তু প্ৰকৃত পক্ষে সেইটো নহয়। ইয়াত এটা কথা লিখিছে।

Study for Plan, achievement and programme for 1970-71. "Re-orientation of programme for agricultural porduction was undertaken as a step towards making a break-through such agriculture. The programme for increasing adoption of high-yielding varities like manures and fertilizers as well as modern technique have been specially made. This approach has now started yielding results and agriculture production for the past 3 years has become somewhat stabilised and also indicated that it was capable of making further advance".

| | | |
|---|---|---|
| Punjab | 98.2% | production |
| Bihar | 84.2% | ,, |
| U.P. | 86.4% | ,, |
| Assam | 14.2% | ,, |

এইটো কথা কাগজত থকা কথা, প্ৰকৃততে এইটো কৰ্ম্মক্ষেত্ৰৰ কথা নহয়। মই বন্ধুবৰ বৰা ডাঙৰীয়াৰ লগত একমত। কাৰণ যদি আমি কৃষি উন্নয়ন কল্পে অধিক সা-সজুলীৰ যোগান ধৰি অসমৰ সোনৰ নিচিনা মাটিত কৃষি কাৰ্য্য কৰিলোহেতেন, তেতিয়া হলে আজি অসমৰ ৰাইজে নিজে খাইও আনকো খুৱাব পাৰিলেহেতেন ইয়াত ধুনীয়াকৈ লিখা হৈছে এই ক্ষেত্ৰত যথেষ্ট পৰিমানে কৃষি বৃদ্ধি কৰিছে। কিন্তু কাৰ্য্যত ঃ সেইটো নহয়। অসমত বতৰ ভাল হোৱা কাৰণে আৰু ৰাইজে খেতিৰ বিষয়ত বিশেষ ভাবে মনোযোগ দিয়াৰ কাৰণে যোৱা তিনিবছৰ ধৰি অলপ খেতি হৈছে। কিন্তু চৰকাৰৰ কোনো প্ৰচেষ্টাৰ ফলত নহয়।

উপাধ্যক্ষ মহোদয়, যোৱা ৬ বছৰৰ ভিতৰত কৃষিৰ production পঞ্জাৱত বাঢ়িছে ৯৮·২% বিহাৰত বাঢ়িছে ৮৪·২,% U.P. ত বাঢ়িছে ৮৬·৪% whereas আমাৰ অসমত ১৯৬২ চনৰ পিচত তৃতীয়

পৰিকল্পনাৰ শেষত বাঢ়িল মাত্ৰ শতকৰা ১৪·২, গতিকে দেখা যায়, যে মাটিৰ তুলনাত যদি নীতিগত ভাৱে উৰ্ব্বৰা শক্তি বৃদ্ধি কৰিব পাৰিলো-হেতেন, আজি অসমৰ এনেকুৱা অৱস্থা হৈ নেথাকিলহেঁতেন। অসমৰ সম্বন্ধিৰে সেউজীয়া অঞ্চলৰ সৃষ্টি কৰিলহেঁতেন।

উপাধ্যক্ষ মহোদয়, মই ভাৰতবৰ্ষৰ বিভিন্ন জেগা ভ্ৰমণ কৰি যিটো দেখিলো যে আমাৰ অসম সেউজীয়া দুৰ্ব্বল অঞ্চলত পৰি-ণত হৈছে আৰু অন্য হাতেদি পঞ্জাৱ, বিহাৰ, মহাৰাষ্ট্ৰ, গুজৰাট, উত্তৰ-প্ৰদেশ আদি অঞ্চলত তাৰ সুনিয়ন্ত্ৰিত কৃষি ব্যৱস্থাৰ দ্বাৰা প্ৰকৃত সেউ-জীয়া অঞ্চলত পৰিণত হৈছে। পুৰণি কলীয়া কৃষিপদ্ধতিযদি পৰিত্যাগ কৰা নহয়, আধুনিক উন্নতৰ প্ৰণালীৰে যদি আমাৰ কৃষকসকলক সহায় সহানুভূতি দেখুউৱা নহয় বা উদ্যোগৰ লগত সামঞ্জস্য ৰাখি কৃষিৰ ক্ষেত্ৰত প্ৰগতিবাদী দৃষ্টি ভঙ্গী গ্ৰহণ কৰা নহয় তেন্তে কোনো কালেই অসমৰ এই সূচনীয় অৱস্থাৰ মষিমূৰ নহব। কৃষি সম্পৰ্কীয় সকলো বাচনি আমাৰ কেৱল কাগজে পত্ৰইহে সীমাবদ্ধ হৈ আছে। তাৰ ওচৰ সীমাই পোৱাকৈ নাই। কেনেকৈ যোৱা নাই উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই কেইটামান কথা ডাঙি ধৰিব খুজিছো প্ৰথম কথা হৈছে, আমাৰ Economic Survey ১৯৫২ চনৰে পৰা হিচাব কৰি দেখুৱাইছে। সেই মতে ১৯৬২-৬৬ লৈ ১৪০ হেজাৰ হেক্টৰ। তাৰ পিছত ৬৬-৬৭ চনত ৪ লাখ ৯ হেজাৰ হেক্টৰ হৈছে। আমাৰ কৃষকসকলে বেচি মাটি আবাদ কৰি কৃষি উৎপাদন কৰিবলৈ লৈছে। কিন্তু চৰকাৰে দেখুৱাবলৈ গৈছে উন্নত পদ্ধতিত খেতি কৰাৰ কাৰণে উৎপাদন বাঢ়িছে। কিন্তু আজি কৃষকে কৃষি-বিভাগৰ পৰা পৰামৰ্শ সহায়-সুবিধা আদি পাই কৃষিৰ উৎপা-দন বঢ়োৱা কথাটো সত্য নহয়। প্ৰকৃত কথা হৈছে কৃষক সকলে কৃষিৰ উৎপাদন বৃদ্ধিৰ কাৰণে কৃষি-বিভাগৰ পৰা কোনো সহায় সুবিধা পোৱা নাই। কিন্তু তথাপি কিছু যে উৎপাদন বাঢ়িল ইয়াৰ অৰ্থ কি? ইয়াৰ অৰ্থ হ'ল কৃষকসকলে—তেওঁলোকৰ অভিজ্ঞতা অনুসৰি বেছি মাটি আবাদ কৰি খেতি কৰাৰ কাৰণেহে এই উৎপাদন বাঢ়িছে। মানুহৰ জনসংখ্যা বঢ়াৰ লগে লগে উন্নয়নমূলক আচনিৰে চৰকাৰে--কৃষি ব্যৱ-

স্থাত আগবাঢ়িব পৰা নাই। কৃষি উন্নয়ণৰ কাৰণে যিওবা Project আদিৰ আচনি কৰিছে সিও চৰকাৰৰ শিথিলতাৰ কাৰণে কৃষিৰ উন্নয়ণৰ প্ৰধান অন্তৰায়হে হৈ পৰিছে। কৃষি উৎপাদন অধোমুখীহে হৈ গৈছে। আধুনিক উন্নতৰ প্ৰণালীৰে কৃষকক সজ্জিত কৰি উৎসাহ যোগাব পৰা নাই।

অনান্য ক্ষেত্ৰত Agricultural Development Scheme ৰ দ্বাৰা অলপ উন্নতি কৰিছে যদিও বৰ্দ্ধিত জনসংখ্যাৰ হাড়ৰ লগত সমন্বয় ৰক্ষা কৰিব পৰা নাই। আজি কি কৃষিৰ ক্ষেত্ৰতেই হওক বা উদ্যোগৰ ক্ষেত্ৰতেই হওঁক—যিটো Out-look-তাৰ সম্পূৰ্ণ পৰিবৰ্ত্তন সাধন কৰিব লাগিব। প্ৰকৃত উপযুক্ত খেতিয়কক চম্ভালিব পৰাকৈ মাটি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে তেওঁলোকক আধুনিক প্ৰথা পদ্ধতিৰেও সজ্জিত কৰি লব লাগিব। তাৰোপৰি আৰ্থিক সাহাৰ্য্য আদিও দিব লাগিব। কিন্তু এতিয়ালৈকে আমাৰ কৃষকক এইবোৰ দিব পৰা নাই যাৰ ফলতেই আজি এই অৱস্থাৰ সৃষ্টি হৈছে। আনহাতেদি যিখিনি মাটি আছে তাতো উৰ্ব্বৰাশক্তি বৃদ্ধি কৰিব পৰা ব্যৱস্থাৰ পৰা আমি আমাৰ খেতিয়ক সকলক বঞ্চিত কৰি আহিছো। উদাহৰণ স্বৰূপে ধান খেতি কৰিবৰ কাৰণেই চৰকাৰে উৎসাহ দি আহিছে আৰু তাৰ কাৰণে বীজ আদিও দিছে; কিন্তু ধানৰ পিছত আৰু অন্য খেতি কৰিবলৈ চৰকাৰে বিশেষ আগ্ৰহ দেখুউৱা নাই। চৰকাৰে নানান সভাই-সমিটিয়ে বক্তৃতা দিছে, কিন্তু বাস্তৱ ৰূপ দিবলৈ কোনো কাৰ্য্যকৰী পন্থা লোৱা নাই—। ফলত বহুত মাটি উৰ্ব্বৰাশক্তি হীন হৈ আবাদী হৈ পৰি আছে। গাওঁ বিলাকত এনে মাটি বহুতো আছে য'ত দ-খেতি হব নোৱাৰে আৰু কম খেতিও নকৰাৰ কাৰণে আবাদী হৈ পৰি আছে। অথচ তাত বাম খেতিও প্ৰচুৰ হোৱাৰ সম্ভাৱনা আছে। তাৰ কাৰণে দৰ্কাৰী ব্যৱস্থা নোলোৱাৰ কাৰণেই আবাদী হৈ পৰি থাকিবলগা হৈছে। তাৰোপৰি এনে কিছুমান মাটিও আছে- যত ৰছৰৰ পিছত বছৰ ধৰি একেটা খেতিকে কৰি থকাৰ পিছত সেই খেতিটোও আকৌ ভাল নোহোৱা হৈ পৰিছে—।

উপাধ্যক্ষ মহোদয়, আমাৰ শ্ৰীবৰা ডাঙৰীয়াৰ লগত মইও এক-

মত যে—আজি অনান্য দেশত বিশেষকৈ ৰাচিয়া, আমেৰিকা আদি দেশত যেনেকৈ প্ৰগতিবাদী কৃষি পদ্ধতি প্ৰৱৰ্ত্তিত হৈছে তেনেকুৱা উন্নততৰ পদ্ধতি আমাৰ দেশতো প্ৰৱৰ্ত্তন কৰা একান্ত প্ৰয়োজন হৈ পৰিছে। সাতাম পুৰুষীয়া পূৰ্ব্বাপৰ চলি অহা—কৃষি-পদ্ধতিৰে আৰু কাম নচলিব। বৰ্ত্তমান ভাৰতীয় কৃষি-পদ্ধতিৰ ওপৰত Research কৰি তাৰ প্ৰকৃত উপায় উদ্ভাৱন কৰিব লাগিব। ইয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা সুযোগ সুবিধা দিব লাগিব।

উপাধ্যক্ষ মহোদয়, আমাৰ স্থাপিত হোৱা Agricultural university ক—কৃষিৰ ওপৰত পুঙ্খানুপুঙ্খ বিশ্লেষণৰ দ্বাৰা জনসাধাৰণক উপকৃত কৰিবলৈ সম্পূৰ্ণভাৱে দায়ীত্ব দিব লাগে। লগে লগে ইয়াৰ দ্বাৰা মানুহক farmingৰ training দিয়াৰো ব্যৱস্থা হব লাগে। ইয়াৰ কাৰণে Agricultural Department, Agricultural university আৰু চৰকাৰৰ মাজত সক্ৰিয় সহযোগৰ আৱশ্যক। কৃষক সকলক well trained কৰি তুলিব লাগিব।

উপাধ্যক্ষ মহোদয়, যি উদ্দেশ্যেৰে Food Corporation গঠন কৰি দিয়া হৈছে সেই উদ্দেশ্য সাধনত ই কৃতকাৰ্য্য হব পৰা নাই। অনেক জেগাত উৎপাদিকা শক্তিহীন হৈ বীজ দম হৈ পৰি আছে। গতিকে Food-Corporation ৰ আসোঁৱাহ বিলাক নিৰ্মূল কৰি তাক জনসাধাৰণৰ যথাৰ্থ উপকাৰত লগাবৰ কাৰণে সংলিষ্ঠ বিভাগে ক্ষীপ্ৰ আৰু ফলপ্ৰসু আঁচনি লব লাগে।

আজি প্ৰগতিবাদী বৈজ্ঞানিক কৃষি পদ্ধতিৰ কাৰণে জাপান আদি বিদেশী ৰাষ্ট্ৰৰ পৰা যিবোৰ সা-সৰঞ্জাম আনিছে—সেইবোৰ আমাৰ অসমীয়া ৰাইজৰ হাতত আছেনে নাই—সিও বিচাৰ্য্য—। এইবিলাক বস্তু বিশেষকৈ ট্ৰেক্টৰ আদি নানান বস্তু বিদেশৰ পৰা আনি আছে কিন্তু সি আমাৰ খেতিয়কৰ হাতত পৰা নাই। এই বিলাকৰ নামত খৰছ দেখুউৱা হৈছে যদিও এই বস্তু বিলাক গৈছে বিহাৰ পঞ্জাৱ আদি অসমৰ বাহিৰৰ জেগালৈহে। সকলো বিলাক বস্তু বাহিৰা মানুহে ইয়াৰ পৰা লৈ গৈছে। তদুপৰি Agro-Indus-

trial Development-Corporation ত বহুত টকাৰ খেলি-মেলি হৈ আছে। লগতে ঘৰ ভাড়াৰ বিষয়ে এটা কথা কওঁ যে—Agro-Industiral Corporation ৰ Managing Director ৰ জনৰ কাৰণে গুৱাহাটীত ২ হেজাৰ ৫০০ টকাৰ এটা ঘৰ ভাড়া কৰি লোৱা হৈছে। তেনে এজন অফিচাৰৰ কাৰণে—৫০০ টকাৰ এটাৰ ঘৰেই যথেষ্ঠ হোৱা সত্ত্বেও ২ হেজাৰ ৫০০ টকাৰ ঘৰ লোৱাৰ প্ৰয়োজনীয়তা ক'ত? ইয়াৰ এটা সবিশেষ জ্ঞানৰ দৰকাৰ—।

উপাধ্যক্ষ মহোদয়, Agriculture Department ৰ Publicity Department টো একেবাৰেই weak, ই কোনো কামেই কৰিব পৰা নাই বুলিলেই হয়। Agricultural Development ৰ কাৰণে ইয়াৰ গুৰুত্ব আছে গতিকে চৰকাৰে এই Department টোৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে training লৈ অহা মানুহ বিলাকক নিয়োগ কৰিব লাগে। তাৰ পাচত এটা কথা বিশেষভাৱে লক্ষ্য কৰা উচিত। সেইটো হল আমাৰ Agriculture Publicity আছে সেইটো একেবাৰেই দুৰ্ব্বল। সেইটোৱেনো কি কাম কৰিছে আমি বুজি নাপাওঁ। তথাপি শুনিছো সেইটোৱে বোলে চিনেমা কৰিছে। অসমত চিনেমা Studio থকা স্বত্তেও কলিকতাত চিনেমা কৰিবলৈ গৈ অসম চৰকাৰৰ টকা অপব্যয় কৰিছে। আৰু তাৰপৰা কোনো productive purpose serve হোৱা নাই।

উপাধ্যক্ষ মহোদয়, অসমত জলসিঞ্চনৰ ব্যৱস্থা সম্পৰ্কত মই কব খুজিছো আৰু মন্ত্ৰী মহোদয়েও এইটো কথা কৈছিল যে অসমত জলসিঞ্চনত ব্যৱস্থা ক্ষুদ্ৰ জলসিঞ্চন ব্যবস্থাৰ হাৰ অতি কম।

(Bell ring)

এই ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰ প্ৰতি আমি জোৰ দিব লাগে আৰু Agriculture Engineering ত Gear up কৰিব লাগে।

তাৰ পাচত এই প্ৰসঙ্গত মই এই কথাই কব খুজিছো যে অসমত জুট মিল আৰু চুগাৰ মিল হব ধৰিছে। এই দুয়োটাই আমাৰ ৰাজ্যখনৰ উন্নয়ন কল্পে অতি প্ৰয়োজনীয় ব্যৱস্থা আৰু ইয়াৰ প্ৰতি আমি

জোৰ দিব লাগে। যিবিলাক অনাবাদী মাটি আমাৰ মানুহৰ মাজত এনেয়ে পৰি আছে সেইবিলাক উপযোগী আৰু আবাদী কৰিবলৈ চৰকাৰৰপৰা যি পৰিমাণে সাহাৰ্য্য দিব পৰা যায় সেই পৰিমাণৰ সাহাৰ্য্য দি খেতিৰ উপযোগী কৰি কৃষিক উপযোগী কৰিব লাগে।

তাৰ পাচত মই এটা বিভাগীয় কথা এই প্ৰসঙ্গত মই উল্লেখ কৰো যে ১৯৫৯ চনৰপৰা এই বিভাগটো permanent কৰা হৈছে কিন্তু ইয়াৰ মানুহ বিলাকক confirm কৰা হোৱা নাই। কাৰণ এই Agriculture বিভাগটোৰ Service rule নাই। ফলত এই বিভাগৰ কৰ্ম্মচাৰী সকল Security নোহোৱা হৈছে আৰু সেই কাৰণে এই বিভাগৰ বহুতো ওপৰ থাপৰ চাকৰীয়ালে এই বিভাগৰ কাম এৰি কৃষি বিশ্ববিদ্যালয়লৈ গৈছে বা যাব খুজিছে। এই বিভাগ টোৰ মানুহ বিলাক বিশ্ববিদ্যালয়লৈ যোৱাৰ আগতে এটা Service Rule কৰি দিব লাগে, যাতে এই মানুহ বিলাক ইয়াত থাকিবলৈ ইচ্ছা প্ৰকাশ কৰে। এই বেমেজালীৰ ওপৰিও চৰকাৰৰ এটা Discriminary কাম হৈছে যে কেইজনমান, ওপৰৱালাক মন যোগোৱা কৰ্ম্মচাৰীক rule নোহোৱা স্বত্বও confirm কৰিলে।

আনহাতে Vaterinary বিভাগটো permanent কৰিলে আৰু তাত Service Rule ও কৰিলে।

(Bell)

যোৰহাটৰ Agricultural College ত বহুতো টকাৰ Misappropriation হৈছিল। সেইটো Audit ত ধৰা পৰাত proceedings draw কৰিব লগীয়া হোৱাত Secretariat ৰ পৰা অন্য Audit পঠাই যিজনে Misappropriate কৰিলে তেওঁক ৰক্ষা কৰিলে আৰু তাৰ পাচত Retire হৈ গল এই Misappropriation টোও ১ লাখ টকা জড়িত। এতিয়া তেওঁ যোৱাৰ পাচত অথাৎ কিছুমান সৰু সুৱা কৰ্ম্মচাৰীৰ ওপৰত মাধ মাৰ পৰিছে। এই বিষয়টো চৰকাৰে তদন্ত কৰিব লাগে। মুঠৰ ওপৰত কৃষি বিভাগটো Reorganise কৰিব লাগে তেতিয়াহে আমাৰ কৃষিৰ উৎপাদন বৃদ্ধি হব আৰু

তাৰ লগে লগে নিবনুৱা সমস্যাৰ বহু অংশ সমাধান হব । ইয়াকে কৈ কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰিলো ।

Shri Lakshyeswar Das : উপাধ্যক্ষ মহোদয়, কৃষিৰ শিতানত যি আলোচনা হৈছে তাত অংশ গ্ৰহণ কৰি দুষাৰমান কথা কবলৈ আগ বাঢ়িছো । আজি আমাৰ ৰাজ্যৰ কৃষিৰ উৎপাদন বৃদ্ধি হৈছে সেই-কাৰণেই কৃষিৰ প্ৰচেষ্টাটো শলাগিবলগীয়া । আজি আমাৰ কৃষক সকলক যি ধৰণেৰে কৃষি উৎপাদনত সহায় কৰিব লাগে সেই পৰিমাণে সহায় কৰিব পৰা নাই । আজি আমাৰ মাটিৰ কাৰণেও আমাৰ খেতিয়কসকল কিছুমান সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে । আজি খেতিয়কক খেতি কৰিবৰ কাৰণে গৰু মহ লাগে । এই গৰু মহৰ দাম ইমান বৃদ্ধি হৈছে যে এহাল গৰু বা মহ কিনিবলৈ গলে ২৩ হাজাৰ টকা দিবলগীয়া হয় । আজি অন্যান্য যিবিলাক খেতিৰ কাৰণে সজুলিৰ ব্যৱস্থা কৰিব লাগে সেই ব্যৱস্থা নকৰাৰ ফলত তাতো আমাৰ খেতিয়কসকল বহুখিনি সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে । আজি আমাৰ চৰকাৰে যি Power Tiller ৰ ব্যৱস্থা কৰিছে হয়তো খেতিয়কৰ সহায় হব পাৰে তাৰো দাম অতিপাত বৃদ্ধি পাইছে । এই Power Tiller ৰ কাৰণে বহুতবিলাক মানুহে Agro-Industry ৰ ওচৰত দখাস্ত দিছে । কিন্তু তাতো সমস্যা হৈছে যে এটা Power Tiller পাবলৈ হলে খেতিয়কৰ অন্ততঃ ৭৫ বিঘা মাটি থাকিব লাগে ।

Shri Lakshmi Prosad Goswami : ৩০ বিঘা মাটি থাকিব লাগে ।

Shri Lakshyaswar Das : ৩০ বিঘা মাটি কেইজন কৃষকৰ আছে ? কিছুমানে আধি হিচাবে, চুক্তি হিচাপে খাই আছে । এইসকলে গৰু মহ কিনিব নোৱাৰাৰ কাৰণেহে Power Tiller বিচাৰিছে । মই ভাবো তাৰ কাৰণে চৰকাৰে সহায় কৰিব লাগে ।

কৃষিৰ ক্ষেত্ৰত মই আৰু এটা কথা কব বিচাৰিছো যে আমাৰ কৃষি বিভাগে যিমান টকা খৰচ কৰিব লাগে সিমান টকা খৰচ কৰি হলেও

আমাৰ যিবিলাক পিতনি আছে সেইবিলাক চাফা কৰি খেতি কৰাৰ উপযোগী কৰিব লাগে । আজি কোনো কোনো অঞ্চলত হাজাৰ হাজাৰ বিঘা মাটি পিতনি হৈ পতিত হিচাবে আছে । এই পিতনিবিলাক চাফাকৰি খেতিৰ উপযোগী কৰিব পাৰিলেও আমাৰ মাটি সমস্যাৰ কিছু সমাধান হব আৰু খাদ্যৰ উৎপাদনো বাঢ়িব । কিছুদিনৰ আগতে মই নিজে সদনলৈ অহাৰ আগতে আমাৰ কৃষিমন্ত্ৰীক লগ ধৰি বোকাজানত বহুতো পিতনি ২৩ হাজাৰ বিঘা মাটি থকাৰ কথা কৈছিলো । আৰু এই পিতনিবিলাক পৰিষ্কাৰ কৰি খেতিৰ উপযোগী কৰাৰ কথা কৈছিলো । এই কাম আজিলৈকে মন্ত্ৰীমহোদয়ে নকৰিলে । গতিকে মই মন্ত্ৰীমহোদয়ক অনুৰোধ কৰো যাতে এই মাটিবিলাক কৃষিৰ উপযোগী কৰি তোলে । আৰু এই মাটিবিলাক দুখীয়া খেতিয়কৰ মাজত বিতৰণৰ ব্যৱস্থা কৰে । অন্যান্য বিভাগত যিমান টকা খৰচ কৰিছে সিমান টকা খৰচ কৰি হলেও খেতিয়কৰ উপকাৰ কৰিব লাগে । আজি কৃষকৰ মাটিৰ কাৰণে হাহাকাৰ অৱস্থা হৈছে আজি বহুত খেতিয়ক খেতি কৰিবলৈ আগবাঢ়ি আহিছে কিন্তু খেতি কৰিবলৈ মাটি নাই । উপাধ্যক্ষ মহোদয়, আজি হয়তো বহুতো খেতিয়কে মাটি বেদখল কৰিছে । মই যোৱাবাৰো বাজেট অধিবেশনত

(Quorum bell)

কৈছিলো যে, গোলাঘাট যি দৈয়াং ফৰেষ্ট ৰিজাৰ্ভ আছে তাত হাবি নাই । তাৰ হাবি কাটি মানুহ বহি আছে । চৰকাৰে উচ্ছেদ কৰিছে আৰু তেওঁলোকে দখল কৰিছে । সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰো যে, য'ত forest reserve ত গছ-গছনি নাই তাৰ বিৰোধীতা কৰি লাভ নাই ।

**Mr. Deputy Speaker** : মাননীয় সদস্যই এইবিলাক কথা Revenue Deptt. ত কলে ভাল হয় ।

**Shri Lakhyeswar Das** : এই কথাটো কৃষিৰ লগত জৰিত আছে বুলিয়েই কৈছো । সেইকাৰণে এই মাটিবিলাকত সোনকালে পট্টা দিব লাগে ।

যিবিলাক ৰিজার্ভ মুকলি কৰি দিছে সেইখিনি খেতিয়কক দিব লাগে। আজি আমি কৃষকক সন্মান কৰিব লাগিব। আজি আমি কৃষকক সন্মান কৰিছোনে নাই এইটো চাব লাগিব। আজি কৃষকৰ ল'ৰা-ছোৱালীক শিক্ষা লবৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে।

( সময়ৰ সংকেত )

আজি নগৰৰ ল'ৰা-ছোৱালীক "মন্টেচৰী স্কুলত" পঢ়ুৱাইছে আনহাতে গাৱঁৰ লৰাছোৱালীয়ে পানীপৰা ঘৰত বহি স্কুল পঢ়িবলগা অৱস্থা।

( সময়ৰ সংকেট )

আৰু এটা কথা কব খোজো আজি গৰু মহৰ দাম বৃদ্ধি হৈছে। সেইহিচাবে পাৱাৰ-পাম্প বা Tractor ৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া-হলে খেতিয়কে গৰু-মহ কিনা সমস্যাৰ পৰা হাতসাৰিব পাৰে। তেতিয়াহে খেতিয়কৰ কল্যান কৰা হব।

Shri Kabir Chandra Roy Pradhani : উপাধ্যক্ষ মহোদয়, মই কৃষি শিতানৰ কর্তন প্রস্তাৱটো সমর্থন কৰি কেইটামান কথা কব খুজিছো। কৃষি-ক্ষেত্রত আমাৰ খেতিয়কসকল বৰ দুখীয়া। আমাৰ দেশৰ শতকৰা ৮০ ভাগেই খেতিয়ক। আমাৰ দেশৰ শতকৰা ৮০ ভাগ মানুহে কাম কৰি ২০ ভাগ মানুহক খুৱাব লাগে। আনফালে পাচাত্য দেশ বিলাকত শতকৰা ২০ ভাগ ১৫ ভাগে খেতি কৰি ৮০ ভাগক খুৱাই। অধ্যক্ষ মহোদয়, আপুনি চাওক শতকৰা ৮০ ভাগে ২০ ভাগ মানুহ খুৱাই আমাৰ দেশত আৰু অন্য দেশত ২০ ভাগে ৮০ ভাগক খুৱাই। এই কথাটো চিন্তা কৰিলে আমাৰ দেশৰ খেতিয়ক সকলক সৱল কৰিব লাগে। যদি চৰকাৰে এইটো নাভাৱে তেনেহলে Director, Deputy Director কেৰানী কৰিয়েই খেতিয়কৰ উন্নতি কৰিব নোৱাৰে। এই কথাটো যদি আদিতে ভাবিব নোৱাৰে তেতিয়াহলে খেতিয়কৰ অৱস্থা উন্নতি হব নোৱাৰে। আজি ২০ বছৰ হ'ল গাৱঁৰ খেতিয়কসকলৰ অৱস্থা আজি আগৰ দৰেই আছে। এইটো খেতিয়ক সকলৰ লৰা-ছোৱালীক জীয়াই ৰাখিবলৈ এইটো কৰিব লাগে।

কিন্তু আজিলৈকে খেতিয়কক এই ক্ষেত্রত প্রেৰনা যোগাব পৰা নাই। অর্থাৎ বুদ্ধি প্রয়োগ কৰিব পৰা নাই। বুদ্ধি আছে নে নাই নাজানো খেতিৰ উন্নতি কৰিবলৈ হলে মানুহ বিলাক Trained হব লাগিব। কাৰণ আজি আমাৰ মাটি নাবাঢ়ে। সেই কাৰণে একে মাটিতে ভালকৈ সাৰ প্রয়োগ কৰিবলৈ বুদ্ধি হব লাগিব। কেৰাণীৰ ভাণ্ডাৰ কৰি কৃষিৰ উন্নতি কৰিব নোৱাৰিব। খেতিয়কৰ যি উৎপাদন হয় সেইটো বজাৰত বিক্রী কৰিব লাগিব। এইখিনি কথা উপলব্ধি কৰিব পাৰিলেহে খেতিৰ উন্নতি কৰিব পাৰিব। কিন্তু এই ক্ষেত্রত আমাৰ খেতিয়ক সকল অতি দুখীয়া। চৰকাৰে ঋণৰ ব্যৱস্থা কৰিছে। কিন্তু ঋণৰ যিটো ব্যৱস্থা আছে সেইটোও অত্যন্ত দুখৰ কথা। কাৰণ ৬ মাহৰ কাৰণে ঋণ লৈ ৬ মাহৰ ভিতৰতে পৰিশোধ কৰিব লাগে। এতিয়া বহুত খেতিয়কে মে, জুন মাহত ঋণ লৈ ডিচেম্বৰ জানুৱাৰী মাহতে পৰিশোধ কৰিব লাগিব। অর্থাৎ ধান ঘৰত চপোৱাৰ লগে লগেই যেতিয়া ধানৰ দাম কম থাকে তেতিয়াই বাধ্য কৰি ঋণৰ টকা পৰিশোধ কৰায়। অলপতে আমি যোগান বিভাগৰ Question ত আলোচনা কৰা কৰিছোহঁক। খেতিয়কে যি ধান কম দামত বেচে সেই ধান মিল মালিক বিলাকে লৈ লয়, যাক F.C.Iএ Licence দিয়ে। আজি এনে ধৰণেৰেই খেতিয়ক সকল দুর্ব্বল হৈ পৰিছে। আমি দেখিছো আজি কৃষি ঋণৰ যি ব্যৱস্থা কৰিছে সেইটো একেবাৰে ভাল হোৱা নাই কাৰণ ধান হোৱাৰ লগে লগেই ছপাব লাগিব বা ধান খিনি বেচিব লাগিব কাৰণ খেতিয়ক সকলে ধান চপোৱাৰ লগে লগে তেওঁলোকে লোৱা কৃষি ঋণ পৰিশোধ কৰিব লাগে নহলে চৰকাৰে ক্রোক কৰে আৰু ধানৰ পৰিবর্ত্তে বেলেগ বস্তুয়ো লৈ যাব পাৰে। গতিকে এইধৰণৰ যি বাধ্যতা মূলক পৰিশোধ কৰা ঋণৰ ব্যৱস্থা, সেইটো বন্ধ কৰিব লাগে।

**Mr Deputy Speaker :** Mr Pradhani that comes under the Co-operative Department

Shri Kabir Chandra Roy Pradhani : এইটো কৃষিৰ ক্ষেত্ৰত জৰীত আছে আজি যদি চৰকাৰে দুখীয়া খেতিয়ক সকলক Protection নিদিয়ে তেতিয়া হলে এই দুখীয়া খেতিয়ক সকলৰ পৰা চৰকাৰে কেনেকৈ ভাল বস্তু আশা কৰিব পাৰে।

(সময়ৰ সংকেত)

আজি গাৱঁত যি মতে সাৰ যোগান ধৰিব পাৰিব লাগিছিল সেই মতে পৰা নাই। আমাৰ গাওঁবিলাকত আমি সাৰৰ সৰবৰাহ কৰা উচিত। line sewing Machine গাৱৰ মানুহে নাপায়; এই বিলাক ১০ ঘৰৰ মাজত অন্তত একোটাকৈ দিব লাগে। Tractor য়ো গাৱঁৰ মানুহে ঠিক মতে পোৱা নায়; গাৱঁৰ যোধদাৰ বা ডাঙৰ ডাঙৰ মানুহবিলাকে পায় অথচ সাধাৰণ খেতিয়কে নাপায়।

(সময়ৰ সংকেত)

সেই কাৰণে কৃষিৰ উন্নতিৰ কাৰণে পৰামৰ্শ আগবঢ়াব লাগে আজি যি ৮/১০ বিঘা মাটিৰ কথা কৈছে তাৰে পৰিয়াল কেতিয়াও চলিব নোৱাৰে। সেই কাৰণে নতুনকৈ অধিক মাটি দি Co-operative পতাৰ ব্যৱস্থা কৰি দিব লাগে আৰু এই ক্ষেত্ৰত কৃষি বিভাগে সহায় আগবঢ়াব লাগে। তাৰ পাচত Farming Co-operative Society কৰি ৫০ জন মান মানুহৰ মাজত ৫০০ বিঘা মান মাটি দি কৃষি বিভাগে যোগান ধৰিব লাগে। আৱশ্যক অনুসাৰে কৃষি বিভাগৰ ফালৰ পৰা উপযুক্ত কৰ্ম্মী Training দিয়াই অনাব লাগে।

আৰু এটা দৰকাৰী কথা হ'ল যে আজি খেতিয়ক সকলক Protection দিবলৈ যাওঁতে এটা কথা আহে সেইটো হ'ল আমাৰ Agricultural Production বিলাকৰ price ৰ Fixation কৰিব লাগে। এতিয়া ধানৰ দাম ২২ টকাৰ পৰা ৪০ টকালৈ বৃদ্ধি হৈছে। এই বিলাক মাৰাত্মক কথা।

আজি খেতিয়ক সকলৰ crops ৰ insurance সোনকালে কৰাটো দৰকাৰ; কাৰণ যেতিয়া বানপানী হয় তেতিয়া খেতিবাতি

নষ্ট হৈ যায় তেনেস্থলত খেতিয়কৰ কোনো দোষ নাই আৰু তেওঁ-লোকৰ বিনাদোষতে খেতি বাতি নষ্ট হৈ তেওঁলোকৰ অৰ্থ হানী হয় আৰু ক্ষতি পূৰনো নাপায় গতিকে খেতিয়ক সকলৰ crops in-surance টো ৰাখিব লাগে। আজি কৃষিৰ জৰীয়তে যাতে Indus-try য়ো প্ৰতিস্থা কৰিব পাৰি তালৈ লক্ষ্য ৰাখিব লাগে। ইয়াকে কৈ মই সামৰণি মাৰিলো।

Mr. Deputy Speaker · I hope you will kindly resume you seat. Mr. Kamini Sarma.

Shri Kabir Chandra Ray Pradhani : ........,

Mr. Deputy Speaker : I have already called Mr. Kamini Sarma, Mr. Pradhani's speech need not be recorded.

Shri Kamini Mohan Sarma : মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি কব বিচাৰিছো যে আমাৰ দেশখন কৃষি প্ৰধান দেশ অথচ এই কৃষি প্ৰধান দেশখনেই আজি ২২ বছৰে অৱনতি দেখা গৈছে। আজি আমাৰ দেশখনৰ কোনো উন্নতি নহব যদিহে আমি কৃষি বিভাগ টোক উন্নতিৰ ফালে আগবঢ়াই লৈ যাব নোৱাৰো।

গতিকেই এই ৰাজ্যখনৰ কৃষিৰ অন্তৰায়ৰ মূলতেই হ'ল Agri-culture deptt ৰ Directorate office টো শ্বিলঙতে ৰখা কাৰণ। এই Directorate শ্বিলংত থকাৰ কাৰেণে ই আমাৰ দুখীয়া খেতি-য়ক সকলৰ কোনো কামতেই অহা নাই, ফলত খেতিয়ক সকলৰ কোনো উন্নতি হোৱা নায়।

উপাধ্যক্ষ মহোদয়, কৃষিৰ উন্নতিৰ নামত এই বৈজ্ঞানিক ব্যৱস্থা উন্নত স্তৰলৈ নি কৃষকৰ মাজত বেমেজালিৰ সৃষ্টি কৰিছে ; বাস্তৱত আমি কি দেখিছো গুৱাহাটীত আজি এনেবোৰ যন্ত্ৰ পাতি কিনি

অচল অৱস্থাত পেলাই ৰাখিছে। অসমত আজি খেতিৰ কোনো উন্নতি হোৱা নাই। খেতিয়কৰ Loan ৰ জৰিয়তে এই বিলাক অচল যন্ত্র পাতি দিয়াত খেতিয়কৰ কোনো কামতেই অহা নাই। অথচ যদি ইয়াৰ পৰিবৰ্ত্তে খেতিয়কক নগদ টকাৰে Loan দিলেহেঁতেন তেতিয়াহলে তেওঁলোকে গৰু হাল কিনি 'নাঙল' পেলাই হলেও পথাৰত খেতি কৰিলেহেঁতেন। আজি বছৰৰ পিচত বছৰ প্ৰকৃতিয়ে এই সুন্দৰ পৃথিবীখন সেউজীয়া কৰি তোলে, অসম খন শস্য শ্যামলা কৰি তোলে; এতিয়া চ'ত মাহ গৈ April মাহ অহাৰ লগে লগে "বৰদৈচিলা" আহি পৰে আৰু প্ৰকৃতিয়ে নিজেই Green Revolation কৰে অথচ এই Green Revolution ৰ নামত চৰকাৰে অযথা টকা খৰচ কৰিছে। আজি জলসিঞ্চনৰ কোনো ভাল আঁচনি নাই যদি মাটি দবাতেই পানী যোগান ধৰিব নোৱাৰে তেতিয়াহলে কেনেকৈ কৰগৰা হব? আজি আমি বাস্তৱত দেখিছো পৃথিবীৰ ভিতৰতেই ভাৰতবৰ্ষত খেতিত সাৰৰ প্ৰয়োগ কম কৰে আৰু ভাৰতবৰ্ষৰ ভিতৰতেই অসমত সাৰৰ ব্যৱহাৰ কম কৰে। আমাব কৃষি মন্ত্ৰীৰ মগজত আজি সোমাব লাগিব যে আজি আমি খেতিত কিদৰে স্বাৱলম্বিতা লাভ কৰিব পাৰো এই চিন্তা আমাৰ মনত নাথাকিলে খেতিত উন্নতি কৰিব নোৱাৰিম। কৃষি বিভাগে এই ধৰণৰ যিমানেই Green Revolution নকৰক ই ৰক্তাক্ত বিপ্লৱ হে হব।

অসমৰ নিচিনা শস্য শ্যামল প্ৰকৃতিৰ নদন বদন সেউজী অঞ্চলতো আজি চৰকাৰে সুসংহত আঁচনি আৰু জলসিঞ্চনৰ ব্যৱস্থাৰ জৰিয়তে খেতিৰ উন্নতি কৰিবপৰা নাই অথচ বাস্তৱত আজি আমি যি দেখিছো যে যোৱা ২য় মহাসমৰৰ পিছত যি Soviet Russia ধূলিসাৎ হৈ স্মশানত পৰিনত হৈছিল—সেই দেশতো আজি ইমান কম সময়ৰ ভিতৰত কৃষি বিভাগে সুচিন্তিত আঁচনিৰ জৰিয়তে জলসিঞ্চনৰ ব্যৱস্থা কৰি তাতো কৃষি বিষয়া সকলে খেতিৰে উপচাই পেলাইছিল। আজি তুন্দ্ৰাৰ নিচিনা বৰফৰে ঢাক খাই থকা অঞ্চল আৰু মৰুভূমিৰ নিচিনা বালিময় শুকান ঠাইতো জলসিঞ্চনৰ ব্যৱস্থা সঞ্চিৱ কৰি তুলিছে আৰু সেই অঞ্চলবিলাকো শস্যৰে নদন বদন

হৈ উপচি পৰিছে কিন্তু অসমৰ নিচিনা প্ৰকৃতিৰ দান থকা অঞ্চল আজি শ্মশানত পৰিণত হৈছে যদিয়ো চৰকাৰে যোৱাবেলি ঢোল কোবাই শুনাই দিছিল যে শস্য নদন বদন হৈছে।

এইবাৰ আকৌ প্ৰকৃতিৰ আগৰ দৰে ফচলৰ অগ্ৰগতি নাই ; যদিয়ো আমি আশা কৰিছিলো কিবা পাম বুলি কিন্তু একো নাপাম। আমাৰ খেতিয়ক সকলক ৰাসায়নিক সাৰ ব্যৱহাৰ কৰি খেতি কৰিবলৈ শিকোৱা নাই।

প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিলে আমাৰ মাটিত ফচল নহয়। যোৱাবাৰ শস্য নদন-বদন হৈছিল আৰু সেই কাৰণেই চৰকাৰে জয়-ঢোল কোবাইছিল। এইবেলি প্ৰকৃতিয়ে আমাৰ ফালে কোপ দৃষ্টিৰে চাইছে। গতিকে এই বেলি খেতি বাতিও ভাল হোৱা নাই। ৰাজ্যপালৰ ভাসনতো আমি দেখা পাইছো এইবেলি ফচলৰ অগ্ৰগতিৰ কোনো উল্লেখ নাই।

আমাৰ ৰাজ্যত যদি জলসিঞ্চনৰ ব্যৱস্থা যথাযথ ভাবে কৰা নহয় আৰু ৰসায়নিক সাৰ, ঋণ আদি দিয়াৰ ব্যৱস্থা কৰা নহয় তেন্তে আমাৰ খেতিয়ক সকলে বেছি উৎপাদন কৰিব নোৱাৰিব। গতিকে মই এইটো পৰামৰ্শ আগবঢ়াওঁ যাতে জলসিঞ্চনৰ ব্যৱস্থা ঠিক ভাবে কৰিব পাৰে। মোৰ ৰঙীয়া সমষ্টিৰ কৰৰা অঞ্চলত এটা Sluice gate ভাঙি যোৱা আজি ২বছৰ হ'ল, সেই গেটটো এই দুবছৰেও কৰিব পৰা নাই। এই বিষয়ে মন্ত্ৰী মহোদয়ক বাৰে বাৰে কোৱা হৈছে কিন্তু কাম হোৱা নাই।

Mr. Speaker : আপুনি এইবিলাক কথা বান নিয়ন্ত্ৰণ মঞ্জুৰীত ক'ব।

Shri Kamini Mohan Sarma : যিবিলাক ঠাইত পানী নোহোৱাৰ ফলত শুকাই যায় সেই ঠাইবিলাক সজীৱ কৰি ৰাখিবৰ কাৰণে বিভিন্ন দোং আদি খান্ডি মাটি বিলাক সজীৱ কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগে। এইখিনি পৰামৰ্শ আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mrs. Pranita Talukder :** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ নিচিনা এখন কৃষি প্ৰধান দেশৰ অৰ্থনৈতিক উন্নয়ন আনিব লাগিলে আমি কৃষিৰ উৎপাদনৰ ক্ষেত্ৰত বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰিব লাগিব; অৱশ্যে এইটো ঠিক যে আমাৰ চৰকাৰে পঞ্চবাৰ্ষিক পৰিকল্পনা সমূহৰ যোগেদি নানান ধৰণৰ আঁচনি লৈছে। এই আঁচনি সমূহৰ যোগেদি আমাৰ খেতিয়ক ৰাইজৰ কিছুমান অৱস্থা উন্নত কৰিবৰ কাৰণে আৰু কৃষিৰ ক্ষেত্ৰত কৃষক সকলে প্ৰগতি লাভ কৰিবৰ কাৰণে কিছুমান ব্যৱস্থা গ্ৰহন কৰাৰ এটা ভাল প্ৰচেষ্টা চলাইছে; তাৰ ফল স্বৰূপে আজি ২/৩ বছৰৰ ভিতৰত কৃষক সকলে কিছু ক্ষেত্ৰত উন্নতি লাভ কৰা আমি দেখিবলৈ পাইছো। বৰো ধানৰ খেতি, মনোহৰ শালি ধানৰ খেতি, টাইচোং খেতি এইবিলাক খেতিৰ প্ৰতি খেতিয়ক সকলৰ আগ্ৰহ আগতে নাছিল। কিন্তু আজি ২/৩ বছৰ ভিতৰত এইবিলাক ধান খেতিৰ প্ৰতি খেতিয়কৰ আগ্ৰহ বঢ়া দেখা গৈছে—।

গম ধানৰ খেতি আগতে আমাৰ খেতিয়কে ভালদৰে কৰা আমি দেখিবলৈ পোৱা নাছিলো। কিন্তু বৰ সুখৰ বিষয় যোৱা season ত আমাৰ সেই অঞ্চলত গম ধানৰ খেতি খুউব ভাল হৈছে। আৰু এইটো আমাৰ দেশৰ অগ্ৰগতিৰ শুভ লক্ষণ। কিন্তু কথা হল আমাৰ খেতিয়ক সকলে চৰকাৰৰ তৰফৰ পৰা কেনেধৰণৰ সা-সুবিধা পায়—? আমাৰ খেতিয়ক সকলৰ সকলো সা-সুবিধাৰ কাৰণে পঞ্চায়ত সমূহ আছে। খেতিয়কক সহায় কৰিবলৈ পঞ্চায়ত বিষয়া সকল আছে। কিন্তু আজি দেখা গৈছে পঞ্চায়তত যি সকল বিষয়া আছে তেওঁলোকে কৃষি ক্ষেত্ৰত আমাৰ খেতিয়কক বিশেষ ভাৱে সহায় কৰিব পৰা নাই। Tractor, Power pamp আদি বহুতো পঞ্চায়তত দিয়া হৈছে কিন্তু আমাৰ বিষয়া সকলে সেইবোৰৰ Proper handling নজনাৰ ফলত কিছুমান Power pumpআৰু Tractor মামৰে ধৰাত কামত নলগা হৈছে। গতিকে মই আশা কৰো আমাৰ কৃষি বিভাগে যিবোৰ কৃষিৰ সা সজুলী পঞ্চায়ত সমূহক দিছে যাতে পঞ্চায়তৰ বিষয়া সকলে ভালদৰে আমাৰ খেতিয়কক সেইবোৰৰ ব্যৱহাৰ শিকাব পাৰে আৰু

সময় মতে যোগান ধৰিব পাৰে। তাৰ কাৰণে বিশেষ ব্যৱস্থা থাকিব লাগে।

আমাৰ মাননীয় সদস্য কেইবা গৰাকীয়ে বিশেষকৈ Bhattachayya ডাঙৰীয়াই কৈছে যে আমাৰ পঞ্চায়ত সমূহত যিসকল Agricultural Extension Officer আছে তেওঁলোক ভাল হব লাগে। আমাৰ পঞ্চায়ত বিষয়া সকলে খেতিয়ক ৰাইজৰ মাজলৈ গৈ তেওঁলোকৰ সুবিধা অসুবিধা বিলাক লক্ষ্য নকৰে আৰু তেওঁলোকৰ লগত যোগা-যোগ নৰখাৰ ফলত planned way খেতি-বাতিৰ কামত আগবাঢ়িব পৰা নাই। Extension অফিচাৰ সকল সুদক্ষ ব্যক্তি হব লাগে, বিশেষকৈ খেতি-বাতি বিষয়ে তেওঁলোকৰ সম্যক জ্ঞান থাকিব লাগে।

আজি আমাৰ কৃষক সকলে সাৰৰ যোগান পোৱা দৰকাৰ, বিধান পোৱা দৰকাৰ, পোক-পৰুৱা নাশক ঔষধ আদি পোৱা দৰকাৰ আৰু কৃষিৰ উন্নত ধৰণৰ সজুলী পোৱা দৰকাৰ। পঞ্চায়তৰ যোগেদি খেতিয়কক সাৰ দিয়া হৈছে। কিন্তু সেইবোৰৰ ব্যৱহাৰ নজনাৰ ফলত তেওঁলোকে সাৰ নিদিয়ে। কাৰণ পঞ্চায়তৰ অফিচাৰ সকলে তাৰ ব্যৱহাৰ খেতিয়কক শিকাই নিদিয়ে। সাৰৰ ব্যৱহাৰ নজনাৰ ফলত তেওঁলোকে খেতিয়কক সাৰ বেছিকৈয়ে দিছে আৰু কেতিয়াবা একেবাৰে জোখতকৈও কমাই দিছে। ফলত শস্য নষ্ট হৈছে। পঞ্চায়ত অফিচাৰ সকলে এইবোৰৰ প্ৰতি চোকা নজৰ ৰখা প্ৰয়োজন বুলি মই ভাবো।

আমাৰ খেতিয়ক সকলে উপযুক্ত সময়ত বিধান পোৱা দৰকাৰ। আমাৰ কৃষি বিভাগৰ বিষয়া সকলে খেতিয়কে উপযুক্ত সময়ত যোগান পাইছে নে নাই তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। আমাৰ অঞ্চলৰ ৰাইজে এই বছৰ আহুধানৰ বিধান মোনে ৪০ টকাকৈ কিনাৰ কথা মই জানো। কিন্তু খেতিয়কৰ আৰ্থিক অৱস্থা ভাল নোহোৱাৰ বাবে তেওঁলোকৰ বহুতে সেই বিধান কিনিব পৰা নাই। গতিকে আহু ধানৰ বিধানৰ মূল্য কমাই উপযুক্ত সময়ত চৰকাৰে যোগান ধৰিব বুলি আশা কৰিছো।

Seed farm ৰ ক্ষেত্ৰত চৰকাৰে বহুটকা খৰচ কৰিছে কিন্তু

ঠিক ভাৱে মানুহক সহায় কৰিব পৰা নাই। আমাৰ বৰ পেটা মহকুমা এটা Jute growing area বুলি জনাজাত। ৫ বছৰৰ আগতে সৰভোগত Central Govt. এ এটা Jute Research Sub-Station পাতিছিল। কিন্তু সেইটো ৫ বছৰ থকাৰ পাছতে নগাঁৱলৈ উঠাই নিলে। ইয়াৰ যিজন অফিচাৰ Mr. Dowa, U. P. ৰ মানুহ আছিল তেখেতে কৃষি বিভাগৰ ডিৰেক্টৰ ডঃ বৰুৱাক লগ ধৰি সৰভোগত Substation টোৰ বাবে বহু অসুবিধা থকা বুলি গোচৰ দিয়াত সেইটো নগাঁৱলৈ উঠাই নিলে। সেই Research Sub station টো পুনৰ সৰভোগলৈ আনিব লাগে বুলি দাবী জনাই মই সামৰণি মাৰিছো।

Shri Surendra Nath Das : মাননীয় উপাধ্যক্ষ মহোদয়, কৃষিৰ বিষয়ে যথেষ্ট আলোচনা হৈছে। আজি আমাৰ দেশত কৃষি উন্নয়নৰ ক্ষেত্ৰতএটা আলোড়নৰ সৃষ্টি হৈছে। ভাত চৰকাৰে যিটো ভুমিকা চৰকাৰে লব লাগিছিল সেইটো লোৱাত সম্ভৱপৰ হোৱা নাই। তথাপিতো স্বাধীনতাৰ পিচত হিচাব কৰি চালে দেখা যায়, খেতিৰ মাটিৰ পৰিমাণ ৬% ভাগ বৃদ্ধি পাইছে আৰু শস্য উৎপাদনৰ ১৯৬৬-৬৭ চনৰ পৰা ১৯৬৯-৭০ চনলৈ শত ২২% ভাগ বৃদ্ধি পাইছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে—কৃষিৰ উৎপাদন বাঢ়িছে। কিন্তু আহুধানৰ ক্ষেত্ৰত যিটো চাহিদা পূৰণ কৰিব লাগিছিল সেইটো পৰা নাই।

যি মূলা বাঢ়ে দুপাততে চিন। যিবিলাক সঁচ Agriculture ৰৰ ফাৰ্মৰ পৰা দিয়া হয় সেইবিলাক ভাল নহয়। Agriculture ফাৰ্ম্মত দেখিছো গোদামত ধান সঁচ থয় আৰু কোনোবা বুকক লাগিলে ৫০ মোন আদি কৰি দিয়া হয়। সেইবিলাক আনি পঞ্চায়ত বা উন্নয়ন খণ্ডৰ যোগেদি যোগান ধৰা হয়। সেইবিলাক সঁচ ভাল নহয়। গতিকে যিসকল Expert বা Extention Officer আছে, তেওঁলোকে কঠিয়াৰ সচ বিলাক ভালকৈ ৰাখিব লাগে। সৰ্ব্বসাধাৰণতে গাৱঁৰ খেতিয়ক সকলে সচঁৰ বাবে ৰখা ধানবিলাক সুন্দৰকৈ ৰদত ৰদাই থৈ দিয়ে। তাৰ পিচত কঠিয়া তলীত

সিচিবলৈ লোৱাৰ আগতে আকৌ ৰদাই লয়। আজি কালি মানুহে বৈজ্ঞানিক প্ৰণালী গ্ৰহণ কৰিছে। গতিকে expert সকলে দিহা পৰামৰ্শ দি বিধান বিলাক ভালকৈ ৰাখিব লাগে। কেনেকৈ কঠিয়া ৰূপন কৰিব লাগে, কেনেকৈ সঁচ ৰাখিব লাগে আদি পৰামৰ্শ দিলে উৎপাদন বাঢ়িব বুলি মোৰ বিশ্বাস। বিভাগীয় কৰ্ম্মচাৰী সকলে এই ক্ষেত্ৰত মনোযোগ দিলে এই ক্ষেত্ৰত বহুখিনি আগবাঢ়িব পৰা হব। ঘেহু খেতি আমি আগতে কোনো কালে দেখা নাছিলো, বজাৰত পাইছিলো। কিন্তু এই খেতি এতিয়া আঞ্চলিক পঞ্চাস্নত জনপ্ৰিয় হৈ উঠিছে। শিলবাৰীৰ বহুল পথাৰ এখন এই খেতিয়ে সুন্দৰকৈ ঢাকি থোৱা মন্ত্ৰী মহোদয়ে দেখিছে। মানিকপুৰত জলসিঞ্চনৰ ব্যৱস্থা কৰি I. R. 8 ৰ খেতি কৰিছে। Expert সকলে ভালৰকমে উৎসাহ, দিহাপৰামৰ্শ আগবঢ়ালে খেতিয়ক ৰাইজ পিচ নুহুহকে। কোনো কোনো এলাকতে জলসিঞ্চনৰ ব্যৱহাৰ দ্বাৰা খেতি কৰা হৈছে। মোৰ সমষ্টিত পৰাথহনীয়া হৈ খেতি নষ্ট কৰিছে। তাত জলসিঞ্চনৰ ব্যৱস্থা কৰিলে ভাল শস্য হয়। মৰা পাগলাদিয়াৰ ওচৰত বান্ধ বান্ধি তাত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। তাত প্ৰায় ২/৩ লাখ টকা খৰছ কৰা হৈছে। সেইবিলাক এতিয়া ভাল ৰকমে আছে নে নাই, সেইটো নজৰ দিব লাগে। আমি জানিবলৈ পাইছো যে গাৱঁৰ মানুহে চিমেণ্টৰ Proportion সুন্দৰকৈ দিব নোৱাৰাত বহুত ব্যতিক্ৰম ঘটিছে। গতিকে সেইবিলাকত নজৰ নিদিলে নষ্ট হৈ যাব। তেতিয়াহলে চৰকাৰ পৰিহনাৰ পাত্ৰ হব লাগিব। গৰীব ৰাইজক খেতি কৰিবৰ কাৰণে যদি জলসিঞ্চনৰ ব্যৱস্থা কৰে তাক আৱস্তনিৰে পৰা ভাল ৰকমে নজৰ দিব লাগে। এইবিলাকৰ সুব্যৱস্থা হবৰ কাৰণে S. D. O. ৰ ওচৰত নিবেদন জনাইছে। সোৱণ ঘাটাৰ ৩/৪ হাজাৰ পৰিয়ালৰপৰা আপত্তি আহিছে। তাত খেতি কৰাৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা নোহোৱাত ভাল ৰকমে খেতি কৰিব পৰা নাই। সৰিয়হৰ খেতিৰ পৰাও যথেষ্ট লাভৱান হব পাৰে। নেপালী ভাই সকলৰ গৰু মহ নাইকীয়া হৈছে, ফলত সৰিয়হ খেতি কৰিব পৰা নাই। সৰিয়হৰ কাৰণে সাৰ, গোবৰ আদিৰ ব্যৱস্থা কৰিব লাগে।

তেতিয়া হলে ৰাইজ উপকৃত হব। এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Mr. Deputy Speaker : Order, Order,. The debate is over The Minister will reply on 22nd May at 10.00 a.m.

## Calling Attention To A Matter of Urgent Public Importance.

Corruption in Education Department. Award of Scholarships to Non-Schedule caste Students.

Shri A. N. Akram Hussain : Mr. Deputy Speaker, Sir, I beg to call the attention of the Minister, Education under Rules 54 of the Rules of Procedure and Conduc of Business in Assam Legislative Assembly to the tnews item appearing in the Dainik Asom, dated the 12th April, 1970 under thecaption "শিক্ষা বিভাগত দুনীতি অনুসুচিতৰ নামত বৃত্তি ভোগ।"

(দৈনিক অসম ১২/৪/৭০)

"শিক্ষা বিভাগত দুনীতি : অনুসূচিতৰ নামত বৃত্তিভোগ।"

অসম চৰকাৰৰ শিক্ষা বিভাগৰ কেতবোৰ আসোঁৱাহ পুৰ্ণ কাম কাজৰ সম্ভেদ পোৱা গৈছে। বিশেষকৈ বৃত্তিদান বিটি প্ৰশিক্ষা প্ৰাৰ্থী নিৰ্ব্বাচন, বদলি কৰা আদিৰ ক্ষেত্ৰত দুনীতিয়ে যথেষ্ঠ দ লৈকে শিপোৱাৰ কথা সম্প্ৰতি প্ৰকাশ পাইছে। প্ৰথমতে অনুসূচীত জাতিৰ ছাত্ৰ ছাত্ৰীৰ বাবে আচুতীয়াকৈ ৰখা বৃত্তি বহুতো অনা অনুসূচীত ছাত্ৰ ছাত্ৰীয়ে পোৱা ঘটনাই ইয়াৰ কোনো মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। সাধাৰণতে স্কুল সমূহৰ পৰা মুৰব্বী সকলে প্ৰেৰণ কৰা অনুসুচিত জাতিৰ ছাত্ৰ ছাত্ৰীৰ তালিকা চাই বৃত্তি দিয়াৰ ব্যৱস্থা কৰা হয়। কিন্তু এতিয়া কাৰ্যতঃ কিছুমান অনা-অনুসূচীত লোকে তেওঁলোকৰ লৰা-ছোৱালীৰ নামত উপৰে উপৰে শিলঙৰ পৰা কেনেবাকৈ অনুসূচতি বৃত্তি

আনি স্কুলৰ জৰিয়তে সেই টকা উলিয়াই ফাওঁতে সেই টকা লাভ কৰিছে ”

**Mr. Deputy Speaker :** গোটেই খিনি নপঢ়িলেও চলিব ।

**Shri A. N. Hkram Aussain :** অলপ পঢ়ি দিছো ।

‘‘ইয়াৰ স্থনীয় স্কুল এখনত খবৰ লৈ জনা গল যে, স্কুল কর্তৃপক্ষই অনা-অনুসুচিত লোকৰ ছাত্রই—অনুসূচীত ছাত্রৰ বৃত্তি কেনেকৈ লাভ কৰিলে তাৰ হেনো গম নাপায় । আকৌ অনুসূচিতৰ কোটাৰ বৃত্তি যিসকল ছাত্রই লাভ কৰিছে সেইসকল ছাত্র হেনো দুখীয়া শ্রেণীটো নপৰে । শিক্ষকৰ অভিযোগমতে এনে কার্য্যই কণ কণ ছাত্রৰ মনত বেচি ভাবে প্রতিক্রিয়া কৰাও একো অস্বাভাৱিক নহয় । এই ক্ষেত্রত উৎথাপিত সমালোচনাত বহুতেই কয় যে শিলঙৰ কার্য্যালয়ত থকা লোকৰ স্বজন প্রীতিৰ দোষৰ পৰাই এনে দুনীতিয়ে শিক্ষাবিভাগত খোপনি পুতিছে ।”—বাকীখিনি যি কৰে কৰিব কিন্তু—এই সংক্রান্তত জড়িত সকলক কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা হব লাগিব ।

**Shri Joy Bhadra Hagjer ( Minister, Education )** Mr. Deputy Speaker, Sir, the Backward scholarships are awarded on production of caste certificates duly certified either by a local M. L. A. or by the respective Mouzadars or by the President, Anchalik Panchayat or of the Mahkuma parishad and on the basis of the list forwarded by the Heads of the Institutions. The D. P. I, has hardly any scope to challenge the validity or genuiness of such certificates as produced by the guardians or parents of the scholars. The name of the school has not been given. If the teacher was so apprehensive it was his duty to inform the higher authorities. The Department has no knowledge if any special scholarship has been awarded to students belonging to the non-

scheduled caste/tribes. However, if any anomaly is brought to the notice of the Department immediate necessary action in the matter will be taken.

There is no bar for deputation of Teachers from Middle Schools as it is a training for the "Secondary School Teachers. The Middle schools also come under the Secondary Schools, There are two types of deputation. Some teachers are deputed under the normal budget and selection is made on the recommendation of the Inspectors of Schools keeping in view the requirement of the schools and giving them all such facilities such as fees and hostel accommodation. On the other hand, some teachers are deputed under the Plan Budget; though on deputation they are not eligible for fees, hostel accommodation etc. The selection of such teachers are made on the applications received from the teachers who apply in response to the Department's advertisement. The teachers are selected keeping in view the special requirement of individual schools. There is no bar for deputation of teachers from schools receiving adhoc grant. The graduate teachers of M. E. Schools are also eligible for the deputation. This has been agreed to in view of the strong representation. made by All Assam Middle Schools Teachers Association to the Minister of Education. For the session 1970-71 from the M E. schools out of the total of 266 Secondary Teachers have been deputed. It is fact that a graduate teacher from an adhoc girls' M. E. school under Barpeta Sub-Division has been

deputed this year and he has been selected according to the principle noted above.

As regards para 3 of the news item the Department has no information if any Managing Committee of any school receiving adhoc grant is treating the school as its inherited property, and managing the affairs of the school in any manner it likes. However, if any specific instance is brought to the notice of the Department it will be properly looked into.

As regards para 4 of the news item, the Department has no information. Regarding appointment and payment to teacheas in adhoc schools, the Department does not normally interfere with the action of the Managing Committee. However, if any specific case of anomaly and discrimination is reported to the Department the matter will be looked into.

The unhygienic situation under which the schools are running as stated, Department has no information till now. The name of the school has not been given. However, if any such specific case comes to the notice of the Department it will be looked into.

About transfers, usually transfers are made in the interest of public service. Unless specific instances are cited, the matter cannot be investigated. It is not clear whether the transfer as alleged, relates to L. P. School, or other services.

1970

# Statement by Minister Tribal Areas Department on the Supply position in the Mizo Hills District.

Shri Chatra Sing Teron, Minister, T. A. & W. B. C., etc. :

Mr. Deputy Speaker Sir, as assured I rise to make a statement on the food supply position in Mizo District. Honourable Members expressed their concern about the supply arrangements. I share the anxiety of the House that despatch of foodstuffs to Mizo District is being given adequate priority. I shall now give a brief idea about the problems involved in feeding Mizo District and the steps taken by the Covernment in this regard

As the Honourable Members are aware, Mizo District has been deficit in food ever since the Mautam Famine and this deficit increased substantially after the out-break of hostile activities in 1966. Two factors have been chiefly responsible for this deterioriation. The Grouping of villages for ensuring better security has caused shrinkage in the area of jhum lands remain too far away from the grouped villages to be easy access. The withdrawal of licensed arms all over the District as a security measure has led to a substantial increase in the number of wild animals which damage the crops and this has also led to reduction in the net production even in areas where there has been no grouping. As a result, the people of Mizo District are now able to produce on the average only sufficient food to meet their

requirements for about three to four months and foodstuffs have to be supplied to most of the areas of the District from outside from April onwards till the new crop is harvested.

Out of the total population of 3. 2 lakhs in the District, 1.06 lakhs reside in the towns of Aijal and Lungleh and 19 P. P. Vs. which were organised as the first stage of the grouping scheme along the Silchar- Aijal-Lungleh Road. As these areas are now connected by an all-weather road, supply of food to this population presents no serious problem as food can be sent up in a phased manner by road even during the monsoon.

The Grouping Scheme was gradually extended to the rest of the District in a phased manner and 39 Centres known as New Group Centres and 17 centres known collectively as the Enlarged Loop Area have been established till now. In addition, there are 26 Voluntary Group Centres where the people have voluntarily grouped themselves in selected areas, having realised the advantage of the grouping scheme in matters of security, food supply, etc. The total population living in these various centres and other interior areas comes to 2. 14 Lakhs. Supply of food to this population presents a problem as these interior areas are not connected by all-weather roads and we had therefore been heavily dependent in the past on air-dropping of supplies.

With the gradual improvement of communications, it is now possible to supply some of these areas during the dry

months by fair weather roads but even in such places storage of adequate stocks well before the onset of the monsoon is not possible as long storage particularly in kutcha godowns leads to rapid deterioration of stocks. At the same time stocks required for consumption during the monsoon have to reach the interior areas before the onset of the monsoon in areas not fed by airdropping so that no serious scarcity conditions develop. Both these factors have to be taken into consideration in arranging good supplies to those interior areas where airdropping cannot be arranged.

The total requirement of cereals for this population of 2.14 lakhs in the interior at the standard scale of 2 kg per adult per week will come to nearly 6,700 tonnes for 4 months alone from June to September. The Defence Ministry have agreed to a total airdropping tonnage of only 8500 for the whole year from April 1970 to March 1971 as against our demand of 13,250 tonnes and the Eastern Air Command have agreed to airdrop only 1600 tonnes during the quarter from April to June. In the following quarter from July to September when the monsoon will be in full swing we can safely expect airdropping of 1600 tonnes only. For planning purpose, therefore, we can assume that 3,200 tonnes will be airdropped upto September. It should be noted, however, that this airdropping tonnage includes weight of supply dropping equipments and cent per cent recovery of the airdropded foodstuff is also not practicable.

Therefore, the quantity of airdropped foodstfuff which will actually be available for consumption will be only about 2400 tonnes. As there is no scope for any increase in

the airdropping tonnage, we have been compelled to explore alternate avenues for movement of foodstuff to the interior areas not covered by airdropping. A new scheme has accordingly been introduced this year for movement of foodgrains to the interior by head loads on payment of daily wages. Steps have also been taken to move as much food as possible by fair weather roads to the nearest roadheads before the onset of the monsoon makes them impassible In spite of these efforts, it will not be possible to move sufficient food to the interior areas at the full scale of 2 K. G. per adult per week It is, however, felt that stocking of foodstuffs at half the ration to cover the entire population living in the interior will not lead to serious hardship as in some areas people will be able to supplement their food requirement by other locally available food and in the scarcity pockets they can come to the nearest road-head where additional stocks will be kept available for carriage by villagers themselves.

Our immediate objective is to ensure that adequate stocks are made available to meet the requirements of the interior areas for 5 months from May to September on the basis indicated above and for movement to the PPVs by all weather road from May and June. With this brief statement of the background I now give details of the food requirement and the arrangements made for meeting them.

The road fed PPV Centres will require about 1700 tonnes of cereals for May and June, of which not more than half will be supplied in the form of rice. The total requirements

of the interior areas for 5 months upto September at the rate of 1 Kg will come to about 4200 tonnes of which not more than 2400 tonnes is likely to be actually airdropped for consumption by people. It will therefore be necessary to transport the balance of 1800 tonnes to reach the interior villages or nearest road heads where they cab be carried before the onset of the monsoon makes all road communications impossible. Thus the total requirement of cereals for the road fed centres and the interior areas to achieve the immediate objective comes to 5900 tonnes. As against this the Supply Department have already alloted an total quantity of 4415 tonnes of rice of which 8 0 tonnes have already been despatched to Silchar and the despatch of another 1?00 tonnes from the F. C. I. stock in Nowgong district has already commenced. The Apex Marketing Society have been asked to supply 2000 tonnes of rice, despatch of which has also commenced. 300 tonnes of rice have been ordered to be releaeased from the F.C.I. stock held locally at Silchar and 115 tonnes of rice are also being released at Jorhat from the F.C.I. stock for air-dropping. Apart from this 1500 tonnes of Atta have been alloted from Silchar and another 1500 tonnes of wheat have been kept earmarked at Silchar on Mizo account so that in-case of any delay in receipt of rice at Silchar, atta can be sent to the district. It will thus be seen as against our requirement of 5, 00 tonnes of cereals, orders of allotment and releases have been issued in respect of 5,915 tonnes of cereals and another 1500 tonnes of wheat are kept earmarked at Silchar for release in case of delay in receipt of rice from other stations. There is therefore no fear of any serious scarcity

arising in Mizo district during the monsoon. Of course air-dropping may be effected by weather conditions but even that should not lead to starvation conditions as it is proposed to maintain sufficient stock in the PPVs and other suitable road centres so that people of any village affected by shortfall in airdropping can carry their requirements from these stocks.

It is difficult to give actual figures of stocks held in the Mizo district as of today. These figures have to reach the Headquarters from the interior centres and the net stock actually available changes owing to issues and fresh receipts by the time the report reaches Headquarters. It may however be of interest to the Hon'ble Members to know that from the middle of April onwards we have despatched more than 1,000 tonnes of rice and 800 tonnes of Atta to the Mizo district by road transport and airdropping. It will thus be seen that the building up of stock in the district is progressing satisfactorily. I have no doubt however that we cannot afford to be complacent in the matter and constant vigilance will be necessary to ensure that scarcity conditions do not develop in the interior areas as a result of our movement programme being affected by unfavourable climatic condition or other unforeseen factors. I am glad that a delegation of Members of this Hon'ble House will soon be visiting the Mizo district to study the conditions there. I hope the Hon'ble Members will on the basis of their findings give us the benefit of their valuable advice on how our supply programme can be made more effective and useful.

Thank you, Sir.

Re : Blasting of Boulders near Dudhhath Temple.

*Shri Kabir Chandra Ray Prodhani : উপাধ্যক্ষ মহোদয় আপুনি জানে যে ইয়াৰ আগতে সদনত আপোনাৰ জৰিয়তে চৌধুৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষন কৰিছিলোঁ যে মহামায়া মন্দিৰত পাহাৰৰ পৰা পাৰ্থৰ ভঙা হৈছিল। কিন্তু আপোনাৰ দৃষ্টি আকৰ্ষন কৰাত সেইটো বন্ধ হৈছে আৰু মই কালি এটা Telegram পাইছোঁ যে দুধনৈৰ গৰাখহনীয়াত এখন Truck বাগৰি পৰে আৰু তাত দুজন মানুহ সোমায় পৰে—। দুধনৈৰ প্ৰবল গৰাখহনীয়াৰ কাৰণে এনেকুৱা দুৰ্ঘটনা ঘটিছে। অৱশ্যে মানুহ দুজনৰক্ষা পৰিছে। তাৰ পাচত কালি পাহাৰটোও ভাঙ্গি পৰি এক মাইলৰ আগতে ৰাষ্টা Block কৰিছিল। গতিকে এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলোঁ।

*Shri Mahendra Mohan Choudhury (Minister Revenue): উপাধ্যক্ষ মহোদয় দুধ নাথ মন্দিৰত পাহাৰ ভঙ্গা বুলি শ্ৰীপ্ৰধানী ডাঙৰীয়াই দৃষ্টি আকৰ্ষন কৰিছে আৰু তাৰ বাবে বৰ্ত্তমান তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু ইয়াৰ সাপেক্ষে শিল ভঙ্গা কাম স্থগিত ৰখা হৈছে। ধুবুৰী সমন্ধে যি প্ৰশ্ন কৰিছে সেই বিষয়ে আমাৰ Chief engineer ৰ পৰা খবৰ পাইছোঁ আৰু তেখেতে নিজে সেই অঞ্চল চাই আহিছিল আৰু মোক জনাইছে যে যিখিনি জেগাত protection ৰ কাম কৰা হৈছে তাত গুৰুতৰ ভাৱে গৰা-খহনীয়া হোৱা নাই। যিখিনি অঞ্চলত গৰাখহনীয়া হৈছে তাৰ বাবে উদ্বেগ হোৱাৰ কাৰণ নাই। তাত যি দুৰ্ঘটনাৰ কথা কৈছে সেইটো Driver ৰ অসাৱধানতাৰ কাৰণে হৈছে। গৰাখহনীয়াৰ কাৰণে হোৱা নাই।

---

*Speech not corrected

## ADJOURNMENT

The Assembly then adjourned till 9 A. M. on the 22nd May 1970.

U. Tahbildar,
Secretary,
Legislative Assembly, Assam

Shillong
The 20th May 1970

## APPENDIX

### The Budgetl List of Demands

GRANT NO. 24, 36. 37, 80. 82, 94, 99 and 1C0.

GRANT No. 24.

[Head of Account—"27.—Scientific Departments"]

Shri Biswadev Sarma (Minister, Industries) to move :

On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 14,89,200, be granted to the Minister-in-charge to complete the sum (Rs. 19,85,700) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "27.—Scientific Departments".

Cut Motion :

Nil.

---

GRANT NO. 36

[Head of Account—"35.—Industries—II—Cottage Industries"]

Shri Biswadev Sarma (Minister, Industries) to move :

On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 39,77,100 be granted to the Minister-in-charge

to complete the sum (Rs. 53,02, 800) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the adminiistation of the head "35. - Industries—II—Cottage Industries.".

Cut Motions :

1. Shri Gaurisankar Bhattacharyya
Shri Pitsing Konwar
Shri Maneswar Boro
Shri Sarat Chandra Rabha
Shri Romesh Mohan Kouli
Shri Abala Kanta Goswami
M. Shamsul Huda
Shri Nameswar Pegu
Shri Promode Chandra Gogoi
M. A. Musawwir Choudhury
Shri A. N. Akram Hussain
Shri Kamini Mohan Sarma
Shri Premadhor Bora
Dr. Bhupen Hazarika

to move :

That the total provision of Rs.53,02,800 under Grant No. 36. Major head "35.—Industries—II—

Cottage Industries" at pages 298-318 of the Budget, be reduced to Re.1, i,e., the amount of the whole grant of Rs. 53,02,800, do stand reduced to Re.1.

(To raise a discussion on policy and implementation).

| | |
|---|---|
| ২। লক্ষ্যধৰ চৌধুৰী | |
| শ্ৰীভুবনেশ্বৰ বৰ্ম্মন | |
| শ্ৰীঅতুল চন্দ্ৰ গোস্বামী | উত্থাপন কৰিছে |
| শ্ৰীভদ্ৰেশ্বৰ গগৈ | |
| শ্ৰীসোনেশ্বৰ বৰা | |
| শ্ৰীআজাদ আলী | |

বাজেটৰ ২৯৮-৩১৮ পৃষ্ঠাৰ মঞ্জুৰী নং ৩৬ ৰ অন্তৰ্ভুক্ত মুখ্য শিতান "৩৫ —উদ্যোগ কুটীৰ শিল্পত" ৰখা ৫৩,০২,৮০০ ধনৰ পৰিমাণ এটকালৈ কমাব লাগে অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ধনৰ পৰিমাণ এটকালৈ কমোৱা হওক।

(বিষয়টো উত্থাপন কৰি আলোচনা কৰাৰ উদ্দেশ্য)

## GRANT NO. 37

### Head of Account—"35.—Industries—III—Major Industries"]

Shri Biswadev Sarma (Minister, Industries ) to move :

On the recommendation of the Governor of Assam I beg, Sir, to move that a sum of Rs. 12,46,600

be granted to the Minister-in-charge to complete the sum (Rs.16,62,200) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head '35.—Industries—III--Major Industries".

Cut Motions :

| | |
|---|---|
| 1. Shri Promode Chandra Gogoi<br>M. A. Musawwir Choudhury<br>Shri Kanmini Mohan Sarma<br>M. Shamsul Huda | to move |

That the total provision of Rs. 16,62,200, under Grant No. 37, Major head " 35.—Industries—III—Mojor Industries," at pages 319, 320, of the Budget be reduced to Re. I, i,e., the amount of the whole grant of Rs. 16,62,200, do stand reduced to Re. I.

(To raise a discussion on policy and implementation).

| | |
|---|---|
| ২. শ্ৰীলক্ষ্য ধৰ চৌধুৰী<br>শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ<br>শ্ৰীঅতুল চন্দ্ৰ গোস্বামী<br>শ্ৰীভদ্ৰেশ্বৰ গগৈ<br>শ্ৰীআজাদ আলী | উত্থাপন কৰিছে ঃ |

বাজেটৰ ৩১৯-৩২০ পৃষ্ঠাৰ মঞ্জুৰী নং ৩৭ৰ অন্তভূ'ক্ত মুখ্য শিতান "৩৫—উদ্যোগ—III—গুৰু উদ্যোগ" ত ৰখা ১৬,৬২,২০০ ধনৰ পৰিমাণ এটকালৈ কমাব লাগে অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ধনৰ পৰিমাণ এটকালৈ কমোৱা হওক।

(চৰকাৰী নীতিৰ সমালোচনা কৰিবৰ কাৰণে)

---

## GRANT NO. 80

**[Head of Account—"96.—Capital Outlay on Industrial and Economic Development— II —Investment in Other Commercial and Industrial Undertakings)"]**

Shri Biswadev Sarma (Minister, Industries) to move :

On the recommendation of the Governor of Assam, I beg Sir, to move that a sum of Rs. 1,79,17,500 be granted to the Minister-in charge to complete the sum (Rs. 2,38,90,000) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "96.- Capital Outlay on Industrial and Economic Development- (I—Investment in other Commercial and Industral Undertakings").

Cut Motion :

Nil.

---

## GRANT NO. 82

[Head of Account—'96.—Capital Outlay on Industriai and Economic Development—(III—Other Miscellaneous Undertakings)"]

Shri Biswadev Sarma (Minister, Industries) to move:

On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 8,32,400 be granted to the Minister-in charge to complete the sum (Rs. 11,10,000 necessary to defray the charges which will come in course of payment during the year ending the 31st day of March 1971 for the administration of the head "96 Capital Outlay of Industrial and Econemic Development - (III—Other Miscellaneous Undertakings)".

Cut Motion:

Nil.

## GRANT NO. 94

[Head of Account—Q.—Loans and Advances, etc.—(VI— Industrial Loans.")]

Shri Biswadev Sarma (Minister, Industries) to move:

On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 4,78 900, be granted to the Minister-in-charge to complete the sum (Rs.6,38,500) necessay to defray the charges which will come in course of

payment during the year ending the 31st day of March, 1971 for the administration of the head "Q.—Loans and Advances, etc.—(VI—Industrial Loans)".

Cut Motion :

Nil.

---

GRANT NO. 99

[Head of Account—"Q.—Loans and Advances etc. —(XI—Loans to Major Industries)"]

Shri Biswadev Sarma (Minister, Industries) to move :

On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 18,75,000, be granted to the Minister-in-charge to complete the sum (Rs. 25,00,000) necessary to defary the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "Q—Loans and Advances, etc.—(XI—Loans to Major Industries)".

Cut Motion :

| | |
|---|---|
| Shri Lakshyadhar Choudhury<br>Dr. Surendra Nath Das | to move |

That the total provision of Rs. 25,00,000 under Grant No. 99, Major head = "Q—Loans and

Advances, etc. (XI – Loans to Major Industries") at page 489 of the Budget be reduced by Rs. 100 i.e., the amount of the whole grant of Rs. 25,00,000 do stand reduced by Rs. 100:

(To raise a discussion).

GRANT NO. 100

[Head of Account—"Q. - Loans and Advances, etc.— (XII—Loans to Electricity Board"]

Shri Biswadev Sarma [Minister, Power (Electricity)] to move :

On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,76,25,000 be granted to the Minister-in-charge to complete the sum (Rs. 2,35,00,000) necessary to defray the charges which will come in course of payment during the year ending the 31st day of March, 1971 for the administration of the head "Q.—Loans and Advances, etc.—(XII-Loans to Electricity Board)".

Cut Motion :

| | |
|---|---|
| Shri Lakshya Dhar Chaudhury | to move |
| Shri Bhadreswar Gogoi | |
| Dr. Surendrr Nath Das | |

That the total provision of Rs: 2,35,00,000 under Grant No. 100, Major head—"Q—Loans

and Advances, etc.,-(XII—Loans to Electricity Board)" at page 490 of the Budget be reduced by Rs. 100, i. e., the amount of the whole grant of Rs. 2, 35,00,000 do stand reduced by Rs. 100.

(To raise a general discussion of wastage of the Electricity Board).

Shillong : U. TAHBILDAR,

Secretar,

The 12th May, 1970. Legislative Assembly, Assam.